## ভিতৰৰ পৃষ্ঠাত

| | |
|---|---|
| দেওধনী উৎসৱ | পৃষ্ঠা ৪ |
| নৱপ্ৰজন্মৰ চিন্তাধাৰা | পৃষ্ঠা ৫ |
| এটা প্ৰশ্ন যাৰ কোনো... | পৃষ্ঠা ৭ |
| মানুহৰ বাবে মানুহ... | পৃষ্ঠা ৮ |



RNI No. ASSASS/2014/56974
Postal Registration No. GH-164/2021-2023
www.asombhumi.comত উপলব্ধ


# অসম ভূমি

জাতীয় স্বাৰ্থত দায়বদ্ধ


■ Vol:14 ■ Issue: 4 ■ Guwahati ■ Wednesday ■ 26 August, 2026 ■ Rs. 5 ■ বছৰ- ১৪ ■ সংখ্যা- ৪ ■ গুৱাহাটী ■ বুধবাৰ ■ ৮ ভাদ, ১৯৪৮ শক ■ মূল্য ঃ ৫ টকা




## ভাদ মাহ ঃ ভক্তিৰ সুৰত মানৱতাৰ সন্ধান

■ ড° সীমান্ত বৰুৱা

অসমীয়া সমাজ জীৱনৰ পৰম্পৰাত ১২ মাহৰ প্ৰতিটো মাহৰে নিজস্ব বৈশিষ্ট্য, ঐতিহ্য আৰু সাংস্কৃতিক তাৎপৰ্য আছে। কোনোটো মাহ কৃষি জীৱনৰ সৈতে, কোনোটো উৎসৱ-পাৰ্বণৰ সৈতে, কোনোটো আকৌ প্ৰকৃতিৰ ৰূপ-বৈচিত্ৰ্যৰে যদিও ভাদ মাহৰ স্থান যেন অলপ সুকীয়া। ভাদ মাহ অসমীয়া জাতিৰ আধ্যাত্মিক চেতনাৰ এক গভীৰ প্ৰতীক বুলিও ক'ব পাৰি। ভাদ মানেই নামঘৰৰ চোতালত পুৱা-গধূলি নাম-প্ৰসংগৰ পৱিত্ৰ ধ্বনি, কীৰ্ত্তন-ঘোষাৰ অমৃতবাণী, খোল-তালৰ মধুৰ ছন্দ, শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ ভক্তিধাৰাৰ স্মৰণ আৰু সমাজৰ মানুহৰ মাজত আত্মীয়তা, সমতা ■ দুই পৃষ্ঠাত

গুৱাহাটীত কৃষি বিভাগৰ ৰাজ্যিক পৰ্যায়ৰ কৰ্মশালা

## অসমৰ ২১ শতাংশ কৃষিভূমিহে জলসিঞ্চনৰ আওতাত ঃ মন্ত্ৰী পীযূষ

**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** উদ্যান শস্য উৎপাদনত অধিক গুৰুত্ব দি অসমক কৃষি খণ্ডত আত্মনিৰ্ভৰশীল কৰি তোলাৰ লক্ষ্যৰে কাম কৰি যাব ৰাজ্য চৰকাৰে। ইয়াৰ বাবে তিনিমাহৰ মূৰে মূৰে ৰাজ্যখনৰ কৃষকসকলৰ মতামত গ্ৰহণ কৰিব কৃষি বিভাগ তথা চৰকাৰে। অসমৰ কৃষি আৰু আনুষংগিক সামগ্ৰীৰ বাণিজ্যিক সম্ভাৱনা শক্তিশালী কৰাৰ লক্ষ্যৰে যোৱা সোমবাৰে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীমাধৱদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত ■ ১১ পৃষ্ঠাত



## গুৱাহাটীৰ কৃত্ৰিম বান সমস্যা সমাধান সঠিক পৰিকল্পনা নে সদিচ্ছাৰ অভাৱ?

■ অনিল কুমাৰ কলিতা

যোৱা কিছুদিন ধৰি এজাক বৰষুণতে গুৱাহাটী মহানগৰী পানীত ডুব যোৱা ছবিখন সহজলভ্য হৈছে। চাৰিজনকৈ মানুহৰ মৃত্যু হ'ল গুৱাহাটী মহানগৰীত যোৱা এপ্ৰিল মাহত। উন্মুক্ত মেনহ'লত পৰি মালিগাঁৱৰ মহিলাৰ মৃত্যু, এই মৃত্যু এক দুৰ্ঘটনা নহয় এয়া প্ৰশাসনৰ চৰম ব্যৰ্থতা। এনে দুৰ্ভাগ্যজনক ঘটনা ৰোধ কৰাৰ বাবে চৰকাৰে শীঘ্ৰে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। চৰকাৰে নলাসমূহ সম্পূৰ্ণ ঢাকনী দি যাতায়াত ব্যৱস্থা সুচল কৰিব লাগে। 'আজি প্ৰয়াত মন্ত্ৰী নগেন শৰ্মালৈ মনত পৰিছে! - ১৯৮৭ চনৰ কথা, তেতিয়া পল্টন বজাৰৰ পথছোৱা ঠেক আছিল, পথছোৱা বহল কৰিবলৈ পথটো সংলগ্ন প্ৰতিগৰাকী পৰিয়ালৰ গৰাকীক লগ কৰি বিনম্ৰ অনুৰোধ



কৰিছিল পথটো বহল কৰিবলৈ, কোনো ধৰণৰ মোকৰ্দমা নকৰাকৈ ৮/১০ ফুটকৈ মাটি গৰাকীয়ে এৰি দি চৰকাৰক সহায় কৰিছিল পথটো বহল কৰিবলৈ এয়া মন্ত্ৰীজনৰ মহানুভৱতাৰ পৰিচয়।'

'নিৰ্ধাৰিত সময়তকৈ ৬ মাহ আগতে ফ্লাইঅ'ভাৰ নিৰ্মাণৰ কথা কৈ মুখ্য মন্ত্ৰীয়ে নিৰ্মাণকাৰী সন্থাক প্ৰশংসা কৰি গৌৰৱ অনুভৱ কৰে, কিন্তু সঠিক পৰিকল্পনা যুগুত কৰি বান সমস্যা স্থায়ী সমাধান কৰাৰ ক্ষেত্ৰত কিয় পিছহুঁহকি আছে? কৰ্মপটু মুখ্য ■ ১১ পৃষ্ঠাত

আইআইটি গুৱাহাটী

## কম খৰচী পানী পৰিশোধন প্ৰযুক্তি উদ্ভাৱন

**গুৱাহাটী ঃ** ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান চমুকৈ আইআইটি গুৱাহাটীৰ গৱেষকসকলে এনে এক জল পৰিশোধন প্ৰযুক্তি উদ্ভাৱন কৰিছে, যাৰ জৰিয়তে প্ৰদূষিত ভূগৰ্ভস্থ পানীৰ পৰা একেলগে আৰ্চেনিক আৰু ফ্ল'ৰাইড আঁতৰাব পাৰি। প্ৰাকৃতিকভাৱে ভূগৰ্ভস্থ পানী প্ৰদূষিত হোৱা অঞ্চলসমূহত সুৰক্ষিত আৰু কম খৰচী খোৱাপানী যোগান নিশ্চিত কৰাৰ ক্ষেত্ৰত এই প্ৰযুক্তিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। আইআইটি গুৱাহাটীৰ গৱেষকসকলে এটা Rotating-Anode Electrocoagulation (RA-EC) Reactor প্ৰস্তুত কৰিছে, যিয়ে কেইমিনিটমানৰ ভিতৰতে আৰ্চেনেটৰ ৯৮.২% পৰ্যন্ত আৰু ফ্ল'ৰাইডৰ ৯১.৮% পৰ্যন্ত আঁতৰাবলৈ সক্ষম হৈছে।

এই গৱেষণাৰ ফলাফলে প্ৰযুক্তিটোৰ বিভিন্ন ক্ষেত্ৰত ব্যৱহাৰৰ সম্ভাৱনা দেখুৱাইছে। ইয়াৰ ভিতৰত আছে-সামূহিক খোৱাপানী পৰিশোধন, গ্ৰাম্য অঞ্চলত বিকেন্দ্ৰীকৃত জল পৰিশোধন ব্যৱস্থা, আৰ্চেনিক আৰু ফ্ল'ৰাইডযুক্ত ভূগৰ্ভস্থ পানী পৰিশোধন, উদ্যোগিক বৰ্জ্যপানী পৰিশোধন আৰু adsorption তথা membrane filtrationৰ দৰে উন্নত পৰিশোধন প্ৰক্ৰিয়াৰ সৈতে ইয়াৰ সংযোগ।

## কেজুৱেল বনকৰ্মীৰ সমস্যা সমাধানৰ আশ্বাস বনমন্ত্ৰীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** অসম চৰকাৰৰ বন বিভাগত ১৯৯৩ চনৰ পহিলা এপ্ৰিলৰ পূৰ্বে কেজুৱেল বা মাষ্টাৰ ৰোল শ্ৰমিক হিচাপে নিযুক্ত কিন্তু নিৰ্ধাৰিত হাৰৰ দৰমহা লাভৰ পৰা এতিয়াও বঞ্চিত হৈ থকা শ্ৰমিকসকলৰ দৰমহা লাভকে ধৰি তেওঁলোকে ভোগ কৰি অহা সমস্যাসমূহ শীঘ্ৰেই সমাধান কৰিব বুলি আশ্বাস প্ৰদান কৰিছে অসম চৰকাৰৰ বন বিভাগৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই। যোৱা ২৩ আগষ্টত বছৰ বছৰ ধৰি নিৰ্ধাৰিত হাৰত দৰমহা ■ ১১ পৃষ্ঠাত

উত্তৰ গুৱাহাটীত আবিলেকৰ উদ্যোগত পাঁচদিনীয়া অনুবাদ কৰ্মশালা

## জনগোষ্ঠীয় ভাষাত প্ৰকাশিত হ'ব জিকিৰ-জাৰী

**অসম ভূমি সেৱা, উত্তৰ গুৱাহাটী ঃ** জনগোষ্ঠীয় ভাষাত প্ৰকাশ কৰা হ'ব অসমত পৰম্পৰাগতভাৱে পৰিৱেশন কৰি অহা জিকিৰ আৰু জাৰী। ইয়াৰ বাবে ইতিমধ্যে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিছে উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰস্থিত আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা অসম চমুকৈ আবিলেকে। ইয়াৰ অংশ হিচাপে যোৱা ২০ আগষ্টৰ পৰা আবিলেকৰ উদ্যোগত অনুষ্ঠিত কৰা হয় জিকিৰ আৰু জাৰীৰ জনগোষ্ঠীয় ভাষালৈ অনুবাদৰ পাঁচদিনীয়া কৰ্মশালা। উল্লেখ্য যে বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদনৰ আধাৰত ২০২৪-২৫ বৰ্ষৰ বাজেটত এই কামৰ দায়িত্ব অৰ্পণ কৰা হৈছিল আবিলেকক। কাৰ্বি, দেউৰী, বড়ো, মিচিং, তিৱা, ৰাভাকে ধৰি ছটা জনগোষ্ঠীয় ভাষালৈ অনুবাদ কৰাৰ প্ৰকল্প হাতত ■ ১১ পৃষ্ঠাত



প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

# ভাদ মাহ ঃ ভক্তিৰ সুৰত মানৱতাৰ সন্ধান

আৰু মানৱতাৰ এক ভক্তিময় অনুভৱ ভৰি পৰে। অসমীয়া সমাজৰ আধ্যাত্মিক আৰু সাংস্কৃতিক জীৱনত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ অৱদান অনন্য। তেওঁলোকৰ একশৰণ নামধৰ্মই কেৱল ধৰ্মীয় বিশ্বাসৰ এক নতুন পথ প্ৰদৰ্শন কৰা নাছিল, অসমীয়া সমাজক এক গভীৰ মানৱীয়, নৈতিক আৰু সাংস্কৃতিক ভিত্তিও প্ৰদান কৰিছিল। ভক্তিৰ সৈতে যুক্ত কৰিছিল প্ৰেম, নৈতিকতাৰ সৈতে যুক্ত কৰিছিল মানৱতা, ধৰ্মৰ সৈতে যুক্ত কৰিছিল সামাজিক সমন্বয় আৰু আধ্যাত্মিকতাৰ সৈতে যুক্ত কৰিছিল সাংস্কৃতিক সৃষ্টিশীলতা। সেয়ে ভাদ মাহ আহিলে অসমৰ গাঁও-চহৰ, নামঘৰ, কীৰ্তনঘৰ, সত্ৰ-সংস্কৃতি আৰু মানুহৰ অন্তৰত এক বিশেষ জাগৰণৰ সৃষ্টি হয়। ভাদ মাহৰ পবিত্ৰ পৰিৱেশে আমাক সোঁৱৰাই দিয়ে যে মানুহৰ মাজত ভেদাভেদ নহয়, প্ৰেম, ভক্তি, সহিষ্ণুতা, সহমৰ্মিতা আৰু সমন্বয়েই জীৱনৰ প্ৰকৃত শক্তি। ভাদ মাহৰ নাম-প্ৰসংগৰ ধ্বনিয়ে অসমীয়া সমাজৰ অন্তৰত যুগ যুগ ধৰি প্ৰবাহিত হৈ অহা এক নৈতিক আৰু আধ্যাত্মিক চেতনাৰ বহিঃপ্ৰকাশ কৰে।

ভাদ মাহ অসমীয়া বৈষ্ণৱ সংস্কৃতিৰ সৈতে গভীৰভাৱে সম্পৃক্ত হৈ আছে। এই মাহত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱৰ পবিত্ৰ স্মৃতি বিশেষভাৱে জড়িত হৈ আছে। শ্ৰীশ্ৰীশংকৰদেৱৰ জন্মতিথি আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ তিৰোভাৱ তিথি ভাদ মাহৰ সৈতে সম্পৰ্কিত হোৱাৰ বাবে এই মাহে অসমীয়া বৈষ্ণৱ সমাজত বিশেষ মৰ্যাদা লাভ কৰি আহিছে। মাহটোৰ দিনবোৰত নামঘৰসমূহত বিশেষভাৱে নাম-প্ৰসংগ, কীৰ্ত্তন পাঠ আৰু ধৰ্মীয় অনুষ্ঠান অনুষ্ঠিত হয়। গাঁৱৰ নামঘৰবোৰত মানুহৰ সমাগম বৃদ্ধি পায়। পুৱা নাম, গধূলিৰ নাম, কীৰ্তন, প্ৰসাদ বিতৰণ আৰু ভক্তসকলৰ সমবেত প্ৰাৰ্থনাই গাঁওখনৰ পৰিৱেশক এক অনন্য পবিত্ৰতাৰে ভৰাই তোলে। কিন্তু এই পবিত্ৰতা কেৱল ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ মাজতে সীমাবদ্ধ নহয়। নামঘৰ অসমীয়া সমাজৰ সামাজিক জীৱনৰো এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ। বহু যুগ ধৰি নামঘৰে মানুহক একেলগে বহিবলৈ, কথা পাতিবলৈ, পৰস্পৰৰ দুখ-সুখ ভাগ কৰিবলৈ আৰু সামাজিক সমস্যাৰ সমাধান বিচাৰিবলৈ সুযোগ দি আহিছে। সেয়ে ভাদ মাহৰ নাম-প্ৰসংগই মানুহৰ মাজত আধ্যাত্মিক শান্তিৰ লগতে সামাজিক সংহতিৰ অনুভূতিও জগাই তোলে। অসমীয়া সমাজৰ নামঘৰ আৰু সত্ৰসমূহৰ প্ৰতিষ্ঠাতা জগত গুৰু শ্ৰীমন্ত শংকৰদেৱ এজন সাৰ্থক ধৰ্ম গুৰু আছিল। তেওঁ আছিল কবি, সাহিত্যিক, নাট্যকাৰ, সংগীতজ্ঞ, চিত্ৰকৰ, সমাজ সংস্কাৰক আৰু এক অসাধাৰণ সাংস্কৃতিক দূৰদৰ্শী মহামানৱ। তেওঁৰ সৃষ্টিশীল প্ৰতিভাই অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিক এক নতুন যুগলৈ লৈ গৈছিল। গুৰুজনাই উপলব্ধি কৰিছিল যে ধৰ্ম যদি মানুহৰ হৃদয়লৈ যাব নোৱাৰে, তেন্তে সেই ধৰ্মৰ সামাজিক তাৎপৰ্য সীমিত হৈ পৰিব। সেয়ে তেওঁ ধৰ্মক সহজ-সৰল ভাষাত সাধাৰণ মানুহৰ কাষলৈ লৈ আহিছিল। সংস্কৃতৰ জটিল শাস্ত্ৰীয় জ্ঞানক সাধাৰণ মানুহৰ বোধগম্য কৰি তোলাৰ ক্ষেত্ৰত তেওঁৰ ভূমিকা গ্ৰহণ কৰিছিল। তেওঁৰ কীৰ্ত্তন-ঘোষা, গুণমালা, ভাগৱতৰ অনুবাদ বা ৰূপান্তৰ, বৰগীত আৰু অংকীয়া নাট আদি অসমীয়া সাহিত্য সংস্কৃতিৰ অমূল্য সম্পদ। তেওঁৰ সৃষ্টিৰ মাজেৰে ভক্তি, নৈতিকতা, প্ৰেম, বিনয় আৰু মানৱীয় মূল্যবোধৰ শিক্ষা প্ৰচাৰিত হৈছিল। শংকৰদেৱৰ ধৰ্মীয় চিন্তাৰ কেন্দ্ৰত আছিল একশৰণ নামধৰ্ম। কিন্তু এই ধৰ্মৰ অন্তৰ্নিহিত শক্তি কেৱল ঈশ্বৰ ভক্তিত সীমাবদ্ধ নাছিল। তাৰ মাজত আছিল সামাজিক সমতাৰ বীজ। মানুহৰ জন্ম, জাতি, সামাজিক পৰিচয় বা আৰ্থিক অৱস্থাৰ ভিত্তিত মূল্য নিৰ্ধাৰণ কৰা উচিত নহয়। তেওঁৰ এই মানৱীয় দৃষ্টিভংগীয়ে অসমীয়া সমাজত গভীৰ প্ৰভাৱ পেলাইছিল।

শ্ৰীশ্ৰীশংকৰদেৱৰ মহান শিষ্য আৰু উত্তৰাধিকাৰী শ্ৰীশ্ৰীমাধৱদেৱে গুৰুৰ ভক্তিধাৰাক অধিক সুসংগঠিত আৰু বিস্তৃত ৰূপ দিছিল। তেওঁৰ সাহিত্যিক প্ৰতিভা আৰু আধ্যাত্মিক সাধনাই অসমীয়া বৈষ্ণৱ সংস্কৃতিক এক অনন্য মাধুৰ্য প্ৰদান কৰিছে। শ্ৰীশ্ৰীমাধৱদেৱৰ 'নামঘোষা' অসমীয়া ভক্তি সাহিত্যৰ এক অমূল্য সৃষ্টি। ইয়াৰ পদসমূহত ভক্তিৰ গভীৰতা, আত্মসমৰ্পণ, ঈশ্বৰৰ প্ৰতি বিশ্বাস আৰু মানুহৰ অন্তৰৰ বিনয় প্ৰকাশ পাইছে। তেওঁৰ বৰগীত আৰু ঝুমুৰা আদি সৃষ্টিতো ভক্তি আৰু নৈতিকতাৰ এক স্নিগ্ধ প্ৰকাশ দেখা যায়। মাধৱদেৱৰ জীৱন আছিল গুৰু-ভক্তি, সাধনা আৰু সেৱাৰ এক উজ্জ্বল উদাহৰণ। তেওঁৰ সৃষ্টিৰ মাজত ভক্তি কোনো বাহ্যিক প্ৰদৰ্শন নহয়, বৰং অন্তৰৰ পৰিশুদ্ধি আৰু জীৱনৰ নৈতিক ৰূপান্তৰৰ এক পথ বুলিহে উল্লেখ কৰিছিল। সেয়ে ভাদ মাহত মাধৱদেৱৰ স্মৰণ মানে কেৱল এজন মহাপুৰুষক স্মৰণ কৰা নহয়। ভক্তিৰ সৈতে বিনয়, বিশ্বাসৰ সৈতে নৈতিকতা আৰু আধ্যাত্মিকতাৰ সৈতে মানৱতাক পুনৰ সংযোগ বুলিহে ক'ব পাৰি। অসমীয়া সমাজত নামঘৰৰ স্থান অতুলনীয়। নামঘৰ কেৱল ধৰ্মীয় উপাসনাই নহয়। নামঘৰ অসমৰ সামাজিক জীৱনৰ এক অন্যতম প্ৰাণকেন্দ্ৰ। গাঁৱৰ নামঘৰৰ চোতালত ধনী-দুখীয়া, শিক্ষিত-অশিক্ষিত, বয়োজ্যেষ্ঠ যুৱক সকলো একেলগে বহে। নাম-প্ৰসংগত সকলোৱে একে ভক্তিৰে অংশগ্ৰহণ কৰে। খোল আৰু তালৰ ধ্বনিৰ মাজত ব্যক্তিগত অহংকাৰ যেন কিছুসময়ৰ বাবে বিলীন হৈ যায়। মানুহে উপলব্ধি কৰে যে জীৱনৰ সকলো পাৰ্থক্যৰ ওপৰত এক বৃহৎ মানৱীয় সম্পৰ্ক আছে। সেয়ে ভাদ মাহত এই নামঘৰসমূহ অধিক সক্ৰিয় হৈ উঠে। নামঘৰৰ পৰিৱেশত শিশুৱে প্ৰথমবাৰৰ বাবে কীৰ্তনৰ সুৰ শুনে, যুৱকে সমাজৰ সৈতে সংযোগ অনুভৱ কৰে আৰু বৃদ্ধসকলে অতীতৰ স্মৃতি ৰোমন্থন কৰে। এইদৰে নামঘৰ প্ৰজন্মৰ পৰা প্ৰজন্মলৈ সংস্কৃতিৰ সেতু হৈ আহিছে। নামঘৰে বহু সময়ত সামাজিক সহযোগিতা, সামূহিক সিদ্ধান্ত, বিপদৰ সময়ত সহায়-সহযোগিতা আৰু উৎসৱ-পাৰ্বণৰ পৰিকল্পনাৰ ক্ষেত্ৰ হৈ আহিছে। বানপানী, মহামাৰী, দুৰ্যোগ বা আন সংকটৰ সময়ত নামঘৰ আৰু ইয়াৰ সৈতে জড়িত সামাজিক সংগঠনসমূহে মানুহক সহায় কৰাৰ বহু উদাহৰণ অসমীয়া সমাজত আছে।

ভাদ মাহৰ নাম-প্ৰসংগৰ এক নিজস্ব আধ্যাত্মিক মাধুৰ্য আছে। সন্ধিয়া নামঘৰৰ চোতালত মানুহ সমবেত হয়। ধূপৰ সুগন্ধ, চাকিৰ পোহৰ, খোল তালৰ ছন্দ আৰু সমবেত কণ্ঠৰ নামধ্বনিয়ে পৰিৱেশক এক অনন্য আবেগেৰে ভৰাই তোলে। এই নামধ্বনি শুনিলে মানুহৰ মনত এক অদ্ভুত শান্তিৰ অনুভৱ জন্মে। দৈনন্দিন জীৱনৰ চিন্তা, ব্যস্ততা, অসন্তুষ্টি আৰু ব্যক্তিগত সংঘাত কিছুসময়ৰ বাবে আঁতৰি যায়। মানুহে নিজৰ ভিতৰলৈ চাবলৈ সুযোগ পায়।

ভক্তিৰ প্ৰকৃত উদ্দেশ্য বাহ্যিক প্ৰদৰ্শন নহয়। ভক্তি মানুহৰ আচৰণত প্ৰকাশ পাব লাগে। যদি নাম-প্ৰসংগৰ পিছতো মানুহে আনক ঘৃণা কৰে, অসহায়ক অৱজ্ঞা কৰে বা অন্যায়ৰ প্ৰতি নীৰৱ থাকে, তেন্তে সেই ভক্তিৰ উদ্দেশ্য পূৰ্ণ নহয়। শ্ৰীশ্ৰীশংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ ভক্তিধাৰাই আমাক অন্তৰ শুদ্ধ কৰাৰ লগতে আচৰণ শুদ্ধ কৰাৰ শিক্ষা দি আহিছে। সেয়ে ভাদ মাহৰ নাম-প্ৰসংগৰ প্ৰকৃত তাৎপৰ্য হৈছে মানুহক অধিক ভাল মানুহ কৰি তোলা। মানুহৰ প্ৰতি মৰম, দুখীয়াৰ প্ৰতি সহানুভূতি, অসহায়ৰ প্ৰতি সহায়ৰ হাত, বিপদগ্ৰস্তৰ প্ৰতি সহমৰ্মিতা আদিবোৰেই ভাদ মাহৰ আধ্যাত্মিকতাৰ বাস্তৱ ৰূপ।

ভাদ মাহৰ শিক্ষা অতি প্ৰাসংগিক। ই আমাক সোঁৱৰাই দিয়ে যে মানুহৰ প্ৰকৃত পৰিচয় তেওঁৰ সম্পদ, ক্ষমতা বা সামাজিক মৰ্যাদাত নহয়। তেওঁৰ মানৱীয়তাহে। অসম হৈছে বিভিন্ন জাতি জনগোষ্ঠী, ভাষা, ধৰ্ম আৰু সংস্কৃতিৰ মিলনভূমি। অসমৰ এই সামাজিক বৈচিত্ৰ্যই ৰাজ্যখনক অনন্য কৰি তুলিছে। এই বৈচিত্ৰ্যৰ মাজত ঐক্য আৰু সমন্বয় ৰক্ষা কৰাটো আমাৰ অন্যতম দায়িত্ব। শংকৰদেৱৰ সাংস্কৃতিক আন্দোলনে এই সমন্বয়ৰ এক শক্তিশালী ভিত্তি নিৰ্মাণ কৰিছিল। বৰগীত, অংকীয়া নাট, সত্ৰীয়া নৃত্য, নামঘৰ, কীৰ্তন আৰু ভক্তি-সংস্কৃতিৰ মাধ্যমেৰে বিভিন্ন সামাজিক স্তৰৰ মানুহক এক সাংস্কৃতিক বন্ধনত সংযুক্ত কৰা হৈছিল। ভাদ মাহত এই সমন্বয়ৰ অনুভৱ অধিক স্পষ্ট হয়। নামঘৰৰ দুৱাৰ সকলোৰে বাবে মুকলি। ভক্তিৰ ক্ষেত্ৰত মানুহৰ মাজত কৃত্ৰিম বিভাজন সৃষ্টি কৰাটো মহাপুৰুষীয়া আদৰ্শৰ সৈতে সামঞ্জস্যপূৰ্ণ নহয়।

বৰ্তমান সমাজত ধৰ্ম, জাতি, ভাষা বা পৰিচয়ক লৈ সংঘাত সৃষ্টি হোৱাৰ সম্ভাৱনা অধিক বৃদ্ধি পাইছে। সেয়ে শ্ৰীশ্ৰীশংকৰদেৱৰ সমন্বয়ৰ বাণী নতুনকৈ স্মৰণ কৰাৰ প্ৰয়োজন আছে। ভাদ মাহ অসমীয়া সংস্কৃতিৰ এক বিশাল ভঁৰালৰ সৈতে জড়িত। নামঘৰ, সত্ৰ, বৰগীত, নাম-কীৰ্তন, অংকীয়া নাট, সত্ৰীয়া নৃত্য, খোল, তাল, ভাওনা আদি সকলোবোৰৰ সৈতে ভাদ মাহৰ আধ্যাত্মিক পৰিৱেশৰ গভীৰ সম্পৰ্ক আছে। অসমীয়া সংস্কৃতিৰ বিশেষত্ব হৈছে ইয়াত ধৰ্ম আৰু সংস্কৃতি পৰস্পৰৰ পৰা সম্পূৰ্ণ পৃথক নহয়। ভক্তিৰ মাজেৰে সংগীতৰ বিকাশ ঘটিছে। আনহাতে ধৰ্মীয় আখ্যানৰ মাজেৰে নাট্যকলাৰ সৃষ্টি হৈছে। নামঘৰৰ মাজেৰে সামাজিক সংগঠন শক্তিশালী হৈছে আৰু সত্ৰসমূহৰ মাজেৰে সাহিত্য, নৃত্য, সংগীত আৰু শিল্পকলাৰ বিকাশ ঘটিছে। ভাদ মাহ সেয়ে আমাৰ সাংস্কৃতিক স্মৃতিৰো মাহ। এখন সমাজৰ সংস্কৃতি তেতিয়াহে জীয়াই থাকে যেতিয়া নতুন প্ৰজন্মই সেই সংস্কৃতিৰ সৈতে সম্পৰ্ক স্থাপন কৰে।

আজিৰ শিশুসকলে আধুনিক প্ৰযুক্তিৰ সৈতে ডাঙৰ হৈছে। তেওঁলোকৰ জীৱনত ম'বাইল ফোন, ইণ্টাৰনেট, সামাজিক মাধ্যম আৰু ডিজিটেল বিনোদনৰ প্ৰভাৱ অধিক। এই নতুন পৰিৱেশৰ মাজতো তেওঁলোকক নিজৰ সাংস্কৃতিক শিপাৰ সৈতে সংযোগ কৰাটো অত্যন্ত প্ৰয়োজনীয়। ভাদ মাহৰ নাম-প্ৰসংগ, নামঘৰলৈ যোৱা, কীৰ্তন শুনা, বৰগীতৰ সৈতে পৰিচিত হোৱা, শ্ৰীশ্ৰীশংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ জীৱন আৰু কৰ্মৰ বিষয়ে জনা এইবোৰে নতুন প্ৰজন্মক নিজৰ সংস্কৃতিৰ সৈতে পৰিচিত কৰাব পাৰে।

সংস্কৃতি মানে কেৱল অতীতক আঁকোৱালি ধৰি থকা নহয়। সংস্কৃতি মানে অতীতৰ মূল্যবোধক বৰ্তমানৰ জীৱনত সৃষ্টিশীলভাৱে প্ৰয়োগ কৰাহে।

বৰ্তমান সমাজত প্ৰতিযোগিতা তীব্ৰতৰ হৈ উঠিছে। লোক জীৱন অধিক ব্যস্ত। সফলতাৰ সংজ্ঞা বহু সময়ত ধন, পদ, ক্ষমতা আৰু বাহ্যিক প্ৰতিপত্তিৰ সৈতে জড়িত হৈ পৰিছে। এনে পৰিৱেশত মানসিক শান্তি আৰু নৈতিক স্থিৰতা অতি মূল্যৱান হৈ পৰিছে।

ভাদ মাহে আমাক থমকি ৰৈ নিজৰ অন্তৰলৈ চাবলৈ আহ্বান জনায়। আমি কিমান উপাৰ্জন কৰিলো, এই প্ৰশ্নৰ লগতে আমি কিমানজন মানুহৰ জীৱনত ভালপোৱা আৰু সহায়ৰ অনুভৱ সৃষ্টি কৰিলো, সেই প্ৰশ্নও গুৰুত্বপূৰ্ণ বুলি ক'ব পাৰি। আমি কিমান ডাঙৰ ঘৰ নিৰ্মাণ কৰিলো, তাৰ লগতে আমাৰ অন্তৰখন কিমান উদাৰ, সেই কথাও বিবেচনা কৰিব লাগিব। ভাদ মাহৰ নাম-প্ৰসংগে এই আত্মজিজ্ঞাসাৰ পথ মুকলি কৰে।

অসমীয়া সংস্কৃতি প্ৰকৃতিৰ সৈতে নিবিড়ভাৱে সংযুক্ত। নদী, বিল, পথাৰ, গছ-গছনি, বৰষুণ, মাটি আৰু কৃষি জীৱন এই সকলোবোৰে অসমীয়া জীৱনক গঢ় দিছে। ভাদ মাহ সাধাৰণতে বৰষুণ আৰু সেউজীয়াৰে ভৰা সময়। পথাৰত ধানৰ পুলি, গাঁৱৰ বাটত সেউজীয়া, নদী-বিলত পানী আৰু আকাশত মেঘ আদি প্ৰাকৃতিক পৰিৱেশে ভাদ মাহৰ আধ্যাত্মিক অনুভূতিকো অধিক গভীৰ কৰি তোলে। প্ৰকৃতিৰ প্ৰতি শ্ৰদ্ধা আৰু সংৰক্ষণৰ মনোভাৱো মহাপুৰুষীয়া মানৱীয় দৃষ্টিভংগীৰ সৈতে সামঞ্জস্যপূৰ্ণ মিল আছে। মানুহ আৰু প্ৰকৃতি পৰস্পৰৰ পৰা পৃথক নহয়। প্ৰকৃতি ধ্বংস কৰিলে মানুহৰেই অস্তিত্ব বিপন্ন হয়। সেয়ে ভাদ মাহৰ আধ্যাত্মিকতা কেৱল নামঘৰৰ ভিতৰত সীমাবদ্ধ নাথাকি প্ৰকৃতি সংৰক্ষণৰ ক্ষেত্ৰতো প্ৰকাশ পাব লাগে।

ভাদ মাহৰ সৈতে অসমীয়া মানুহৰ অসংখ্য ব্যক্তিগত আৰু সামাজিক স্মৃতি জড়িত। গাঁৱৰ পুৰণি নামঘৰ, বাঁহৰ বেৰ, মাটিৰ চোতাল, সন্ধিয়াৰ নাম, আইতাৰ মুখত শুনা কীৰ্ত্তনৰ কাহিনী, খোল-তালৰ শব্দ আদিবোৰ বহু মানুহৰ শৈশৱৰ স্মৃতিৰ অংশ।

এসময়ত ভাদ মাহৰ দিনবোৰত গাঁৱৰ মানুহে অধিক সময় একেলগে কটাইছিল। শিশুসকলে নামঘৰৰ চোতালত খেলিছিল, বয়োজ্যেষ্ঠসকলে ধৰ্মীয় আৰু সামাজিক কথা পাতিছিল, মহিলাসকলে প্ৰসাদ প্ৰস্তুত কৰিছিল আৰু যুৱসকলে নাম-প্ৰসংগৰ আয়োজনত অংশ লৈছিল। কিন্তু সময় সলনি হৈছে। গাঁও সলনি হৈছে। মানুহৰ জীৱনযাত্ৰাও সলনি হৈছে। সেই পুৰণি স্মৃতিবোৰ আজিও অসমীয়া মানুহৰ হৃদয়ত জীৱন্ত হৈ আছে। ভাদ মাহ আহিলে যেন সেই স্মৃতিবোৰ পুনৰ জাগি উঠে। ভাদ মাহৰ প্ৰসংগত এটা কথা বিশেষভাৱে মনত ৰখা প্ৰয়োজন যে ভক্তিৰ মূল্য বাহ্যিক আড়ম্বৰত নহয় ই অন্তৰৰ পৰিৱৰ্তনতহে হয়।

নাম-প্ৰসংগ, পূজা-পাৰ্বণ, ধৰ্মীয় অনুষ্ঠান বা সামাজিক আয়োজনৰ বাহ্যিক সৌন্দৰ্যৰ নিশ্চয়েই মূল্য আছে। কিন্তু তাৰ সৈতে যদি বিনয়, প্ৰেম, সহিষ্ণুতা আৰু মানৱতা নাথাকে, তেন্তে আধ্যাত্মিকতাৰ মূল উদ্দেশ্য ক্ষীণ হৈ পৰে। ভক্তিৰ প্ৰকৃত পৰীক্ষা নামঘৰত নহয়, দৈনন্দিন জীৱনতহে হয়। আমি ঘৰত কিদৰে আচৰণ কৰো, সমাজত দুৰ্বল মানুহৰ সৈতে কিদৰে ব্যৱহাৰ কৰো, বিপদত পৰা মানুহৰ কাষত থিয় দিওঁ নে নিদিওঁ, অন্যায় দেখিলে প্ৰতিবাদ কৰো নে নকৰো আদিবোৰেই আমাৰ নৈতিকতা আৰু মানৱীয়তাৰ পৰিচয়।

যুৱ সমাজ এখন দেশ আৰু জাতিৰ ভৱিষ্যৎ। সেয়ে ভাদ মাহৰ আদৰ্শ যুৱ সমাজৰ মাজলৈ লৈ যোৱাটো অত্যন্ত প্ৰয়োজনীয়।

শ্ৰীশ্ৰীশংকৰদেৱৰ জীৱনৰ পৰা যুৱকসকলে শিকিব লাগিব অধ্যৱসায়, সৃষ্টিশীলতা, সামাজিক দায়িত্ব, নৈতিকতা আৰু মানৱীয়তা কি এই সকলোবোৰ তেওঁলোকে দেখুৱাই থৈ গৈছে। জ্ঞান আৰু প্ৰতিভা কেৱল ব্যক্তিগত সফলতাৰ বাবে নহয়। সমাজৰ কল্যাণৰ বাবেও ব্যৱহাৰ কৰিব লাগে।

অসমীয়া জাতীয় পৰিচয় বহু উপাদানৰ সমন্বয়ে গঢ় লৈছে। ভাষা, সাহিত্য, ইতিহাস, লোকসংস্কৃতি, কৃষিজীৱন, নদী-পাহাৰ, বিহু, নামঘৰ, সত্ৰ, শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ সাংস্কৃতিক ঐতিহ্য এই সকলোবোৰ মিলি অসমীয়া পৰিচয়ক সমৃদ্ধ কৰিছে। ভাদ মাহ এই পৰিচয়ৰ এক আধ্যাত্মিক স্তম্ভ। ই আমাক নিজৰ শিপাৰ কথা সোঁৱৰাই দিয়ে। (সংগৃহীত)

দূৰভাষ ঃ ৯৫৫৭৮ ৯০৬৫৮

## শিশু বিকাশ সমিতি, নলবাৰীৰ প্ৰতিষ্ঠা দিৱস পালন

# মাতৃদুগ্ধ শিশুৰ জীৱনদায়িনী আহাৰ ঃ ডাঃ প্ৰণৱ শৰ্মা

**অসম ভূমি সেৱা, নলবাৰী ঃ** শিশুসকলৰ শাৰীৰিক, মানসিক, বৌদ্ধিক আদি সৰ্বাংগীণ বিকাশৰ অৰ্থে প্ৰতিষ্ঠিত শিশু বিকাশ সমিতি, নলবাৰীৰ যোৱা ২৩ আগষ্টত ২৪ সংখ্যক প্ৰতিষ্ঠা দিৱস দিনজোৰা কাৰ্যসূচীৰে নলবাৰীৰ আমচা হাউছত পালন কৰা হয়। সিদিনা অনুষ্ঠিত সভা আৰু বঁটা বিতৰণী অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে যোগদান কৰা বিশিষ্ট শিশুৰোগ বিশেষজ্ঞ তথা ইউনাইটেড হাস্পতাল, নলবাৰীৰ পৰিচালন সঞ্চালক ডাঃ প্ৰণৱ শৰ্মাই কয় যে মাতৃদুগ্ধ শিশুসকলৰ বাবে জীৱনদায়িনী আহাৰ। তেওঁ ভাষণ প্ৰসংগত শিশুসকলৰ ৰোগৰ কাৰণ, প্ৰতিকাৰ আৰু পৰিচৰ্যা আদিৰ বিষয়ে বিস্তৃতভাৱে ব্যাখ্যা কৰে। শিশু বিকাশ সমিতিৰ সভাপতি সনাতন বায়নৰ সভাপতিত্ব অনুষ্ঠিত সভাখন উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী তথা নাট্যকাৰ ধীৰেন্দ্ৰ কুমাৰ বৰ্মনে। সভাত আদৰণী ভাষণ দিয়ে নলবাৰী জিলাৰ সেৱা নিবৃত্ত যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক তথা নৱদ্বীপ হাস্পতালৰ বৰ্তমানৰ অধীক্ষক ডাক্তৰ কৈলাস ডেকাই। ডাক্তৰ ডেকাই শিশুৰ যতনৰ ওপৰত চমু অথচ গুৰুত্বপূৰ্ণ দিশ আলোকপাত কৰাৰ লগতে পৰিৱেশ প্ৰদূষণৰ ওপৰতো বক্তব্য আগবঢ়ায়। সভাত উপস্থিত থকা নলবাৰী হাইস্কুলৰ প্ৰধান শিক্ষক তথা বৃক্ষবন্ধু গংগাধৰ বৰ্মনে তেওঁৰ বক্তব্যত কয় যে অনুষ্ঠান এটা গঢ় দিয়াটো সহজ কিন্তু বৰ্তাই ৰখাটো কঠিন। শিশু বিকাশ সমিতিৰ প্ৰতিষ্ঠাতা পখুৱা মানৱজ্যোতি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক সনাতন বায়নে এই অনুষ্ঠানটোৰ গুৰি ধৰি ২৪ বছৰ সক্ৰিয় কৰি ৰখাটো উল্লেখনীয়। সভাত বজালী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা সৰলা তালুকদাৰ, বাপুজী মহাবিদ্যালয়, সৰ্থেবাৰীৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° নকুল তালুকদাৰ আদিয়েও বক্তব্য প্ৰদান কৰে। সভা অনুষ্ঠিত হোৱাৰ আগতে পুৱা ৯ বজাত পতাকা উত্তোলন কৰে শিশু বিকাশ সমিতিৰ সভাপতি সনাতন বায়নে। পুৱা



৯.৩০ বজাত ছহিদ বেদীত বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত অধ্যাপিকা সৰলা তালুকদাৰে আৰু মাল্যাৰ্পণ কৰে নলবাৰী জিলা লেখক সভাৰ সভাপতি অৰ্জুন সেন ডেকাই। পুৱা ১০ বজাত গছপুলি ৰোপণ কৰে বৃক্ষবন্ধু গংগাধৰ বৰ্মন আৰু নলবাৰী জিলা কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সম্পাদক প্ৰভাত ডেকাই। গোপীনাথ দাসৰ ভজনেৰে আৰম্ভ হোৱা সভাখনৰ মধ্যভাগত ডাঃ কৈলাস ডেকাই পৰিৱেশন কৰা সুমধুৰ গীত এটাই উপস্থিত সকলোকে আপ্লুত কৰে। সভা ভংগৰ আগে আগে ২০২৫-২৬ত অকণিৰ জ্যোতি শিশু আলোচনীত প্ৰকাশিত গল্প, কবিতা, চিত্ৰাংকণ আৰু কাৰ্টুনত বছৰটোৰ শ্ৰেষ্ঠ বুলি বিবেচিত পখুৱা মানৱজ্যোতি মধ্য ইংৰাজী বিদ্যালয়ৰ চিন্ময় বৰ্মনক (কবিতাৰ শিতানত), সুপ্ৰভা মহন্ত শংকৰদেৱ শিশু নিকেতনৰ ছাত্ৰী প্ৰিয়াংক্ষী শৰ্মাক গল্পৰ শিতানত, নালন্দা পাব্লিক স্কুল, নলবাৰীৰ অৰ্পিতা অলেমানক কাৰ্টুনিষ্ট হিচাপে আৰু শংকৰদেৱ শিশু নিকেতন ছাত্ৰী মৃগাক্ষী গৌতম ভূঞাক চিত্ৰকৰ হিচাপে পুৰস্কৃত কৰা হয়। বিশিষ্ট সমাজসেৱিকা মীনা পাটোৱাৰীয়ে পঞ্জীয়ন আদিত সহায় কৰা সভাখন পৰিচালনা কৰাৰ উপৰি শলাগৰ শৰাই আগবঢ়ায় অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক বিজয় বৰ্ব্বৰাই। উল্লেখ্য যে শিশু বিকাশ সমিতিৰ ২৪ বছৰ পূৰ্ণ হোৱা উপলক্ষে নলবাৰী জিলাৰ বিভিন্ন প্ৰান্তৰ ২৪ জন দুখীয়া ছাত্ৰ-ছাত্ৰীৰ প্ৰতিজনক নগদ ১০০০ টকা আৰু ৫০০ টকাৰ সামগ্ৰী প্ৰদান কৰা হয়।

## বজালীৰ বামাখাটাত শংকৰ-মাধৱ থিয়েটাৰৰ আখৰাগৃহ মুকলি



**অসম ভূমি সেৱা, পাঠশালা ঃ** পাঠশালাৰ সমীপৱৰ্তী বামাখাটাৰ পৰা আত্মপ্ৰকাশ কৰা শংকৰ-মাধৱ থিয়েটাৰৰ যোৱা দেওবাৰে স্থায়ী আখৰাগৃহৰ ফিতা কাটি মুকলি কৰে বজালী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ ৰয়ে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত বিধায়কগৰাকীয়ে নাট্যদলটোৰ প্ৰযোজক, পৰিচালকৰ লগতে সমূহ কলা-কুশলীকে শুভেচ্ছা জ্ঞাপন কৰি সাংস্কৃতিক ক্ষেত্ৰত অতীজৰে পৰা চহকী বজালীৰ বামাখাটাৰ পৰা গুৰু দুজনাৰ নামেৰে আত্মপ্ৰকাশ কৰা নাট্যদলটো নাট্যক্ষেত্ৰত উজলি উঠাৰ কামনা কৰে। উল্লেখ্য যে উৎপল তালুকদাৰৰ প্ৰযোজনাত বিগত কেইবাবছৰো ধৰি নাট্যযাত্ৰা অব্যাহত ৰখা নাট্যদলটোৰ নাট্যবৰ্ষৰ যোৱা দেওবাৰে আখৰাগৃহ মুকলি অনুষ্ঠানত ভৱানীপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক ফণীধৰ তালুকদাৰ, বজালী মণ্ডলৰ সভাপতি পৰাগ তালুকদাৰ, মুণ্ডৰীয়া-বামাখাটা গাঁও পঞ্চায়তৰ সভানেত্ৰী ইলা কাকতিকে ধৰি অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকি নাট্যদলটোক শুভকামনা জনায়।

## মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মা, ৰাইজক সহায়ৰ আহ্বান

# পখিলা খেদাৰ বয়সতে জটিল ৰোগত আক্ৰান্ত কিশোৰী

**অখিল কাকতি, পাঠশালা ঃ** এগৰাকী ১৩ বছৰীয়া কণমানি কিশোৰী। নাম তাইৰ স্মিতা দাস। যি সময়ত বন্ধু-বান্ধৱীৰ সৈতে উমলি-জামলি হাঁহি-স্ফূৰ্তিৰে থাকিব লাগিছিল সেই সময়তে এক জটিল ৰোগত আক্ৰান্ত হৈ সম্প্ৰতি জীৱন-মৰণৰ সৈতে যুঁজ দি আছে কণমানিগৰাকী। বজালী জিলাৰ সদৰ পাঠশালাৰ এটি জুপুৰিসদৃশ গৃহত আইতাকৰ সৈতে থকা কণমানিজনীয়ে জন্মৰ তিনিমাহতে মাক-দেউতাকক হেৰুওৱাৰ পাছত আইতাকেই তাইৰ একমাত্ৰ সংগী হৈ পৰিছে। অতি হৃদয়বিদাৰক কথা যে কণমানিজনীয়ে জন্মৰ তিনিমাহ পাছতেই আক্ৰান্ত হয় চকুৰ দুৰাৰোগ্য কৰ্কট ৰোগত যাৰ ফলত তাই এটি চকু হেৰুৱাবলগীয়া হোৱাৰ লগতে আনটো চকুও আক্ৰান্ত হোৱাত এতিয়া সম্পূৰ্ণৰূপে দৃষ্টিশক্তি নোহোৱা হৈছে। আইতাকে বৰষিৰে



মাছ ধৰি, আনৰ ঘৰত কেতিয়াবা কাম-বন কৰি এসাঁজ খাই এসাঁজ লঘোনেৰে দিন অতিবাহিত কৰি অহাৰ লগতে স্মিতাক বি বৰুৱা কৰ্কট প্ৰতিষ্ঠান আৰু গুৱাহাটী নেত্ৰালয়ত চিকিৎসা কৰাই আহিছে যদিও সম্প্ৰতি অৰ্থৰ অভাৱত সেয়াও যেন দুৰূহ হৈ পৰিছে। উল্লেখ্য যে বজালী জিলাৰ সদৰ পাঠশালাৰ পশ্চিম প্ৰান্তৰ বজালী জিলা আৰক্ষী অধীক্ষকৰ বাসভৱনৰ সমীপত বন জংঘলৰে আবৰা এটি জৰাজীৰ্ণ চৰকাৰী আবাসগৃহত একমাত্ৰ আইতাকৰে থকা স্মিতা বিশেষভাৱে সক্ষম লোকসকলৰ শিক্ষানুষ্ঠান তপোবনত দুবছৰ পঢ়াৰ পাছত গুৱাহাটীৰ অন্ধ বিদ্যালয়ত চতুৰ্থ শ্ৰেণীলৈকে অধ্যয়ন কৰিছিল যদিও জটিল ৰোগ আৰু টকাৰ অভাৱত পঢ়া বাদ দিবলগীয়া হৈছে। কি কৰিব কি নকৰিব সেই লৈ আইতাক পদ্মিনী দত্ত একপ্ৰকাৰ দিশহাৰা হৈ পৰিছে। অতি পৰিতাপৰ বিষয় যে চৰকাৰে দুখীয়া লোকসকলৰ বাবে বিভিন্ন আঁচনি প্ৰদান কৰি আহিছে যদিও আজিলৈকে দুৰ্ভগীয়া পদ্মিনী দত্তই সুলভ মূল্যৰ চাউলখিনিৰ বাহিৰে অৰুণোদয় আঁচনি, বৃদ্ধ পেন্সন আদি কোনোধৰণৰ আঁচনি লাভ নকৰা বুলি চকুপানী টুকি প্ৰকাশ কৰে। আনহাতে, স্মিতাৰ চিকিৎসাৰ বাবে মুখ্য মন্ত্ৰীৰ চিকিৎসা সাহায্য আঁচনিত আবেদন কৰিও আজিলৈকে কোনোধৰণৰ সঁহাৰি নোপোৱাত একপ্ৰকাৰ দিশহাৰা হৈ পৰিছে দুৰ্ভগীয়া আইতাকে। এই দুৰ্ভগীয়া ছোৱালীজনীৰ চিকিৎসাৰ লগতে জীৱন ভিক্ষা মাগি মুখ্য মন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাৰ সহায়ৰ বাবে কাতৰ আহ্বান জনাইছে আইতাক পদ্মিনী দত্তই। কিশোৰীগৰাকীৰ চিকিৎসাৰ উদ্দেশ্যে দানশীল ব্যক্তি, দল-সংগঠন, স্থানীয় বিধায়কৰ পৰাও সহায় বিচাৰি অনুৰোধ জনাইছে আইতাকে। যদি কোনোবা ব্যক্তিয়ে দুৰ্ভগীয়া কিশোৰীগৰাকীক চিকিৎসাৰ বাবে সহায় আগবঢ়াব বিচাৰে তেন্তে তলৰ একাউণ্টযোগে সহায়ৰ হাত আগবঢ়াব পাৰিব। একাউণ্টটো হৈছে— A/C Name : Smrita das & Padmini datta, AC No : 7117010099439, Assam Gramin Vikash Bank, Pathsala Branch, IFSC Code:. PUNBORRBAGB

# গ্ৰামীণ হেৰিটেজত ‘জিআই ট্ৰেজাৰ্ছ অব্ নৰ্থ-ইষ্ট’ গ্ৰন্থ উন্মোচন



**গুৱাহাটী ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ ভৌগোলিক নিৰ্দেশক (জিআই) সূচকপ্ৰাপ্ত সামগ্ৰীসমূহক লৈ প্ৰস্তুত কৰা গ্ৰন্থ অলপতে গুৱাহাটীৰ আমবাৰীস্থিত ঐতিহ্য গ্ৰামীণ হেৰিটেজ এম্পৰিয়ামত উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামীণ বিকাশ বেংক (নাবাৰ্ড)ৰ মুম্বাইস্থিত প্ৰধান কাৰ্যালয়ৰ উপ-পৰিচালন সঞ্চালক ড° অজয় কে সুদে। উল্লেখ্য যে ৰাজ্যৰ হস্ততাঁত আৰু বস্ত্ৰশিল্পৰ লগত জড়িত শিপিনীসকলৰ আৰ্থিক স্বাৱলম্বিতাৰ হকে কাম কৰি অহা আভা ক্ৰিয়েচনছ ছ'চিয়েল ইমপেক্ট ফাউণ্ডেচনৰ উদ্যোগত আৰু নাবাৰ্ডৰ সহযোগত পৰিচালিত এই এম্পৰিয়ামখনত উত্তৰ-পূবৰ জিআই সামগ্ৰী, গ্ৰামীণ হস্তশিল্প আৰু কৃষিভিত্তিক সামগ্ৰী প্ৰদৰ্শনৰ লগতে বিক্ৰী কৰা হয়। গ্ৰন্থখনত উত্তৰ-পূবৰ ৰাজ্যসমূহৰ পঞ্জীভুক্ত আৰু সম্ভাব্য জিআই সামগ্ৰীৰ এখন সুসংহত তালিকা সন্নিবিষ্ট কৰা হৈছে। অনুষ্ঠানত নাবাৰ্ডৰ অসমৰ ক্ষেত্ৰীয় মুখ্য কাৰ্যালয়ৰ মুখ্য মহাপ্ৰবন্ধক জি ৰমেশ কুমাৰ, মহাপ্ৰবন্ধক কমৰ জাভেদ, উপ-মহাপ্ৰবন্ধক ৰচিত উপ্পল, উপ-মহাপ্ৰবন্ধক ইভান টি মুনছং, কামৰূপ জিলাৰ উন্নয়ন প্ৰবন্ধক কুমাৰ শান্তনু বসাক আৰু প্ৰট'কল আৰু নিৰাপত্তা বিষয়া মেজৰ (অৱসৰপ্ৰাপ্ত) গৌৰৱ উপাধ্যায়, আভা ক্ৰিয়েচনৰ প্ৰতিষ্ঠাপক অৰূপ কুমাৰ বৈশ্য আৰু অনু মণ্ডল, হস্ততাঁত আৰু বস্ত্ৰশিল্প, কৃষিখণ্ডৰ কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

■ অসম ভূমি ■ ২৬ আগষ্ট, ২০২৬ ■

## সম্পাদকৰ মেজৰ পৰা...

# শিশুৰ চৰিত্ৰ গঠন

নিজৰ ঘৰখনেই হ'ল শিশুৰ আটাইতকৈ নিকট পৰিৱেশ। শিশুৱে জীৱনৰ প্ৰাৰম্ভিক শিক্ষা এই ঘৰখনতেই গ্ৰহণ কৰে। ঘৰখনক সেইকাৰণে শিশুৰ শিক্ষাৰ কঠিয়াতলি বুলি কোৱা হয়। এই কথাষাৰ যথেষ্ট তাৎপৰ্য্যপূৰ্ণ। কঠিয়াতলি এডৰা ভালদৰে চহ কৰি তাত ধান গুটি সিঁচিলে যিদৰে ভাল ফচলৰ আশা কৰিব পাৰি সেইদৰে শিশু কালতে যদি সন্তানক সু-শিক্ষা দিয়া হয় তেনেহ'লে ভৱিষ্যত সেই শিশুৰ পৰাও ভাল ফল আশা কৰিব পাৰি কুমাৰ সকলে মাটিৰ পাত্ৰ গঢ় দিয়া কথাৰ লগত শিশু কালৰ শিক্ষাৰ মিল আছে। যিদৰে কুমাৰে কোমল মাটিৰে নিজৰ ইচ্ছা অনুযায়ী বিভিন্ন সাঁচত মাটিৰ সাজ-সাজিব পাৰে, কিন্তু পোৰা মাটিৰে নোৱাৰে। ঠিক তেনেকৈয়ে শিশু কালতেই শিশুৰ কোমল মনটোক যিফালে যেনেকৈ গঢ় দিয়া হয়, তেনেদৰেই গঢ় লয়। কিন্তু শিশুকাল পাৰ হৈ যোৱাৰ পিছত যদি গঢ় দিবলৈ আপ্ৰাণ চেষ্টাও কৰ হয়, তেনেহ'লে সেই চেষ্টা কুমাৰে পোৰা মাটিৰে সাজ গঢ়িবলৈ কৰা চেষ্টাৰ দৰেই নিষ্ফল হয়। কিয়নো শিশুৰ মন কুমাৰৰ কোমল মাটিৰ দৰে যেনেকৈয়ে ভাজ দিবলৈ লয়। গতিকে শিশু কালত মনক গঢ় দি ল'ব নোৱাৰিলে, ভৱিষ্যতলৈ এই কাম হৈ উঠা অতি কঠিন।

শিশুসকল স্বভাৱতেই অনুকৰণ প্ৰিয়। শিশুৱে যি দেখে বা শুনে তাক অনুকৰণ কৰে। সৎ সংগত থাকিলে শিশু সৎ হয় আৰু অসৎ সংগত থাকিলে শিশু সৎ হয় আৰু অসৎ সংগত থাকিলে শিশু অসৎ হয়। "ৰজা আৰু ভাটো চৰাই" নামৰ ৰূপকথাটোৰ পৰা আমি প্ৰতিজন লোকে এই কথাটো ভালদৰে উপলব্ধি কৰিব পাৰো। ৰূপকথাত উল্লেখ থকা ব্যাধৰ ঘৰৰ ভাটো চৰাইটোৱে ব্যাধৰ ঘৰৰ থকা ভাটোটোৱে 'আহক বহক' বুলি আলহীক সম্ভাষণ জনাইছিল। এই ৰূপকথাটোৰ পৰাই ইয়াকেই বুজা গ'ল। যে যিয়ে যেনে পৰিৱেশত ডাঙৰ হয়, তেনে আচাৰ-ব্যৱহাৰ ৰীতি-নীতিকেই শিকে। শিশুসকলৰ অনুকৰণ শক্তি অতি প্ৰৱল। গতিকে শিশুকালত সিঁহতে যি পৰিৱেশত ডাঙৰ-দীঘল হয় সেই পৰিৱেশত মিলাকৈ স্বাভৱ চৰিত্ৰ গঠন কৰি লয়। যিহেতু পৰিয়ালতেই শিশুৱে জীৱনৰ শিক্ষাৰ পাতনি, মেলে, সেয়ে পৰিয়ালৰ লোকসকলে শিশুৰ আগত কৰা ব্যৱহাৰ আদি মাৰ্জিত হোৱা উচিত।

ঘৰখনেই শিক্ষাৰ আচল ঠাই সেয়েহে ঘৰখনৰ পৰিৱেশ সুস্থ কৰি ৰখাৰ দায়িত্ব পিতৃ-মাতৃৰ যদিও বিভিন্ন কৰ্মসূত্ৰে পিতৃ গৰাকী দিনটোৰ বেচিভাগ সময় ঘৰৰ বাহিৰতেই থাকে বাবে এই ক্ষেত্ৰত মাতৃ গৰাকীৰ দায়িত্ব বেছি পৰিমাণে থাকে। শিশুক সৎ চৰিত্ৰাবান কৰিবলৈ হ'লে পিতৃ-মাতৃ সজ হ'বই লাগিব। শিশুৱে জন্মৰ ২-৩ বছৰ মানৰপৰা ভাল-বেয়া সকলো কথা অজানিতে শিকি লয়। এই সময়ছোৱাত শিশুৰ চিন্তা শক্তি অতি ক্ষীণ। ভাল-বেয়া সকলো কথা চিন্তা বাহিৰত। পৰিয়ালৰ মৰম-চেনেহৰ মাজতে আৱদ্ধ হৈ থাকি পৰিয়ালটোৰ পৰা সকলো ভাল-বেয়া কথা আহৰণ কৰি লয়। সেয়ে প্ৰতিজন নৱাগত শিশুৰ ভৱিষ্যত নিজ নিজ পৰিয়ালৰ আচাৰ-ব্যৱহাৰৰ ওপৰতেই নিৰ্ভৰ কৰে। বেয়া কামৰ প্ৰতি শিশু সকলৰ উচতনি নহয়। শিশু সকলে সৰু সৰু আৰু অলপ কথাতেই কাজিয়া কৰা দেখা যায়। এই ক্ষেত্ৰত মাতৃগাৰকী উচিত বিচাৰকৰ ভূমিকালৈ মিঠা মুখেৰে তেওঁলোকৰ কাজিয়াৰ ওৰ পেলাব লাগিব। পৰিয়ালত পিতৃ-মাতৃয়ে শিশুৰ সন্মুখত পৰচৰ্চা, পৰনিন্দা আৰু সততে পিতৃ-মাতৃ হালে দ্বন্দ্ব কৰি থকাৰ পৰা আঁতৰত থকা অত্যন্ত গুৰুত্বপূৰ্ণ কথা। শৈশৱেই কৰ্মজীৱন প্ৰৱেশ কৰাৰ তোৰণ দ্বাৰ। ই জীৱনৰ প্ৰস্তুতিৰ সময়। ভৱিষ্যত জীৱনৰ সকলো কৰ্মৰ দায়িত্বভাৰ গ্ৰহণৰ উপযুক্ততা অৰ্জন কৰি লোৱাৰো সময় এই শৈশৱতেই। শিশু কালতো মনুষ্য জীৱনৰ প্ৰভাত। শিশুকাল এবাৰ গ'লে কেতিয়াও ঘূৰি নাহে। চৰিত্ৰ গঠন কৰি লোৱাৰ এইটো উপযুক্ত সময়। প্ৰাচীন কালত আশ্ৰমৰ প্ৰচলন আছিল য'ত ঋষি, মুনিসকলে শিষ্য সকলৰ বিভিন্ন জ্ঞান দিয়াৰ উপৰি চৰিত্ৰ গঠনতো বিশেষ নজৰ দিছিল। সেয়ে প্ৰতি গৰাকী পিতৃ-মাতৃয়ে তেওঁলোকৰ শিশুসকলক সৎ চৰিত্ৰবান কৰি গঢ় দিবলৈ হ'লে শিশুকালৰপৰাই শিশুক নীতিজ্ঞান দিবই লাগিব। নিজৰ সন্তানক যাতে কোনোলোকে অন্ধভাৱে পৰিচালিত কৰিব নোৱাৰে তাৰ প্ৰতিও তেওঁলোকে সদায় সচেতন হ'ব লাগিব। ■



# দেওধনী উৎসৱ

লীলাধৰ হাজৰিকা

নীলাচল পাহাৰত অৱস্থিত দেওধনী উৎসৱ কামাখ্যাধামৰ আটাইতকৈ জনপ্ৰিয় উৎসৱ। কামাখ্যাধাম আৰু ইয়াৰ ওচৰ-পাঁজৰৰ কিছুমান ঠাইত এই উৎসৱ শাওণ মাহৰ দোমাহীৰ দিনাৰ পৰা আৰম্ভ হয়। প্ৰথম দিনা সকলো দেওধা আহি কামাখ্যা দেৱালয়ত সমবেত হয়হি। সেই দিনটোত দোলাপতা হয়। অৰ্থাৎ পৰৱৰ্তী ভাদ মাহৰ প্ৰথম ভাদ আৰু দ্বিতীয় ভাদত দেওধাসকলে নাচ প্ৰদৰ্শন কৰে আৰু ভক্তসকলে সোধা অলৌকিক প্ৰশ্ন কিছুমানৰ উত্তৰ দিয়ে। চাক্ষুষ অভিজ্ঞতাৰে দেখা কিছু কথা এই লেখাটোত প্ৰকাশ কৰিবলৈ চেষ্টা কৰা হৈছে।

*প্ৰাগৈতিহাসিক কালৰে পৰা ভাৰতীয় আধ্যাত্মিকতাত নীলাচল পাহাৰত অৱস্থিত কামাখ্যা দেৱালয় এখন গুৰুত্বপূৰ্ণ স্থান হিচাপে বিবেচিত হৈ আহিছে। শক্তিপীঠ হিচাপে সমগ্ৰ পৃথিৱীতে কামাখ্যাৰ নাম আছে। নীলাচল এখন সৰু পাহাৰ; কিন্তু সৰু পাহাৰ হ'লেও ইয়াত থকা কামাখ্যাকে ধৰি অন্যান্য যিবোৰ মন্দিৰ আছে সকলোবোৰৰে গুৰুত্বলৈ লক্ষ্য কৰিলে কামাখ্যাক মন্দিৰ নগৰী বুলিব পাৰি। অসমৰ ঐতিহাসিক চিন্তা-চৰ্চা আৰু গৱেষণা পৰ্যায়তো কামাখ্যাৰ সুকীয়া পৰিচয় আছে। কামাখ্যা মন্দিৰৰ সাতটা কুণ্ড আছে। তাৰ ভিতৰত সৌভাগ্য কুণ্ড, অমৃত কুণ্ড, ঋণমোচন কুণ্ড, দুৰ্গা কুণ্ড, গয়া কুণ্ড, ভৈৰৱী কুণ্ড আৰু ন পুখুৰী বিখ্যাত। ভৈৰৱী কুণ্ডকেই কাছ পুখুৰী বোলা হয়। একে লগে সাতটা কুণ্ড থকা নীলাচল পাহাৰৰ কামাখ্যাই একমাত্ৰ স্থান। আহাৰ মাহৰ অম্বুবাচী উৎসৱৰ পৰাই পৃথিৱীৰ বুকুলৈ নামি আহি যৌৱনৰ ভৰ বাৰিষা। এই যৌৱনৰ ভৰ বাৰিষাই পূৰ্ণতা পায় শাওণ-ভাদ মাহত।*

প্ৰাগৈতিহাসিক কালৰে পৰা ভাৰতীয় আধ্যাত্মিকতাত নীলাচল পাহাৰত অৱস্থিত কামাখ্যা দেৱালয় এখন গুৰুত্বপূৰ্ণ স্থান হিচাপে বিবেচিত হৈ আহিছে। শক্তিপীঠ হিচাপে সমগ্ৰ পৃথিৱীতে কামাখ্যাৰ নাম আছে। কেন্দ্ৰীয় চৰকাৰৰ পৰ্যটনৰ মানচিত্ৰত কামাখ্যাৰ নাম ১৯ নম্বৰতে আছে। নীলাচল এখন সৰু পাহাৰ; কিন্তু সৰু পাহাৰ হ'লেও ইয়াত থকা কামাখ্যাকে ধৰি অন্যান্য যিবোৰ মন্দিৰ আছে সকলোবোৰৰে গুৰুত্বলৈ লক্ষ্য কৰিলে কামাখ্যাক মন্দিৰ নগৰী বুলিব পাৰি। অসমৰ ঐতিহাসিক চিন্তা-চৰ্চা আৰু গৱেষণা পৰ্যায়তো কামাখ্যাৰ সুকীয়া পৰিচয় আছে।

কালিকাপুৰাণ আৰু যোগিনীতন্ত্ৰক ঐতিহাসিক সমল থকা দুখন উপাদেয় গ্ৰন্থ বোলা হয়। কালিকাপুৰাণ আৰু যোগিনীতন্ত্ৰতো কামাখ্যাৰ বিষয়ে উল্লেখ আছে। অৰ্থাৎ প্ৰাচীন অসমৰ ইতিহাসৰ বিচাৰ-বিশ্লেষণ কৰিবলৈ হ'লে কামাখ্যাৰ নাম ল'ব ই লাগিব। কালিকাপুৰাণত উল্লেখ আছে, পূৰ্ব দ্বাৰত গণেশ, নন্দী আৰু হনুমান, পশ্চিম দুৱাৰত ভৃংগী, উত্তৰ আৰু দক্ষিণত মহাকাল সৰ্বদা থাকে। এওঁলোকে দেৱীক কামাখ্যা দেৱীক সদায়েই সুৰক্ষিত হৈ থকাত জাগ্ৰত প্ৰহৰী হৈ থাকে। নীলাচল পাহাৰত কামাখ্যা দেৱালয়ৰ উপৰি ১৩ অন্যান্য মন্দিৰো আছে। সেইবোৰ হৈছে তাৰা মন্দিৰ, কালী মন্দিৰ, ছিন্ন মস্তা মন্দিৰ, কামেশ্বৰ মন্দিৰ, ভুৱনেশ্বৰী মন্দিৰ, সিদ্ধেশ্বৰ মন্দিৰ, গয়া কুণ্ড মন্দিৰ, বগলা মন্দিৰ, ভৈৰৱ মন্দিৰ, গণেশ মন্দিৰ, পাণ্ডুনাথ মন্দিৰ। কামাখ্যাক কেন্দ্ৰ কৰি ইয়াত অৱস্থিত দশ মহাবিদ্যা মন্দিৰত দৈনিক পূজা-অৰ্চনা হয়। দশ মহাবিদ্যা মন্দিৰ হৈছে কালী, তাৰা, ষোড়শী, ভুৱনেশ্বৰী, ভৈৰৱী, ছিন্নমস্তা, ধুমাৱতী, বগলামুখী, মাতংগী আৰু কমলা। কামাখ্যাত মহাদেৱৰ পঞ্চপীঠো আছে। সেইবোৰ হৈছে কামেশ্বৰ বা কামদেৱ, ঈশান বা সিদ্ধেশ্বৰ, তৎপুৰুষ বা কৌটিলিংগ, হেৰুক ভৈৰৱ বা টোকেশ্বৰ। উল্লেখ্য যে কামাখ্যা মন্দিৰলৈ অহা-যোৱা কৰা মঠৰ সমীপতেই আছে তিনিটা বাঘেশ্বৰী মন্দিৰ। সেইকেইটা হৈছে ললিতা কান্তা জয় দুৰ্গ আৰু বন দুৰ্গা মন্দিৰ। কামাখ্যা মন্দিৰৰ কাষতে আছে কুবেৰ দেৱতাৰ স্থান। এই ঠাইত মন্দিৰবিলাকৰ সা-সম্পত্তিবোৰ থাকে। এই স্থানৰ ভঁৰালৰ পৰা মন্দিৰৰ পূজা, সেৱা আৰু ভোগৰ সামগ্ৰী যোগান ধৰা হয়।


কামাখ্যা মন্দিৰৰ সাতটা কুণ্ড আছে। তাৰ ভিতৰত সৌভাগ্য কুণ্ড, অমৃত কুণ্ড, ঋণমোচন কুণ্ড, দুৰ্গা কুণ্ড, গয়া কুণ্ড, ভৈৰৱী কুণ্ড আৰু ন পুখুৰী বিখ্যাত। ভৈৰৱী কুণ্ডকেই কাছ পুখুৰী বোলা হয়। একে লগে সাতটা কুণ্ড থকা নীলাচল পাহাৰৰ কামাখ্যাই একমাত্ৰ স্থান। আহাৰ মাহৰ অম্বুবাচী উৎসৱৰ পৰাই পৃথিৱীৰ বুকুলৈ নামি আহি যৌৱনৰ ভৰ বাৰিষা। এই যৌৱনৰ ভৰ বাৰিষাই পূৰ্ণতা পায় শাওণ-ভাদ মাহত। লোকাচাৰ মতে বাৰিষা অহাৰ লগে লগে দেৱ-দেৱীৰ মন্দিৰবোৰ জাগ্ৰত হৈ উঠে। এই সময়ছোৱাৰ ভিতৰতেই যিসকল ব্যক্তি শুদ্ধ ধৰ্মীয় চিন্তাত নিমজ্জিত হৈ থাকে সেইসকলৰ গাত দেৱ-দেৱীৰ শক্তিৰ কিয়দংশ প্ৰভাৱ পৰে। এই শক্তি অদৃশ্য শক্তিৰ দ্বাৰা আৰোপিত হয়। মন্দিৰ নগৰী কামাখ্যাধামত যিবোৰ উৎসৱ হয়, সেইবোৰ উৎসৱৰ ভিতৰত শাওণ-ভাদৰ দোমাহীৰ দিনাৰ পৰা কামাখ্যাধামত দেওধা ব্ৰত অথবা দেওধনী অন্যতম। দেওধনী উৎসৱটো আকৌ মনসা পূজাৰ লগত ওতপ্ৰোতভাৱে জড়িত উৎসৱ। কামাখ্যাত অনুষ্ঠিত দেওধনী উৎসৱৰ লগত কবি মনকৰ

■ নৱম পৃষ্ঠাত

**সমাজৰ নীতি-নিয়ম আৰু পৰম্পৰাৰ প্ৰতি নতুন প্ৰজন্মৰ একাংশৰ মনত কোনো শ্ৰদ্ধা নাই। তেওঁলোকে এই নীতি-নিয়মবোৰক ব্যক্তিগত স্বাধীনতাৰ পৰিপন্থী বুলি গণ্য কৰে আৰু যিকোনো মূল্যৰ বিনিময়ত এইবোৰৰ পৰা আঁতৰি থাকি নিজৰ মইমতালি প্ৰতিষ্ঠা কৰিবলৈ অহৰহ চেষ্টা চলাই থাকে। তেওঁলোকৰ মতে স্বাধীনতাই হ'ল দায়িত্বহীনতা। বয়োজ্যেষ্ঠ লোকসকলৰ উপদেশক তেওঁলোকে পুৰণিকলীয়া চিন্তা বুলি হাঁহি উৰুৱাই দিয়ে আৰু নিজৰ কম অভিজ্ঞতাক লৈয়েই সকলো কথাতে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিবলৈ বিচাৰে। এই অহংকাৰ তেওঁলোকৰ পতনৰ মূল কাৰণ। গুৰুজনৰ প্ৰতি দেখুৱাব লগীয়া সন্মান তেওঁলোকৰ আচৰণৰ পৰা সম্পূৰ্ণৰূপে নোহোৱা হৈ গৈছে, যাৰ ফলত পৰিয়ালৰ ভিতৰত এক ধৰণৰ অশান্তিকৰ পৰিৱেশৰ সৃষ্টি হৈছে। তেওঁলোকে নিজকে সকলোতকৈ জ্ঞানী বুলি ভাবে। সমাজত চলি অহা শৃংখলাবদ্ধতা তেওঁলোকে মানিব নিবিচাৰে। তেওঁলোকে ভাবে যে সমাজৰ সকলো নিয়ম তেওঁলোকক বান্ধি ৰাখিবলৈহে সৃষ্টি কৰা হৈছে, সেয়েহে তেওঁলোকে প্ৰতিটো কথাতে বিদ্ৰোহ কৰিবলৈ বিচাৰে আৰু তৰ্কত লিপ্ত হয়। এই বিদ্ৰোহৰ কোনো নিৰ্দিষ্ট লক্ষ্য নাই।**

# নৱপ্ৰজন্মৰ চিন্তাধাৰা


হিমাংশু ৰণ্জন ভূঞা



বৰ্তমানৰ নতুন প্ৰজন্মৰ চিন্তাধাৰা বাস্তৱ পৃথিৱীখনৰ পৰা আঁতৰি গৈ এটা কৃত্ৰিম আবেষ্টনীত আবদ্ধ হৈ পৰিছে, যিয়ে তেওঁলোকৰ দৈনন্দিন জীৱনৰ সিদ্ধান্তবোৰত গভীৰ প্ৰভাৱ পেলাইছে। ইয়াৰ অৰ্থ হ'ল, তেওঁলোকে সঁচা আৰু মিছাৰ পাৰ্থক্য বুজিবলৈ অস্বীকাৰ কৰে। দিনটোৰ সৰহভাগ সময় তেওঁলোকে স্মাৰ্টফোনৰ পৰ্দাত আবদ্ধ হৈ কটায় আৰু আনৰ ভুৱা জীৱনশৈলী দেখি তেওঁলোকেও তেনে এটা আড়ম্বৰপূৰ্ণ জীৱন-যাপন কৰাৰ এক অবাস্তৱ সপোন পুহি ৰাখে। এই সপোনবোৰে হতাশাৰ সৃষ্টি কৰে। প্ৰমাণবোৰে আঙুলিয়াই দিয়ে যে নিজৰ জীৱনৰ প্ৰকৃত অৱস্থাক লুকুৱাই ৰাখি আনৰ আগত নিজকে শ্ৰেষ্ঠ বুলি প্ৰতিপন্ন কৰাৰ যি এক প্ৰতিযোগিতা চলিছে, সেয়া সমাজৰ বাবে ক্ষতিকাৰক। বাহ্যিক আড়ম্বৰক তেওঁলোকে শ্ৰেষ্ঠত্বৰ মাপকাঠী বুলি গণ্য কৰে। সমাজৰ আন ১০ জনৰ লগত নিজৰ অৱস্থাক অবিৰতভাৱে তুলনা কৰি তেওঁলোকে নিজৰ মনৰ ভাৰসাম্য হেৰুৱাই পেলাইছে আৰু ইয়াৰ ফলস্বৰূপে তেওঁলোকৰ আচৰণত অহংকাৰ বৃদ্ধি পাবলৈ ধৰিছে। কথা-বতৰাত এক কঠোৰতা আহি পৰিছে। ঘৰৰ বয়োজ্যেষ্ঠ লোকসকলৰ লগত তেওঁলোকে সময় কটাবলৈ ইচ্ছা নকৰে, বৰঞ্চ এটা নিৰ্জন কোঠাত সোমাই ইণ্টাৰনেটৰ সেই মিছা পৃথিৱীখনতে তেওঁলোকে নিজৰ অস্তিত্ব বিচাৰে। এই চিন্তাধাৰাই তেওঁলোকক লাহে লাহে সমাজৰ পৰা বিচ্ছিন্ন কৰি পেলাইছে। তেওঁলোকে পাহৰি গৈছে যে মানুহৰ প্ৰকৃত পৰিচয় কেতিয়াও পিন্ধা কাপোৰ বা হাতত থকা স্মাৰ্টফোনটোৰে নিৰ্ধাৰণ কৰিব নোৱাৰে, কাৰণ প্ৰকৃত পৰিচয় মানুহৰ কৰ্ম আৰু ব্যৱহাৰতহে ফুটি উঠে। আজিৰ প্ৰজন্মই ইয়াক মানি ল'বলৈ টান পায়। যিকোনো কথাতে তেওঁলোকে আনৰ ওপৰত দোষ জাপি দি নিজৰ দায়িত্বৰ পৰা হাত সাৰিবলৈ চেষ্টা কৰে আৰু নিজৰ ভুল স্বীকাৰ কৰাৰ সলনি তৰ্ক কৰাটোহে তেওঁলোকে এক অধিকাৰ বুলি গণ্য কৰে। ইয়াৰ পৰা স্পষ্ট হয় যে নতুন প্ৰজন্মই নিজৰ চিন্তাশক্তিৰ বিকাশ ঘটোৱাৰ পৰিৱৰ্তে আনৰ অনুকৰণ কৰাতহে বেছি গুৰুত্ব প্ৰদান কৰিছে। তেওঁলোকৰ মগজুত প্ৰদৰ্শনকামিতাই স্থান পাইছে। এই পৰিস্থিতিয়ে প্ৰমাণ কৰে যে তেওঁলোকৰ মানসিকতা কিমান দূৰলৈ বিষাক্ত হৈ পৰিছে আৰু তেওঁলোকে নিজৰ স্বকীয়তা হেৰুৱাই কেনেকৈ এক যান্ত্ৰিক জীৱন আঁকোৱালি লৈছে। এই যান্ত্ৰিকতাই সৃষ্টিশীল চিন্তাবোৰ একেবাৰে নিঃশেষ কৰি পেলাইছে। ফলত সমাজত এক ভয়ংকৰ স্থবিৰতা আহি পৰিছে যিয়ে ভৱিষ্যতৰ বাটত এক বৃহৎ প্ৰাচীৰ থিয় কৰাইছে আৰু উন্নতিৰ পথত হেঙাৰ হৈ থিয় দিছে।

এই প্ৰজন্মৰ আন এক ডাঙৰ সমস্যা হ'ল ধৈৰ্যৰ অভাৱ। তেওঁলোকে যিকোনো কামৰ ফলাফল লগে লগে পাবলৈ বিচাৰে আৰু ইয়াৰ বাবে প্ৰয়োজনীয় কঠোৰ পৰিশ্ৰম কৰিবলৈ তেওঁলোক একেবাৰেই প্ৰস্তুত নহয় বুলি ক'লেও বঢ়াই কোৱা নহ'ব। ৰাতিটোৰ ভিতৰতে সফলতা পোৱাৰ হাবিয়াহ তেওঁলোকৰ আছে। এনে ধৰণৰ অবাস্তৱ আশাৰ ফলত তেওঁলোকে জীৱনৰ প্ৰকৃত সংগ্ৰামখনৰ পৰা আঁতৰি থাকিবলৈ বিচাৰে, যিটো তেওঁলোকৰ মানসিক স্বাস্থ্যৰ বাবে এক অত্যন্ত বিপজ্জনক কথা। কোনো এটা কামত সামান্য বাধা পালেই তেওঁলোক হতাশ হৈ পৰে। জীৱনত যে পৰাজয় নামৰ এটা বস্তু থাকিব পাৰে আৰু সেই পৰাজয়ৰ পৰা শিক্ষা গ্ৰহণ কৰি আগবাঢ়ি যাব লাগে, সেই কথাটো তেওঁলোকে একেবাৰে বুজিবলৈ চেষ্টা নকৰে। পৰাজয়ক তেওঁলোকে নিজৰ দুৰ্বলতা বুলি ভাবে। ইয়াৰ পৰিণামস্বৰূপে সামান্য ব্যৰ্থতাতে তেওঁলোকে জীৱনৰ প্ৰতি থকা মোহ হেৰুৱাই পেলায় আৰু বহু সময়ত মানসিক চাপত ভুগি নিজকে ঘৰৰ ভিতৰতে আবদ্ধ কৰি ৰাখে। এই পৰিস্থিতিয়ে তেওঁলোকৰ মনত এক গভীৰ অস্থিৰতাৰ সৃষ্টি কৰে। মন কৰিবলগীয়া যে আগৰ সময়ৰ মানুহে এটা কামত সফল হ'বলৈ বছৰৰ পিছত বছৰ ধৰি কষ্ট কৰিছিল; কিন্তু আজিৰ যুৱচামে সেই কষ্টখিনি কৰিবলৈ বৰকৈ টান পায়। ইয়াত এক গুৰুত্বপূৰ্ণ পাৰ্থক্য হ'ল, তেওঁলোকে চমু বাটেৰে সফলতা বিচাৰে। যেতিয়া তেওঁলোকে দেখে যে চমু বাটেৰে গৈ আচল লক্ষ্যত উপনীত হ'ব পৰা নাযায়, তেতিয়া তেওঁলোকে সমাজ ব্যৱস্থা আৰু আন মানুহক দোষাৰোপ কৰিবলৈ আৰম্ভ কৰে। তেওঁলোকৰ এই আচৰণে পৰিয়ালৰ মানুহকো চিন্তিত কৰি তোলে। নিজৰ ব্যৰ্থতাৰ বাবে আনক জগৰীয়া কৰা এই প্ৰৱণতাই তেওঁলোকক কেতিয়াও নিজৰ ভুলবোৰ শুধৰাবলৈ সুযোগ নিদিয়ে, যাৰ ফলত তেওঁলোক এটা নিৰ্দিষ্ট গণ্ডীৰ ভিতৰতে আবদ্ধ হৈ থাকিবলগীয়া হয়। ধৈৰ্য আৰু অধ্যৱসায়ৰ অবিহনে যে জীৱনত কোনো ডাঙৰ কাম কৰিব নোৱাৰি, এই চিৰন্তন সত্যটো তেওঁলোকে পাহৰি গৈছে। এই পাহৰণিয়ে তেওঁলোকৰ মানসিকতাক ক্ৰমান্বয়ে বিষাক্ত কৰি তুলিছে। পৰিশ্ৰমৰ মূল্য নুবুজাৰ বাবেই তেওঁলোকে জীৱনৰ প্ৰতিটো খোজতে উজুটি খাবলগীয়া হৈছে আৰু ইয়াৰ বাবে তেওঁলোকৰ মনত সমাজৰ প্ৰতি এক ক্ৰোধৰ সৃষ্টি হৈছে। এই ক্ৰোধে সমাজৰ শান্তি বিঘ্নিত কৰিছে। তেওঁলোকৰ এই আচৰণৰ পৰা স্পষ্টকৈ বুজিব পাৰি যে তেওঁলোকৰ চিন্তাধাৰাত গভীৰ পৰিৱৰ্তনৰ প্ৰয়োজন আছে।

দেখা গৈছে, সমাজৰ নীতি-নিয়ম আৰু পৰম্পৰাৰ প্ৰতি নতুন প্ৰজন্মৰ একাংশৰ মনত কোনো শ্ৰদ্ধা নাই। তেওঁলোকে এই নীতি-নিয়মবোৰক ব্যক্তিগত স্বাধীনতাৰ পৰিপন্থী বুলি গণ্য কৰে আৰু যিকোনো মূল্যৰ বিনিময়ত এইবোৰৰ পৰা আঁতৰি থাকি নিজৰ মইমতালি প্ৰতিষ্ঠা কৰিবলৈ অহৰহ চেষ্টা চলাই থাকে। তেওঁলোকৰ মতে স্বাধীনতাই হ'ল দায়িত্বহীনতা। বয়োজ্যেষ্ঠ লোকসকলৰ উপদেশক তেওঁলোকে পুৰণিকলীয়া চিন্তা বুলি হাঁহি উৰুৱাই দিয়ে আৰু নিজৰ কম অভিজ্ঞতাক লৈয়েই সকলো কথাতে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিবলৈ বিচাৰে। এই অহংকাৰ তেওঁলোকৰ পতনৰ মূল কাৰণ। গুৰুজনৰ প্ৰতি দেখুৱাবলগীয়া সন্মান তেওঁলোকৰ আচৰণৰ পৰা সম্পূৰ্ণৰূপে নোহোৱা হৈ গৈছে, যাৰ ফলত পৰিয়ালৰ ভিতৰত এক ধৰণৰ অশান্তিকৰ পৰিৱেশৰ সৃষ্টি হৈছে। তেওঁলোকে নিজকে সকলোতকৈ জ্ঞানী বুলি ভাবে। ইয়াৰ অৰ্থ হ'ল, তেওঁলোকে আনৰ কথা শুনিবলৈ বা আনৰ মতামতক গুৰুত্ব দিবলৈ একেবাৰে প্ৰস্তুত নহয় আৰু এই একপক্ষীয় চিন্তাধাৰাই তেওঁলোকক সমাজৰ পৰা বিচ্ছিন্ন কৰিছে। সমাজত চলি অহা শৃংখলাবদ্ধতা তেওঁলোকে মানিব নিবিচাৰে। তেওঁলোকে ভাবে যে সমাজৰ সকলো নিয়ম তেওঁলোকক বান্ধি ৰাখিবলৈহে সৃষ্টি কৰা হৈছে, সেয়েহে তেওঁলোকে প্ৰতিটো কথাতে বিদ্ৰোহ কৰিবলৈ বিচাৰে আৰু তৰ্কত লিপ্ত হয়। এই বিদ্ৰোহৰ কোনো নিৰ্দিষ্ট লক্ষ্য নাই। প্ৰকৃততে তেওঁলোকে নিজৰ দায়িত্বৰ পৰা পলায়ন কৰিবলৈহে এই অবাস্তৱ স্বাধীনতাৰ অজুহাত দেখুৱায়, যিটোৰে তেওঁলোকৰ ব্যক্তিত্বৰ গভীৰ দুৰ্বলতাকহে পোহৰলৈ আনিছে আৰু সমাজত এক বিশৃংখলতাৰ সৃষ্টি কৰিছে। নিজৰ অধিকাৰৰ প্ৰতি তেওঁলোক যিমান সজাগ, কৰ্তব্যৰ প্ৰতি সিমান সজাগ নহয়। অকল অধিকাৰ বিচাৰি হাহাকাৰ কৰা এই প্ৰজন্মই যেতিয়া সমাজৰ প্ৰতি কৰিবলগীয়া দায়িত্বৰ কথা আহে, তেতিয়া তেওঁলোকে বিভিন্ন অজুহাত দেখুৱাই আঁতৰি যোৱাটোহে শ্ৰেয় বুলি গণ্য কৰে। এনে আচৰণৰ ফলত সমাজ ব্যৱস্থাটো লাহে লাহে দুৰ্বল হৈ পৰিছে। তেওঁলোকৰ এই দায়িত্বহীন আচৰণে ভৱিষ্যৎ প্ৰজন্মৰ বাবে ■ ১০ পৃষ্ঠাত





# সময়

**মেৰী বৰদলৈ**

হৃদয় কঁপোৱা
কথাবোৰ
নক'বিচোন আহি,
বুকুত খুন্দিয়াবলৈ
নাহিবি অ'
অতীত,
স্মৃতিবোৰ থাকিবলৈ
দেচোন
সোণালী হৈ...।
সেই চিঞৰবোৰ
সামৰিছো
বুকুৰ একোণত,
চকুলোবোৰো মচিছো
বুকুৰ আঁচলত,
পাৰ যদি
লৈ যা
উন্মাদিনী ভৰগাভিনী নদীৰ
খং অভিমান
কোনোবা অচিন
দ্বীপলৈ... ! ■





# বানাক্রান্ত হৃদয়ৰ প্ৰাৰ্থনা

**টোলন তাছা**

বলিয়া বানে সপোনৰ ঘৰখন চুৰমাৰ কৰিলে
ভাঙি পৰে সহস্ৰজনৰ ঠুনুকা হৃদয়
সৰ্বস্ব হেৰুৱাই নিৰীহ জনতাই
নীৰৱে ৰাখিব নোৱাৰে লুকুৱাই
একাঁঠু পলসত পোত যোৱা আৱেগৰ চকুলো।

চকুৰ পলকতে আপোনজন উটি ভাহি গ'লে
নিঠৰুৱা হৈ পৰে পৰিয়াল আত্মীয় কুটুম
চৌদিশে কাল অমানিশাই আগুৰি ধৰে,
সীমাহীন বেদনাই ভাৰাক্রান্ত কৰে
বানাক্রান্ত অসংখ্যজনৰ উদং বুকু।

ধনী দুখীয়া জাতি কুলৰ সুউচ্চ প্ৰাচীৰখন
নাজানো তেতিয়া কতনো উফৰি যায়
ৰুদ্ৰৰূপী প্ৰবল বানে যেতিয়া
নিজ ইচ্ছামতে এফালৰ পৰা নিয়ে
ধন জন গাই গৰু সকলো মহটিয়ায়।

দুখৰ দিনবোৰ দূৰ কৰা প্ৰভু
তুমিয়ে সৰ্বশক্তিমান অসীম দয়ালু
প্ৰকৃতিৰ ৰোষত আমি দিশহাৰা হ'লো
সুখৰ পুৰা এটিৰ বাবে কাকূতি কৰিছো
তুমিয়ে দিয়া জীৱন তোমাকেই অৰ্পণ কৰিছো। ■

# এটি প্ৰেমৰ কবিতা

**হেৰম্ব নাথ**

অনুভৱৰ দোকমোকালিতে
হিয়াৰ মৰমবোৰ ঢাপলি মেলিছে
তোমাক বিচাৰি

তোমাৰ ৰিক্ত হিয়াৰ মঞ্জুষাত
দিব বাকি জিজ্ঞাসাৰে
মচি পেলাব তোমাৰ অশ্ৰুকণা

প্ৰিয়তম তুমি মোৰ
ভাস্বৰ হৈ উঠিব
প্ৰেমৰ আপডাল
মাথোঁ এবাৰ কোৱা
ভালপাওঁ বুলি ! ■

# অসহায়

**চন্দ্ৰশেখৰ পৰাজুলী**

চৌদিশে মানুহৰ চিঞৰ-বাখৰ...
মানুহবোৰ সঁচাকৈ আজি অসহায়...
লাচিতৰ দেশৰ মানুহবোৰ....
জল তাণ্ডৱৰ আগত ধৰাশায়...
এজনী কণমানি শিশুৱে...
নিজ পিতৃক-মাতৃক আজি...
পানীত মাজত ওপঙি থকা দেখা পায়...
এগৰাকীৰ পত্নীৰ আজি...
শিৰৰ সেন্দূৰ সানি দিয়া আপোনজনৰ..
মৃতদেহ দেখি কান্দি কান্দি পাৰ পোৱা নাই...
এজন ককাদেউতাকে পাবনে আৰু...
নাতিয়েকৰ সেই মৰম লগা মাত ঘূৰাই...
কিজানি সময়ত আকৌ উভতি আহি ক'ব...
জল তাণ্ডৱৰ আগত আমিবোৰে হাৰি যোৱা নাই...
এয়া এক অভিনয় মাত্ৰ আছিল আমাৰ...
আপোনবোৰক এনেদৰে ভাঙি পৰা দেখি...
আমিবোৰে ভালদৰে অভিনয়ত ভাও ল'ব পৰা নাই...।।
আমাৰ জীৱনৰ নাটৰূপী চৰিত্ৰবোৰে....
যদি আপোনালোকৰ হৃদয়ত ঠাই বিচাৰি পায়...
তেন্তে সকলো দেশবাসী একেলগে মিলি...
বন্তি এগছি হ'লেও নিজ নিজ ঠাইত দিবাহি জ্বলায়...।। ■

# তাতো এখন হৃদয় আছে

**বনজিৎ দাস**

তাতো এখন হৃদয় আছে
অনুভৱৰ ৰং হয়তো ৰক্তিম নহ'ব পাৰে
চকুৰে নেদেখিবও পাৰে
নীৰৱে সৰি যোৱা চকুলো
তথাপিও
বুকুৰ গভীৰত এখন অদৃশ্য সোঁত
তিক্ত হৃদয়ৰ করুণ ব্যথা।
এনেকৈ ঘটে এটা নীৰৱ সংঘাত।
নুবুজাকৈ বিষাদ ৰূপ লয় তিক্ততাত
আন্ধাৰত জ্বলি উঠে
লেলিহান অদৃশ্য জিভা
জুইৰ ছাঁত জন্ম হয়
বৈষম্যবাদৰ এক বিষবৃক্ষ
সমাজ বিধংসী বিভেদকামী
শক্তিৰ অশুভ বীজ।
আকৌ মানুহ
মানুহৰ পৰা আঁতৰি বহুত দূৰলৈ। ■

# জেদ

**জিণ্টু চাংমাই**

মানুহে গছ ৰোপণ কৰে
নৈপৰীয়া কলহটোৰ লগতে কঢ়িয়াই খৰিকটীয়া কুঠাৰ
জীৱনৰ শৃংখলাত বিশৃংখল উশাহ কাটিব পৰা
কথাৰ মাজে মাজে শব্দ; শব্দৰ মাজতো কথাৰ।

বাট এটাৰে খোজ কাঢ়িবলৈ জীৱনৰ নিৰ্দেশ
সম্পূৰ্ণ হ'বলৈ জেপৰ কুশল টকা,
ছাঁ দিয়া গছৰ তলত ফল খায় ফৰ্মুটি ৰ'দৰ আশ্ৰয়
গছ কাটি গ্ৰন্থ, গ্ৰন্থত সাহিত্য,
সাহিত্যৰ ভৌগোলিক পৰিসীমা কি?
সুখৰ পৃথিৱীখনত বিৱৰ্ণ দুখ লৈ মানুহৰ বিয়োগ
সংযোগ ক'ত... !

আচলতে
সপোনৰ শিতানত কাৰ কি চক্ৰান্ত
প্ৰয়োজন অবিহনে শূন্যটোও শূন্য।

গছ কাটি গছ ৰোৱে
কাৰোবাৰ উশাহত কোনোবাই নিশ্বাস কাঢ়ে
জীৱনৰ ঠিকনাটোত পৃথিৱীখন চোৱাৰ সৌভাগ্য সপোনে জানে
সপোন ফাগুন দেখে সপোনে ব'হাগ আঁকে
ধুনীয়া হোৱাৰ সপোনটোত
ভাল মানুহ থাকে, ভাল মানুহ আছে। ■




# ভালপোৱাৰ কথাৰে

**পল্লৱী বৰুৱা**

ওঁঠৰ ফাঁকেৰে সৰি পৰা দুটিমান শব্দ
আৰু অপেক্ষাৰ সমস্ত উমত পুনৰুজ্জীৱিত
এবুকু ৰ'দৰ কথা
গোপন অকথা !

ক্ৰমান্বয়ে মনৰ তাগিদাত সময়ৰ সুকোমল আহ্বান
আন্ধাৰ গলি গলি প্ৰজ্বলিত হৃদয়ৰ এফাল
ক্ষণৰ ৰঙীণ শৃংখলে
উমলাই থাকে বাসনাৰ চৌপাশ।

ফাগুনৰ ডাকোৱালত শিমলুৰ তুলা উৰে
বসন্তৰ টান আঁচোৰ সংগোপনে,
হৃদয়ত আল্পনাত কুসুম ফুলে
নিতৌ ভৰুণ মোৰ
গোলাপী স্নিগ্ধতাৰ প্ৰেমৰ চহৰ। ■



# এটা প্ৰশ্ন যাৰ কোনো উত্তৰ নাই

জীৱনজ্যোতি গগৈ

মানুহৰ জীৱন কেৱল ঘটনাৰে শৃংখল নহয়; ই প্ৰশ্নৰো এক অন্তহীন ধাৰা। জন্মৰ পৰা মৃত্যুপৰ্যন্ত মানুহে অসংখ্য প্ৰশ্ন কৰে কিছুমানৰ উত্তৰ পায়, কিছুমানৰ উত্তৰ সময়ে দিয়ে আৰু কিছুমান প্ৰশ্ন তেনেই থাকে-নীৰৱ, গভীৰ, আৰু অনন্ত। 'এটা প্ৰশ্ন যাৰ কোনো উত্তৰ নাই'— এই বিষয়টো সেইবোৰ অমীমাংসিত, অজানাৰ আঁৰত লুকাই থকা প্ৰশ্নৰ কথাই কয়, যিবোৰে মানুহৰ চিন্তা, অনুভূতি আৰু অস্তিত্বক স্পৰ্শ কৰে।

মানুহে সাধাৰণতে স্পষ্ট উত্তৰ বিচাৰে। বিজ্ঞান, দৰ্শন, ধৰ্ম সকলো ক্ষেত্ৰতেই মানুহে সত্য বিচাৰি ফুৰে। কিন্তু কিছুমান প্ৰশ্ন আছে, যিবোৰৰ কোনো নিৰ্দিষ্ট উত্তৰ নাই। যেনে— 'মই কোন?', 'জীৱনৰ আচল অৰ্থ কি?', 'মৃত্যুৰ পাছত কি হয়?' এইবোৰ প্ৰশ্নৰ উত্তৰ প্ৰত্যেক মানুহে বেলেগ বেলেগভাৱে বুজে। কোনোবাই বিশ্বাস কৰে, কোনোবাই যুক্তিৰ ওপৰত নিৰ্ভৰ কৰে আৰু কোনোবাই সঁচাকৈয়ে জানে যে এইবোৰৰ স্পষ্ট উত্তৰ নাই।

এই ধৰণৰ প্ৰশ্নবোৰে মানুহক চিন্তাশীল কৰে। এইবোৰে মানুহক নিজৰ ভিতৰত চাবলৈ শিকায়। কেতিয়াবা আমি বাহিৰৰ জগতত উত্তৰ বিচাৰি থাকো; কিন্তু উত্তৰবোৰ আমাৰ ভিতৰতে লুকাই থাকে অথবা হয়তো কেতিয়াও নাথাকে। এই 'নাথাকা'টোৱেই হয়তো এই প্ৰশ্নবোৰৰ সৌন্দৰ্য। কাৰণ যদি সকলো প্ৰশ্নৰ উত্তৰ থাকিলেহেঁতেন, তেন্তে জীৱনটো পুনৰাবৃত্তিমূলক হৈ পৰিলেহেঁতেন। ৰহস্য নাথাকিলে আগ্ৰহ নাথাকে আৰু আগ্ৰহ নাথাকিলে জীৱন স্থবিৰ হৈ যায়।

এটা প্ৰশ্ন যাৰ কোনো উত্তৰ নাই, সেয়া কেৱল দুখ বা বিভ্ৰান্তিৰ কাৰণ নহয়; ই এক ধৰণৰ শক্তি। এই প্ৰশ্নবোৰে মানুহক অনুসন্ধান কৰিবলৈ প্ৰেৰণা দিয়ে। এজন শিল্পীয়ে হয়তো এই প্ৰশ্নৰ উত্তৰ ছবি বা কবিতাৰ জৰিয়তে বিচাৰে, এজন বিজ্ঞানীয়ে পৰীক্ষাৰ জৰিয়তে বিচাৰে আৰু এজন সাধাৰণ মানুহে নিজৰ অভিজ্ঞতাৰ মাজত বিচাৰে। কিন্তু শেষত সকলোৰে উপলব্ধি বেলেগ বেলেগ হয়।

কেতিয়াবা এই প্ৰশ্নবোৰে মানুহক একাকীত্বৰ অনুভৱো দিয়ে। যেতিয়া কোনো উত্তৰ নাথাকে, তেতিয়া মানুহে নিজকে অকলশৰীয়া অনুভৱ কৰে। কিন্তু সঁচা কথা হ'ল— এই পৃথিৱীত প্ৰায় প্ৰতিজন মানুহেই এই ধৰণৰ প্ৰশ্নৰ সন্মুখীন হয়। এইবোৰেই মানুহক একে সূত্ৰত বান্ধি ৰাখে। অজানাৰ প্ৰতি ভয় আৰু আগ্ৰহ এই দুয়োটা অনুভৱেই মানুহৰ সাধাৰণ গুণ।

এই প্ৰশ্নবোৰে সময়ৰ সৈতে সলনি নহয়। যুগে যুগে মানুহে একেই প্ৰশ্ন কৰি আহিছে। প্ৰাচীন যুগৰ দাৰ্শনিকসকলৰ পৰা আধুনিক যুগৰ চিন্তাবিদসকললৈকে, সকলোৱে এই অমীমাংসিত প্ৰশ্নবোৰৰ উত্তৰ বিচাৰি চেষ্টা কৰিছে। তথাপি, এইবোৰ প্ৰশ্ন এতিয়াও অনুত্তৰিতেই ৰৈছে। ইয়াৰ পৰা এটা কথা স্পষ্ট মানুহৰ জ্ঞান সীমিত; কিন্তু তেওঁৰ কৌতূহল অসীম।

'এটা প্ৰশ্ন যাৰ কোনো উত্তৰ নাই'— এইটো মানি লোৱাটোও এক ধৰণৰ বুদ্ধিমত্তা। সকলো কথাৰ উত্তৰ বিচাৰিব লাগিব বুলি কোনো নিয়ম নাই। কেতিয়াবা প্ৰশ্নটো জীয়াই ৰখাটোৱেই গুৰুত্বপূৰ্ণ। এইবোৰ প্ৰশ্নই আমাক সচেতন কৰে, আমাক নতুনকৈ ভাবিবলৈ শিকায় আৰু জীৱনৰ গভীৰতা বুজিবলৈ সহায় কৰে।


এই ধৰণৰ প্ৰশ্নবোৰেই মানুহৰ জীৱনক অৰ্থবহ কৰি তোলে। উত্তৰ নাথাকিলেও এইবোৰ প্ৰশ্নে আমাক আগবাঢ়িবলৈ, শিকিবলৈ আৰু অনুভৱ কৰিবলৈ প্ৰেৰণা দিয়ে। হয়তো এইবোৰ প্ৰশ্নৰ কোনো স্পষ্ট উত্তৰ নাই, কিন্তু এইবোৰেই আমাক 'মানুহ' কৰি তোলে। সেয়ে কেতিয়াবা উত্তৰ নথকাটোও এক ধৰণৰ উত্তৰ যি আমাক চিন্তা কৰিবলৈ, বুজিবলৈ আৰু জীৱনৰ সৌন্দৰ্য অনুভৱ কৰিবলৈ শিকায়। এই অমীমাংসিত প্ৰশ্নবোৰৰ সৈতে মানুহৰ সম্পৰ্ক কেৱল চিন্তাৰ পৰিসৰত সীমাবদ্ধ নহয়; ই আমাৰ দৈনন্দিন জীৱনতো গভীৰ প্ৰভাৱ পেলায়। উদাহৰণস্বৰূপে, 'মই সঠিক পথত আছোনে?'— এইটো এনে এটা প্ৰশ্ন, যাৰ স্পষ্ট উত্তৰ কেতিয়াও সহজে পোৱা নাযায়। তথাপি এই প্ৰশ্নটোৱেই আমাক নিজকে পুনৰ মূল্যায়ন কৰিবলৈ, নিজৰ সিদ্ধান্তসমূহ চাবলৈ আৰু প্ৰয়োজন হ'লে দিশ সলনি কৰিবলৈ সহায় কৰে। সেয়ে উত্তৰ নথকা প্ৰশ্নবোৰেও আমাৰ জীৱনৰ পথ নিৰ্দেশ কৰে।

মানুহৰ মন এক অদ্ভুত জগত। ইয়াত যুক্তি আৰু অনুভূতি সদায় একেলগে নাথাকে। কেতিয়াবা হৃদয়ে কিবা এটা কয়, মগজুৱে আন এটা কথা ভাবে। এই দ্বন্দ্বৰ মাজতো বহু প্ৰশ্ন জন্ম লয়, যাৰ কোনো নিশ্চিত উত্তৰ নাথাকে। যেনে— 'প্ৰেম সঁচাকৈয়ে কি?' বা 'সুখ ক'ত পোৱা যায়?' এইবোৰ প্ৰশ্নৰ উত্তৰ ব্যক্তিগত অনুভৱত নিৰ্ভৰ কৰে। সেয়ে একে প্ৰশ্নৰ বহু উত্তৰ থাকিব পাৰে; কিন্তু সেয়াও হয়তো সম্পূৰ্ণ উত্তৰ নহয়।

এই ধৰণৰ প্ৰশ্নবোৰে সৃষ্টিশীলতাৰো জন্ম দিয়ে। এজন কবিয়ে নিজৰ কবিতাত এই প্ৰশ্নবোৰক শব্দ দিয়ে, এজন শিল্পীয়ে ৰঙৰ জৰিয়তে প্ৰকাশ কৰে আৰু এজন লেখকে কাহিনীৰ মাজেৰে এইবোৰৰ অনুসন্ধান কৰে। এইদৰে উত্তৰ নাথাকিলেও প্ৰশ্নবোৰে সৃষ্টিৰ পথ মুকলি কৰে। ই মানুহক নতুন নতুন দৃষ্টিভংগী প্ৰদান কৰে আৰু চিন্তাৰ সীমা বিস্তাৰ কৰে।


আনহাতে, এইবোৰ প্ৰশ্নে মানুহক ধৈৰ্যও শিকায়। সকলো কথা একেলগে বুজা নাযায়, সকলো সমস্যাৰ সমাধান একেদিনতে নহয়। কেতিয়াবা সময় লাগে, অভিজ্ঞতা লাগে। আৰু কেতিয়াবা, উত্তৰ কেতিয়াও নাহে। এই সত্যটো গ্ৰহণ কৰিবলৈ মানুহে মানসিকভাৱে শক্তিশালী হ'ব লাগে। এই গ্ৰহণযোগ্যতাই মানুহক অধিক পৰিপক্ক আৰু জ্ঞানী কৰি তোলে।

অজানাৰ প্ৰতি মানুহৰ আকৰ্ষণেই সভ্যতাৰ বিকাশ ঘটাইছে। যদি মানুহে 'কিয়?' আৰু 'কিদৰে?' বুলি প্ৰশ্ন নকৰিলেহেঁতেন, তেন্তে আজি বিজ্ঞান, সাহিত্য, কলা কোনো ক্ষেত্ৰতেই ইমান উন্নতি নাথাকিলেহেঁতেন। সেয়ে উত্তৰ নথকা প্ৰশ্নবোৰো এক প্ৰকাৰৰ চালিকাশক্তি, যিয়ে মানুহক আগবাঢ়িবলৈ প্ৰেৰণা দিয়ে।



কেতিয়াবা এই প্ৰশ্নবোৰে আমাক নীৰৱ কৰি তোলে। কোনো শব্দই সঠিক অনুভূতি প্ৰকাশ কৰিব নোৱাৰে। সেই নীৰৱতাতেই হয়তো কিছুমান গভীৰ উপলব্ধি লুকাই থাকে। মানুহে যেতিয়া নিজৰ সৈতে একেলগে সময় কটায়, তেতিয়া এইবোৰ প্ৰশ্ন মনত উত্থান হয় আৰু তেওঁ নিজকে নতুনকৈ বুজিবলৈ চেষ্টা কৰে। এই আত্ম-অনুসন্ধানেই জীৱনৰ এক গুৰুত্বপূৰ্ণ অংশ।

'এটা প্ৰশ্ন যাৰ কোনো উত্তৰ নাই' এইটো কেৱল এক ধৰণৰ দৰ্শন নহয়; ই জীৱনৰ বাস্তৱতা। এইবোৰ প্ৰশ্নৰ সৈতে সহাৱস্থান কৰাটোৱেই মানুহৰ পৰিপক্কতা। উত্তৰ বিচৰাটো স্বাভাৱিক; কিন্তু উত্তৰ নাপালেও আগবাঢ়ি যোৱাটো অধিক গুৰুত্বপূৰ্ণ। এইবোৰ প্ৰশ্নই আমাক নতুনকৈ ভাবিবলৈ, গভীৰভাৱে অনুভৱ কৰিবলৈ আৰু জীৱনৰ অসীম সম্ভাৱনাক অন্বেষণ কৰিবলৈ প্ৰেৰণা দিয়ে। ■



# কিতাপৰ উপহাৰ শ্ৰেষ্ঠ উপহাৰ

এছ. টি. ৰাৰিছা আজমি

আজিকালি মোৰ বয়সৰ ল'ৰা-ছোৱালীবোৰক জন্মদিন বা যিকোনো উৎসৱত কি উপহাৰ লাগে বুলি সুধিলে এটা উমৈহতীয়া উত্তৰ পোৱা যায়-স্মাৰ্টফোন, দামী হেডফোন নতুবা ব্ৰেণ্ডেড কাপোৰ। ময়ো ইয়াৰ ব্যতিক্ৰম নহয়। এইবোৰ বস্তু পালে ময়ো আনন্দিত হওঁ; কিন্তু অলপ গভীৰভাৱে চিন্তা কৰিলে বুজি পাওঁ যে এই সকলোবোৰ সামগ্ৰী আচলতে ক্ষণস্থায়ী। এটা নতুন ফোন অহাৰ লগে লগে পুৰণিটো মূল্যহীন হৈ পৰে; কিন্তু এই যান্ত্ৰিকতাৰ মাজতো মই অনুভৱ কৰো যে কিতাপতকৈ শ্ৰেষ্ঠ আৰু স্থায়ী উপহাৰ আন একো হ'ব নোৱাৰে। কিতাপে আমাৰ চিন্তাৰ পৰিসৰ বহলাই দিয়ে। ম'বাইলৰ স্ক্ৰীনৰ নীলা পোহৰত আমি যি চাব বিচাৰো কেৱল তাকেই দেখুৱাই থকা হয়। তাত কোনো নতুনত্ব নাথাকে। কেৱল এটা এলগৰিডম থাকে; কিন্তু এখন কিতাপ হাতত তুলি লোৱাৰ অৰ্থ হ'ল এজন নতুন মানুহৰ মগজুৰ ভিতৰত প্ৰৱেশ কৰা। মই যেতিয়া কাৰোবাক এখন কিতাপ উপহাৰ দিওঁ, মই আচলতে তেওঁক মোৰ আটাইতকৈ প্ৰিয় চিন্তা আৰু এখন সুকীয়া পৃথিৱীৰ চাবিকাঠী উপহাৰ দিওঁ। ইয়াতকৈ মৰ্যাদাপূৰ্ণ উপহাৰ আৰু কি হ'ব পাৰে? আমাৰ এই বয়সটোও বৰ অদ্ভুত। কেতিয়াবা চাৰিওফালে বহুত মানুহ থকাৰ পাছতো এক গভীৰ নিঃসংগতাই আমাক আগুৰি ধৰে। মনৰ কথাবোৰ কাকো বুজাই ক'ব নোৱাৰি। মোৰ নিজৰ অভিজ্ঞতাৰ পৰা মই জানো, তেনে কিছুমান আন্ধাৰ সময়ত কোনোবাই উপহাৰ দিয়া কিতাপ এখনেই মোৰ আটাইতকৈ ডাঙৰ সংগী হৈ পৰিছিল। কিতাপৰ পৃষ্ঠাবোৰে মোৰ সৈতে এনেদৰে কথা পাতিছিল যেন মোৰ মনৰ সকলো আৱেগ আৰু সংগ্ৰাম বুজি পাইছে। দামী গেজেটে মোক কিছু সময়ৰ বাবে ব্যস্ত ৰাখিব পাৰে; কিন্তু কিতাপে মোৰ আত্মাক স্পৰ্শ কৰে। পৃথিৱীৰ সৰহভাগ মানুহেই এতিয়া এক মানসিক শূন্যতাৰ মাজেৰে দিন কটাইছে। মানুহৰ হাতলৈ টকা-পইচা আহিছে; কিন্তু হৃদয়খন ক্ৰমাৎ মৰুভূমি হৈ পৰিছে। এই যান্ত্ৰিক যুগত কাৰোবাক এখন কিতাপ উপহাৰ দিয়াৰ অৰ্থ হৈছে তেওঁক অলপ নিৰিবিলি সময় উপহাৰ দিয়া, তেওঁক নিজৰ সৈতে মুখামুখি হ'বলৈ এটা সুযোগ দিয়া। কিতাপে আমাক সহনশীল হ'বলৈ শিকায়, আনৰ দুখক বুজিবলৈ শিকায়। গতিকে মোৰ সমনীয়া সকলোকে মই ক'ব বিচাৰো, আহক আমি উৎসৱে-পাৰ্বণে বা জন্মদিনে পৰস্পৰক কিতাপ উপহাৰ দিয়াৰ এটা নতুন সংস্কৃতি গঢ়ি তোলো। কাৰণ এটা দামী উপহাৰে হয়তো আমাক কিছুসময়ৰ বাবে সুখী কৰিব পাৰে; কিন্তু এখন ভাল কিতাপৰ উপহাৰে এজন মানুহৰ সমগ্ৰ জীৱন সলনি কৰি দিব পাৰে। মই পৰাপক্ষত আনকো কিতাপেই উপহাৰ দিওঁ আৰু নিজেও কিতাপ এখন উপহাৰ হিচাপে পালে নথৈ সুখী হওঁ। ■

**যিসকল ব্যক্তিয়ে নিজৰ চৌপাশে এক অদৃশ্য দেৱাল নিৰ্মাণ কৰে, তেওঁলোকৰ দৃষ্টিত বাহিৰৰ জগতখনৰ কোনো মূল্য নাই। তেওঁলোকে কাৰোবাৰ হাঁহিৰ কাৰণ বা কাৰোবাৰ চকুলোৰ কাৰণ বিচাৰি উলিয়াবলৈ সময় ব্যয় কৰিব নিবিচাৰে। এনে মানসিকতাৰ ব্যক্তিসকলৰ বাবে জীৱনৰ অৰ্থ হৈছে— নিজৰ সুবিধাৰ বাবে পথ প্ৰশস্ত কৰা। যি প্ৰকৃতিৰ মানুহে আনৰ দুখত ব্যথিত নহয়, তেওঁলোকে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে যিকোনো পৰ্যায়লৈ যাবলৈ কুণ্ঠাবোধ নকৰে। তেওঁলোকৰ বাবে পৃথিৱীখন এক ধৰণৰ অৰণ্য, য'ত শক্তিশালীজনে নিজৰ অধিকাৰ সাব্যস্ত কৰে আৰু দুৰ্বলজনে নিষ্পেষিত হয়। এই চিন্তাধাৰাই মানুহৰ বিবেকক ধীৰে ধীৰে গ্ৰাস কৰে আৰু এক সময়ত বিবেকহীনতাৰ চৰম পৰ্যায়ত উপনীত কৰায়। সামাজিক সম্পৰ্কবোৰ যিহেতু আৱেগ আৰু বিশ্বাসৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠে, সেয়ে স্বাৰ্থৰ তুলাচনীৰে জোখা সম্পৰ্কবোৰ প্ৰায়ে ক্ষণস্থায়ী হয়। যিসকল ব্যক্তিয়ে আত্মকেন্দ্ৰিকতাক জীৱনৰ মন্ত্ৰ হিচাপে গ্ৰহণ কৰে, তেওঁলোকৰ বাবে বন্ধুত্ব, আত্মীয়তা আৰু প্ৰেম একোটা ব্যৱসায়িক লেনদেনৰ দৰে।**

# মানুহৰ বাবে মানুহ এক চিৰন্তন প্ৰয়াস

প্ৰেম বৈষ্ণৱ

মানৱ সভ্যতাৰ ইতিহাসলৈ চালে দেখা যায় যে প্ৰত্যেকটো যুগতেই কিছুমান ব্যক্তিয়ে নিজৰ এক সুকীয়া পৃথিৱী গঢ়ি তুলিবলৈ প্ৰয়াস কৰে। এই পৃথিৱীখনৰ কেন্দ্ৰবিন্দুত থাকে কেৱল ব্যক্তিজনৰ নিজৰ অস্তিত্ব আৰু স্বাৰ্থ। যদিও মানুহৰ জীৱন যাত্ৰা আৰম্ভ হয় মৌলিক প্ৰয়োজনসমূহ পূৰণৰ তাগিদাৰে, তথাপি এক শ্ৰেণীৰ মানুহৰ ক্ষেত্ৰত এই প্ৰয়োজনসমূহ কেৱল শাৰীৰিক পৰিসৰত আবদ্ধ নাথাকি মানসিক সংকীৰ্ণতাৰ ৰূপ লয়। এই প্ৰৱণতাৰ ফলত মানুহৰ সামাজিক অৱস্থান আৰু সামষ্টিক দায়বদ্ধতাৰ মাজত এক গভীৰ ফাট মেলে। ব্যক্তি এজনে যেতিয়া নিজৰ সুখ-দুখক সাৰথি কৰি জগতখনৰ পৰা দূৰত্ব বঢ়ায়, তেতিয়া সমাজৰ পৰা মানৱতাৰ চৰ্চা লাহে লাহে বিলুপ্ত হ'বলৈ ধৰে। মানুহৰ সামাজিক অৱস্থিতিৰ মূল ভেটিটো হৈছে সহানুভূতি, যিটো আজিৰ যান্ত্ৰিক যুগত এক বিৰল সম্পদত পৰিণত হৈছে।

যিসকল ব্যক্তিয়ে নিজৰ চৌপাশে এক অদৃশ্য দেৱাল নিৰ্মাণ কৰে, তেওঁলোকৰ দৃষ্টিত বাহিৰৰ জগতখনৰ কোনো মূল্য নাই। তেওঁলোকে কাৰোবাৰ হাঁহিৰ কাৰণ বা কাৰোবাৰ চকুলোৰ কাৰণ বিচাৰি উলিয়াবলৈ সময় ব্যয় কৰিব নিবিচাৰে। এনে মানসিকতাৰ ব্যক্তিসকলৰ বাবে জীৱনৰ অৰ্থ হৈছে— নিজৰ সুবিধাৰ বাবে পথ প্ৰশস্ত কৰা। যি প্ৰকৃতিৰ মানুহে আনৰ দুখত ব্যথিত নহয়, তেওঁলোকে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে যিকোনো পৰ্যায়লৈ যাবলৈ কুণ্ঠাবোধ নকৰে। তেওঁলোকৰ বাবে পৃথিৱীখন এক ধৰণৰ অৰণ্য, য'ত শক্তিশালীজনে নিজৰ অধিকাৰ সাব্যস্ত কৰে আৰু দুৰ্বলজনে নিষ্পেষিত হয়। এই চিন্তাধাৰাই মানুহৰ বিবেকক ধীৰে ধীৰে গ্ৰাস কৰে আৰু এক সময়ত বিবেকহীনতাৰ চৰম পৰ্যায়ত উপনীত কৰায়।



সামাজিক সম্পৰ্কবোৰ যিহেতু আৱেগ আৰু বিশ্বাসৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠে, সেয়ে স্বাৰ্থৰ তুলাচনীৰে জোখা সম্পৰ্কবোৰ প্ৰায়ে ক্ষণস্থায়ী হয়। যিসকল ব্যক্তিয়ে আত্মকেন্দ্ৰিকতাক জীৱনৰ মন্ত্ৰ হিচাপে গ্ৰহণ কৰে, তেওঁলোকৰ বাবে বন্ধুত্ব, আত্মীয়তা আৰু প্ৰেম একোটা ব্যৱসায়িক লেনদেনৰ দৰে। তেওঁলোকে ভাবে যে যিজন ব্যক্তিৰ পৰা কোনো ধৰণৰ পাৰ্থিৱ লাভ নহয়, তেওঁলোকৰ সৈতে সম্পৰ্ক ৰখাটো সময়ৰ অপচয়। এনে এক মানসিক কাঠামোক কেন্দ্ৰ কৰি গঢ়ি উঠা সমাজত মানৱতাৰ জয়গান গাই লাভ নাই। ইয়াৰ ফলত মানুহৰ পৰস্পৰৰ মাজত থকা আত্মীয়তাৰ বন্ধনবোৰ ঢিলা হৈ পৰে। পৰিয়ালৰ সদস্যসকলৰ মাজতো যেতিয়া এই স্বাৰ্থপৰতা প্ৰৱেশ কৰে, তেতিয়া সেই পৰিয়ালটোৰ ভিতৰত থকা আন্তৰিকতাৰ সোঁত শুকাই যায়।

প্ৰকৃতিয়ে মানুহক সমাজবদ্ধ জীৱ হিচাপে সৃষ্টি কৰিছে। য'ত আনক সহায় কৰাৰ মাজেৰে নিজৰ পৰিচয় গঢ়িব লাগে, তাৰ বিপৰীতে কিছুমানে নিজক পৃথিৱীৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন কৰি ৰাখিব বিচাৰে। এই বিচ্ছিন্নতাৰ পৰিণামস্বৰূপে ব্যক্তিজনৰ মনত এক ধৰণৰ নিঃসংগতাৰ সৃষ্টি হয়। যদিও তেওঁলোকে এই নিঃসংগতাৰ পৰা বাচি থাকিবলৈ সামগ্ৰিক সম্পদ বা ক্ষমতাৰ আশ্ৰয় লয়, তথাপি আত্মাৰ প্ৰশান্তি তেওঁলোকে কেৱল আনক দিয়াৰ মাজত পোৱা তৃপ্তিৰ পৰাহে আহৰণ কৰিব পাৰে। যিজনে নিজৰ বাবে মাথোঁ সাঁচিব জানে, তেওঁৰ ভঁৰালটো কোনোদিনেই পূৰ্ণ নহয়। এই সত্যটো বুজি পোৱাৰ অভাৱত মানুহে জীৱনৰ আচল লক্ষ্যৰ পৰা বহু দূৰৈত অৱস্থান কৰে।

পৃথিৱীৰ বিশালতা আৰু মানুহৰ ক্ষুদ্ৰত্বৰ মাজত থকা সামঞ্জস্যক আমি কেৱল ব্যক্তিগত কৰ্মত সীমাবদ্ধ ৰাখিব নোৱাৰো। আমি যি বাতাৱৰণত জীয়াই আছো, তাৰ প্ৰতি আমাৰ কিছু নৈতিক দায়িত্ব থাকে। সমাজৰ একোটা অংশ যি দুৰ্ভোগ ভুগিছে, তাৰ বাবে আমি যদি নিজকে দায়ী বুলি নাভাবো, তেন্তে আমি সমাজৰ অংগ হৈ থাকিব নোৱাৰো। আজিৰ যুগত মানুহে আনৰ কান্দোন শুনিও নিজৰ বাটত আগবাঢ়ি যোৱাটোক পৰিপক্কতা বুলি ভাবে। কিন্তু এই মানসিকতাৰ পৰিৱৰ্তন নহ'লে মানৱতাৰ ভৱিষ্যৎ অন্ধকাৰ হ'ব। জীৱন পৰিৱৰ্তনশীল; আজি যাৰ হাতত ক্ষমতা আছে, কাইলৈ তেওঁ হয়তো অসহায় অৱস্থাত পৰিব পাৰে। আত্মকেন্দ্ৰিকতাৰ পৰিধি ইমানেই সংকীৰ্ণ যে ইয়াৰ ভিতৰত সোমাই থকাসকলে জগতৰ বিশালতা আৰু মানৱীয় মূল্যবোধৰ ধাৰণাটো কেৱল ভৌতিক আহিলা সংগ্ৰহ কৰাত সীমাবদ্ধ বুলি ভাবে।

সামাজিক প্ৰেক্ষাপটত লক্ষ্য কৰিলে দেখা যায় যে যিসকল ব্যক্তিয়ে নিজৰ বাবে জীয়াই থাকে, তেওঁলোকে সমাজৰ পৰা যি পায়, তাৰ বিপৰীতে সমাজক একোৱেই দি যাব নোৱাৰে। এই পৰজীৱী আচৰণে সমাজৰ উন্নয়নত প্ৰতিবন্ধকতা সৃষ্টি কৰে। মানুহৰ প্ৰতি থকা দায়বদ্ধতাই সমাজক গতিশীল কৰি ৰাখে। ইয়াৰ বিপৰীতে যিখন সমাজত প্ৰতিজন ব্যক্তিয়ে আনৰ প্ৰতি অন্ধকাৰ দৃষ্টিৰে চাই, তাত কোনো মহৎ কাম সম্পন্ন হোৱা সম্ভৱ নহয়। এনে পৰিৱেশত মানুহে আনক আগুৱাই যোৱা দেখাটো সহ্য কৰিব নোৱাৰে। এই বিকৃত মনোভাবে ব্যক্তিজনক নিজৰ অৱস্থানৰ পৰা বিচ্ছিন্ন কৰি পেলায় আৰু তেওঁলোকৰ হৃদয়ত এক ধৰণৰ পাষাণতা গঢ় লৈ উঠে।

ব্যক্তিৰ এই স্খলনৰ প্ৰভাৱ পৰৱৰ্তী প্ৰজন্মৰ ওপৰতো পৰে। যিসকল পিতৃ-মাতৃয়ে নিজৰ স্বাৰ্থক অগ্ৰাধিকাৰ দিয়ে, তেওঁলোকৰ সন্তানসকলেও অজানিতে একেই পথ অনুসৰণ কৰে। শিক্ষা-দীক্ষাৰ জৰিয়তে আমি যি নৈতিক মূল্যবোধ লাভ কৰিব লাগে, তাৰ স্থান আজি ব্যক্তিগত উন্নতিৰ অংকই দখল কৰিছে। আজিৰ যুগৰ মানুহে ভাবে যে সফলতাৰ অৰ্থ হ'ল— আনৰ ওপৰত খোজ দি আগবাঢ়ি যোৱা। এই ধাৰণাটোৱে সমাজৰ ভেটি দুৰ্বল কৰে। যিখন সমাজত নৈতিকতাৰ স্থান নাই, তাত কেৱল অৰ্থৰ জয়গান হয়। এই অৰ্থকেন্দ্ৰিক জগতখনত মানুহৰ চকুলোৰ দাম নাই, হৃদয়ৰ কোনো স্থান নাই।

জীৱনৰ অৰ্থপূৰ্ণ যাত্ৰাত সংগীৰ প্ৰয়োজন হয়। কিন্তু স্বাৰ্থপৰ ব্যক্তিসকলে কাকো নিজৰ কাষ চাপিবলৈ নিদিয়ে। তেওঁলোকৰ মনৰ দুৱাৰবোৰ বন্ধ হৈ থাকে। এই বন্ধ দুৱাৰবোৰৰ ভিতৰত তেওঁলোকে নিজৰ সুখবোৰ লুকুৱাই ৰাখে। কিন্তু সেই সুখবোৰ স্থায়ী নহয়। মানুহৰ জীৱন যিহেতু পৰিৱৰ্তনশীল, সেয়ে আজি থকা সম্পদ বা সা-সুবিধা কাইলৈ নাথাকিব পাৰে। তেতিয়া তেওঁলোকে অনুভৱ কৰে যে সমাজৰ মানুহৰ পৰা তেওঁলোক কিমান দূৰৈত অৱস্থান কৰিছে। বিপদৰ সময়ত মানুহে বিচাৰে কাৰোবাৰ সহায়, কোনোবা এজনৰ আৱেগিক সমৰ্থন। কিন্তু যিসকলে নিজে কেতিয়াও আনক সহায় কৰা নাই, তেওঁলোকে সহায় বিচাৰিবলৈ সাহস কৰিব নোৱাৰে। তেওঁলোকৰ বাবে পৃথিৱীখন এক নিৰ্জন দ্বীপৰ দৰে হৈ পৰে। এই নিৰ্জনতাই তেওঁলোকক বিষাদৰ গৰাহত পেলায়।

সমাজৰ পৰা এই মানসিক প্ৰদূষণ আঁতৰাবলৈ হ'লে আমি আমাৰ চিন্তাৰ পৰিৱৰ্তন কৰিব লাগিব। নিজৰ পৰিধি ভাঙি আনৰ কাষলৈ যাবলৈ শিকিব লাগিব। সহানুভূতি আৰু মৰমৰ সেতু সাজিব লাগিব। আমাৰ কৰ্মই যদি আনক হাঁহি দিব পাৰে, তেন্তে সেইখিনিয়েই আমাৰ প্ৰকৃত সফলতা। নিজৰ বাবে জীয়াই থকাটো কেৱল জৈৱিক প্ৰক্ৰিয়া; কিন্তু আনৰ বাবে জীয়াই থকাটো এক ধৰণৰ আৱেগিক সাধনা। এই সাধনাৰ মাজেৰেই আমি মানৱতাৰ আচল পৰিচয় লাভ কৰো। অন্ধকাৰৰ আৱৰণ ভেদ কৰি পোহৰৰ দিশে যাত্ৰা কৰাটো মানুহৰ চিৰন্তন ধৰ্ম। যিসকলে নিজৰ ক্ষুদ্ৰ স্বাৰ্থৰ পৰিধিত আবদ্ধ হৈ থাকি জীৱনৰ অৰ্থ হেৰুৱাই পেলায়, তেওঁলোকেও এদিন অন্তৰৰ গভীৰৰ পৰা এক পৰিৱৰ্তনৰ আহ্বান অনুভৱ কৰে। এই আহ্বান হৈছে মানৱতাৰ চিৰসেউজ আহ্বান।

এতিয়া সময় আহিছে এক ইতিবাচক দৃষ্টিভংগী গ্ৰহণ কৰাৰ, য'ত মানুহে নিজৰ অহংকাৰ বিসৰ্জন দি আনৰ জীৱনলৈ পোহৰ কঢ়িয়াই অনাৰ ব্ৰত ল'ব পাৰে। জীৱন কেৱল নিজৰ বাবে জীয়াই থকাৰ নাম নহয়। এই পৃথিৱীখনত আমি যিমানখিনি সম্পদ বা সুযোগ লাভ কৰো, তাৰ এক বৃহৎ অংশ আমাৰ চৌপাশৰ সমাজখনৰ অৱদান। সেয়ে আমাৰ কৰ্মৰাজিৰ মাজেৰে যদি সমাজক একো দিব নোৱাৰো, তেন্তে আমাৰ অস্তিত্বৰ কোনো সাৰ্থকতা নাথাকে। মানুহৰ প্ৰকৃত পৰিচয় তেওঁৰ ধনে বা সম্পদে নিৰ্ধাৰণ নকৰে, তেওঁৰ সহানুভূতিয়েহে নিৰ্ধাৰণ কৰে। যিজনে আনৰ চকুলো মচিব জানে, তেওঁৰ হৃদয়ত ঈশ্বৰৰ অৱস্থান থাকে।

পৰিৱৰ্তন অহাৰ উপায়সমূহ হ'ল— নিজৰ মনৰ দুৱাৰ মুকলি কৰা। আমি যিমানেই আনৰ দুখৰ সৈতে একাত্ম হ'ম, সিমানেই আমাৰ সংকীৰ্ণতা হ্ৰাস ■ *নৱম পৃষ্ঠাত*

# আত্মসন্মান, সততা আৰু মানৱতা

শচীন্দ্ৰ কুমাৰ দাস

মানৱ জীৱনৰ আটাইতকৈ আদিম আৰু মৌলিক প্ৰয়োজন হৈছে আহাৰ। জীয়াই থাকিবলৈ খোৱাৰ প্ৰয়োজন আৰু সেই খাদ্য ক্ৰয় বা আহৰণ কৰিবলৈ পৰিশ্ৰম তথা উপাৰ্জন কৰাটো অপৰিহাৰ্য। এই পৃথিৱীত প্ৰতিজন প্ৰাপ্তবয়স্ক লোকেই কোনো না কোনো উপায়েৰে নিজৰ আৰু পৰিয়ালৰ ভৰণ-পোষণৰ দায়িত্ব পালন কৰে। দিনটো হাড়ভগা পৰিশ্ৰম কৰি এচাম শ্ৰমজীৱী লোকে যি যৎসামান্য উপাৰ্জন কৰে, তাৰে তেওঁলোকে নিজৰ পেটৰ ক্ষুধা নিবাৰণ কৰে। গতিকে, জীয়াই থাকিবলৈ খোৱা বা খোৱাৰ বাবে জীয়াই থকাৰ এই চক্ৰটো এক চিৰন্তন সত্য। কিন্তু প্ৰশ্ন হয়, মানুহৰ জীৱনৰ লক্ষ্য কেৱল অস্তিত্ব ৰক্ষা কৰাতেই সীমাবদ্ধনে?

ভোগ-বিলাসৰ অন্ধ দৌৰ আৰু মানসিক ব্যাধি, ভোক নিবাৰণ আৰু প্ৰাথমিক প্ৰয়োজনসমূহ পূৰণ হোৱাৰ পিছত, বৰ্তমান সমাজৰ একাংশ মানুহৰ মাজত এক অতিৰিক্ত ভোগ-বিলাসৰ অন্ধ প্ৰতিযোগিতা দেখিবলৈ পোৱা যায়। কেৱল স্বাভাৱিক জীৱন ধাৰণ কৰাই তেওঁলোকৰ বাবে পৰ্যাপ্ত নহয়; সুউচ্চ অট্টালিকা, বিলাসী বাহন, ৰাজকীয় সাজ-পোছাক, বহুমূলীয়া অলংকাৰ আদিৰ বাহ্যিক প্ৰদৰ্শনেৰে সমাজত এক কৃত্ৰিম উচ্চ স্থান লাভৰ দৌৰত তেওঁলোক লিপ্ত হয়। দেশ-বিদেশত বিলাসী সম্পত্তি গঢ়া আৰু ক্ষমতাৰ বাবে ব্যাকুল হোৱাৰ এই প্ৰৱণতা আচলতে এক গভীৰ মানসিক বিকাৰ বা ব্যাধি। এই মানসিকতাই মানুহক কেতিয়াও প্ৰকৃত সন্তুষ্টি প্ৰদান নকৰে, বৰঞ্চ উপাৰ্জনৰ পৰিমাণ যিকোনো প্ৰকাৰে বৃদ্ধি কৰাৰ এক অন্তহীন আৰু অশোভনীয় লোভৰ জন্ম দিয়ে।

চৰিত্ৰ স্খলন আৰু সমাজত দুৰ্নীতিৰ কৰাল গ্ৰাস যেতিয়া সমাজত এই ভোগবাদী মানসিকতা আৰু বৈভৱৰ প্ৰদৰ্শনৰ প্ৰতিযোগিতা তীব্ৰতৰ হয়, তেতিয়াই মানুহৰ নৈতিক চৰিত্ৰ স্খলনৰ পথ প্ৰশস্ত হয়। নিম্নতম দৰমহা পোৱা এজন সাধাৰণ কৰ্মচাৰীৰ পৰা আৰম্ভ কৰি উচ্চপদস্থ বিষয়া, ব্যৱসায়ী, ঠিকাদাৰ, ৰাজনীতিবিদ আৰু সমাজৰ বিভিন্ন দায়িত্বশীল পদত অধিষ্ঠিত ব্যক্তিসকল যেতিয়া এই মানসিক ব্যাধিৰ চিকাৰ হয়, তেতিয়া তেওঁলোকে দুৰ্নীতিৰ আশ্ৰয় লয়। অসৎ উপায়েৰে অৰ্জন কৰা ক'লা ধনে কেৱল এজন ব্যক্তিৰ চৰিত্ৰই নষ্ট নকৰে, বৰঞ্চ সমগ্ৰ সমাজ ব্যৱস্থাক পংগু কৰি তোলে। ইয়াৰ ফলত সমাজৰ নৈতিক ভেটি দুৰ্বল হয় আৰু সাধাৰণ শ্ৰমজীৱী ৰাইজ আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হয়।

আশাৰ ৰেঙনি ঃ সততাৰ মেৰুদণ্ড এই সামগ্ৰিক পতন আৰু অন্ধকাৰৰ মাজতো সমাজত আজিও আশাৰ এক উজ্জ্বল ৰেঙনি বিদ্যমান। পৃথিৱীৰ সকলো মানুহ বা সকলো বিষয়া-নেতা নীতিভ্ৰষ্ট নহয়। সমাজত আজিও এনে বহুতো নিঃস্বাৰ্থ দেশপ্ৰেমিক নেতা, মন্ত্ৰী আৰু নিষ্ঠাৱান উচ্চপদস্থ বিষয়া আছে, যিয়ে সততা আৰু ন্যায়ক প্ৰথম স্থান দি নিজৰ কৰ্তব্য পালন কৰিছে আৰু সীমিত উপাৰ্জনেৰে পৰিয়াল পোহপাল দিছে। সমাজৰ এক বৃহৎসংখ্যক ভাল আৰু সৎ মানুহৰ বাবেই সমাজখন আজিও সুশৃংখলিত আৰু নিয়ন্ত্ৰিত হৈ চলি আছে। এই সৎ লোকসকলৰ উপস্থিতিৰ বাবেই সমাজত আজিও মানৱতা আৰু বিশ্বাস জীয়াই আছে।

মানুহ হিচাপে আমাৰ প্ৰকৃত পৰিচয় আমাৰ বাহ্যিক আড়ম্বৰত নহয়, বৰঞ্চ আমাৰ নৈতিকতা আৰু বিবেকতহে প্ৰতিফলিত হয়। আত্মসন্মানৰ ভাতমুঠি সদায় সেই এসাঁজ হ'ব লাগে য'ত নিষ্ঠা, সততা আৰু পবিত্ৰ পৰিশ্ৰম লুকাই থাকে। অন্যায় আৰু দুৰ্নীতিৰে আহৰণ কৰা বিলাসিতাই ক্ষন্তেকীয়া বৈভৱ দিব পাৰে; কিন্তু ই মানুহৰ অন্তৰাত্মাক চিৰদিনৰ বাবে কলুষিত কৰে। কেৱল খাই-বৈ জীয়াই থকাটোৱেই জীৱন নহয়, বৰঞ্চ সমাজত নিজৰ আত্মসন্মানেৰে মূৰ দাঙি জীয়াই থকাটোহে মানৱীয়তাৰ প্ৰকৃত ধৰ্ম আৰু আদৰ্শ। ■



অষ্টম পৃষ্ঠাৰ পৰা ঃ —

## মানুহৰ বাবে মানুহ এক চিৰন্তন প্ৰয়াস

পাব। কাৰোবাৰ বিপদত কাষত থিয় দিয়াটো এক ডাঙৰ দান নহয়, এয়া এক নৈতিক দায়িত্ব। আমি পাহৰি গৈছো যে আমি সকলোৱে এক প্ৰকাণ্ড মানৱ শৃংখলৰ অংগ। যদি এজন ব্যক্তিয়ে এই শৃংখলৰ পৰা নিজকে বিচ্ছিন্ন কৰি লয়, তেন্তে সমগ্ৰ সমাজখনৰ ভাৰসাম্য নষ্ট হয়। পোহৰৰ যাত্ৰাত বাধা নিদিবলৈ আমি প্ৰতিজ্ঞাবদ্ধ হ'ব লাগে। জ্ঞানৰ অৰ্থ কেৱল কিতাপৰ পাতত সীমাবদ্ধ নহয়, জ্ঞান হৈছে আনক বুজি পোৱাৰ ক্ষমতা। যিজনে আনৰ পৰিস্থিতিক নিজৰ পৰিস্থিতি বুলি ভাবিব পাৰে, তেওঁ এই পৃথিৱীত কেতিয়াও অকলে থাকিবলগা নহয়।

জীৱনৰ শেষৰ ফালে মানুহে অনুভৱ কৰে যে তেওঁ যিখিনি টকা-পইচা উপাৰ্জন কৰিলে, তাৰ মূল্য তেনেই নগণ্য। আচল মূল্য হৈছে তেওঁ আনৰ হৃদয়ত কিমানখিনি ঠাই দখল কৰিব পাৰিলে। যিসকলে নিজৰ স্বাৰ্থৰ বাবে জীয়াই থাকে, তেওঁলোকৰ মৃত্যুৰ পিছত কোনেও তেওঁলোকক মনত ৰাখিবলৈ আগ্ৰহী নহয়। বিপৰীতে, যিসকলে আনৰ জীৱন পোহৰালে, তেওঁলোক চিৰদিন জীয়াই থাকে মানুহৰ স্মৃতিৰ মণিকোঠাত। এই অমৰত্ব লাভ কৰাটোৱেই হৈছে জীৱনৰ সৰ্বোচ্চ লক্ষ্য। আমি প্ৰত্যেকেই এই লক্ষ্যৰ দিশে ধাৱিত হোৱা উচিত। অন্ধকাৰৰ দিনবোৰ শেষ হ'বই, যদি আমি নিজৰ অন্তৰৰ পোহৰ জ্বলাবলৈ আৰম্ভ কৰো। আপোনাৰ এটা সৰু সহায় হয়তো কাৰোবাৰ বাবে এক নতুন জীৱনৰ সন্ধান হ'ব পাৰে। নিজৰ সুখক আনৰ মাজত বিলাই দিয়ক, দেখিবা আপোনাৰ সুখ দুগুণ হৈ বৃদ্ধি পাব। মানৱতাৰ এই যাত্ৰা কেতিয়াও স্তব্ধ নহওক। আমি সকলোৱে লগ লাগি এখন মৰমৰ সমাজ গঢ়িবলৈ অংগীকাৰবদ্ধ হওঁ। য'ত কোনো ব্যক্তিয়ে অকলশৰীয়া অনুভৱ নকৰিব, য'ত প্ৰতিজন মানুহে আনৰ প্ৰতি সহানুভূতিশীল হৈ জীয়াই থাকিব।

শেষত এটাই অনুৰোধ— জীৱনটো অতি চুটি। এই চুটি সময়খিনি ঘৃণা বা স্বাৰ্থত কটাই দিয়াৰ পৰিৱৰ্তে, প্ৰেম আৰু মৰমেৰে ভৰাই তোলাটোৱেই হ'ল বুদ্ধিমানৰ কাম। আহক, আমি আজিৰ পৰাই নিজৰ স্বাৰ্থক ত্যাগ কৰি আনৰ বাবে জীয়াই থকাৰ শপত লওঁ। ইয়াৰ মাজেৰেই আমি পৃথিৱীখনক এখন সুন্দৰ বাগিচা কৰি তুলিব পাৰিম। প্ৰতিটো মানুহৰ হাঁহিৰ আঁৰত যদি আমি নিজৰ অৱদান ৰাখিব পাৰো, তেন্তে আমাৰ জীৱন সাৰ্থক হ'ব। এই ধৰাৰ বুকুত আমি অতিথি হিচাপে আহিছো, সেয়ে ইয়াত এনে কিবা চিহ্ন থৈ যাব লাগে যাতে পৰৱৰ্তী প্ৰজন্মই আমাক গৌৰৱেৰে স্মৰণ কৰে। পোহৰৰ এই যাত্ৰা নিৰন্তৰ চলি থাকক আৰু মানৱতাৰ জয়গান সদায় উচ্চস্বৰত বাজি থাকক। ■

চতুৰ্থ পৃষ্ঠাৰ পৰা ঃ —

## দেওধনী উৎসৱ

আৰু দুৰ্গাবৰে ৰচনা কৰা পদ্মপুৰাণৰ সম্পৰ্ক অংগাংগী। কামাখ্যাধামত যিকেইগৰাকী ব্যক্তিৰ ঘৰত পদ্মপুৰাণখন আছে তেওঁলোকে চ'ত মাহৰ শুক্লা দ্বাদশীৰ দিনা ভক্তিসহকাৰে পুৰাণখন খোলে আৰু ভাদ-আহিন মাহৰ সংক্ৰান্তিৰ দিনাখন ইয়াত থকা গীতপদসমূহ গাই সামৰি থয়। উৎস কামাখ্যাৰ মন্দিৰসমূহ আৰু দেৱধ্বনি, ধীৰাজ শৰ্মা, দৈনিক অসম, ১৮ আগষ্ট ১৯৯৮ চন। শাওণৰ সংক্ৰান্তিৰ দিনা কামাখ্যাধামত দেওধনী বা দেওধা নাচৰ দোলা পতা হয়। সন্ধিয়া কামাখ্যা মন্দিৰত মনসাৰ ঘট স্থাপন কৰে আৰু বিভিন্ন ঠাইৰ পৰা দেওধাসকল আহি গোট খায়হি। সেই একে দিনাই মাটিৰে নিৰ্মিত নাগফণা ভক্তসকলে আগবঢ়ায়। কামাখ্যাধামৰ কুমাৰ সেবাইত সকলে নাগফণা সাজে আৰু প্ৰতি বছৰে এই উৎসৱৰ সময়ত সৰ্পৰ আকৃতিৰে গঢ়া নাগফণা মন্দিৰত দান কৰে। তাৰ পিছত দেওধাসকলে নিজৰ নিজৰ ইষ্ট দেৱতাৰ মন্দিৰলৈ গৈ তেওঁলোকক স্মৰণ কৰি সকলোৱে আম্ৰাতকেশ্বৰ শিৱ মন্দিৰত মিলিত হয়হি। উক্ত মন্দিৰত দেওধাসকলে পূজা আগবঢ়াই আয়তীসকলৰ নামৰ তালে তালে নৃত্য প্ৰদৰ্শন কৰে। সূৰ্য অস্ত যোৱাৰ লগে লগে দেওধাসকলে শিৱ মন্দিৰৰ পৰা পঞ্চৰত্ন মন্দিৰত স্থাপন কৰা মনসা দেৱীৰ ওচৰলৈ গৈ সেৱা জনাই নৃত্য কৰে। কামাখ্যাত দেওধা নাচ প্ৰদৰ্শন কৰা সৰহসংখ্যক দেওধাই আকৌ অন্য ঠাইৰ পৰাহে আহে।

প্ৰথম ভাদৰ দিনা দুপৰীয়াৰ পৰা কামাখ্যা মন্দিৰৰ সন্মুখত পঞ্চৰত্ন মন্দিৰত বজোৱা তাল, ঢোল, নাগাৰা শব্দৰ তালে তালে নৃত্য কৰে। তাৰ পূৰ্বে মনসা দেৱী স্থাপন হোৱা পঞ্চৰত্ন মন্দিৰলৈ গৈও প্ৰণাম জনাই আহে। দেওধাসকলৰ স্নানৰ পৰ্ব আৰম্ভ কৰে মহাদেৱৰ দেওধাই, মহাদেৱৰ ঘোঁৰা বা জকিয়ে দেওধাই মহাদেৱ মন্দিৰলৈ গৈ, গংগাত স্নান কৰাৰ পিছতহে অন্য দেওধাই স্নান কৰিব পাৰে। প্ৰতিগৰাকী দেওধাই পাল পাতি পাতি সৌভাগ্য কুণ্ডত স্নান কৰি ইষ্ট দেৱতাৰ মন্দিৰলৈ গৈ স্তুতি কৰে। এনে সময়তেই ভক্তসকলে দেওধাক ভূত-ভৱিষ্যতৰ কথা সোধে। সকলো দেওধাই বলি হিচাপে পঠা, পাৰ আদি গ্ৰহণ নকৰি সন্ধিয়া পৰত বলি দিয়া ছাগলী, পাৰ আদিৰ মাংসবোৰ কেঁচাই কেঁচাই খায়। ইয়াকে জল খোৱা প্ৰথা বুলি কোৱা হয়। এই বলি দিয়া প্ৰথা প্ৰাচীন কালৰে পৰা কামাখ্যাত প্ৰচলিত হৈ আহিছে। দোভাগ ৰাতি এজন এজনকৈ সকলো দেওধাই বাগৰি পৰে।

দ্বিতীয় দিনাও দেওধাসকলে গা-পা ধুই ইষ্ট দেৱতাৰ মন্দিৰলৈ গৈ সেৱা জনায়। সূৰ্য অস্ত যোৱাৰ পূৰ্বে কুমাৰী ছোৱালীসকলক দেওধাসকলে ভক্তিসহকাৰে সেৱা-সৎকাৰ কৰে। পৰম্পৰা অনুসৰি শেষ নিশা মনসা দেৱীৰ ঘট সৌভাগ্য কুণ্ডত বিসৰ্জন দিয়াৰ লগে লগে কামাখ্যাৰ দেওধনী উৎসৱৰ সামৰণি পৰে।

কামাখ্যাৰ উপৰি কামাখ্যাধামৰ ওচৰে-পাঁজৰে থকা কোনো কোনো স্থানতো দেওধা নাচ প্ৰদৰ্শন কৰা হয়। দেওধনী নাচৰ সময়ত দেওধাসকল অলৌকিক শক্তিৰ অধিকাৰী হয়। যিজন দেওধাই যিগৰাকী দেৱতা বা দেৱীৰ প্ৰতিনিধিত্ব কৰে, সেইজন দেৱতাৰ ঘোঁৰা বা জকি বোলে। দেওধাসকলে মহাদেৱৰ ঘোঁৰাক মাজত লৈ দেওধা নাচ নাচে। দেওধাসকল ক্ৰমে ভগৱতীৰ ঘোঁৰা, শ্মশান কালী, শ্যাম কালী, গণেশ, কুবেৰ, তাৰা, ত্ৰিপুৰা, ভুৱনেশ্বৰী, বগলা, কেঁচাইখাতী, ছিন্নমস্তা, সৰস্বতী, বাৰগোপাল, পঞ্চপাণ্ডৱৰ ঘোঁৰা, চয়ন, মনসা আদিৰ দেওধা নামে জনা যায়। প্ৰতিগৰাকী দেওধাই কামাখ্যাধামত থকা প্ৰতিটো মন্দিৰতেই স্তুতি কৰি আহি ইষ্ট দেৱতাক ধ্যান কৰি, দেওধা নাচ নাচে।

কামাখ্যা আৰু ওচৰে-পাঁজৰে থকা মন্দিৰবোৰত সেই সময়ত ভক্তিসহকাৰে ৰাইজে দেওধাসকলক মানি চলে। এই নিবন্ধকাৰে উপজিপুৱাৰে পৰা দেওধাই নাচ দেখাই আহিছে। কিয়নো আমি থকা ঠাইখনৰ কেইবাজনো দেওধাই কামাখ্যাধামত দেওধা নাচ নাচি নানান অলৌকিক মহিমা প্ৰদৰ্শন কৰা কাৰ্যৰ আমি প্ৰত্যক্ষদৰ্শী। দেওধনীৰ সময়তেই মন্দিৰ নগৰী কামাখ্যাধামৰ মন্দিৰবোৰত ভক্তি, বিশ্বাস আৰু অলৌকিকতাৰ এক পৰম্পৰা অব্যাহত থাকে। ■

# নৱপ্ৰজন্মৰ চিন্তাধাৰা

পঞ্চম পৃষ্ঠাৰ পৰা ঃ —

এক অতি বেয়া আদৰ্শ দাঙি ধৰিছে আৰু ইয়াৰ পৰিণতি সমাজখনে দীৰ্ঘদিন ধৰি ভুগিবলগীয়া হ'ব পাৰে। তেওঁলোকৰ মাজত গঢ় লৈ উঠা এই প্ৰৱণতা সমাজৰ বাবে ক্ষতিকাৰক। সমাজৰ লগত মিলি যোৱাৰ পৰিৱৰ্তে তেওঁলোকে নিজৰ এক সুকীয়া আৰু স্বাৰ্থপৰ জগত গঢ়ি তুলিছে।

ধন-সম্পত্তিৰ প্ৰতি থকা অত্যধিক মোহে নৱপ্ৰজন্মৰ চিন্তাধাৰাক কলুষিত কৰিছে। তেওঁলোকে মানুহৰ চৰিত্ৰ বা গুণৰ পৰিৱৰ্তে মানুহজনৰ হাতত কিমান দামী বস্তু আছে, তাৰ ওপৰত ভিত্তি কৰিহে মানুহৰ মূল্যায়ন কৰিবলৈ আৰম্ভ কৰিছে যিটো অতি নিৰাশজনক। বিলাসী সামগ্ৰীৰ প্ৰতি তেওঁলোকৰ দুৰ্বলতা অত্যধিক। নিজৰ সামৰ্থ্য নথকাৰ পিছতো তেওঁলোকে মাক-দেউতাকক দামী যন্ত্ৰপাতি বা কাপোৰ কিনি দিবলৈ বাধ্য কৰায় আৰু ইয়াৰ বাবে পৰিয়ালটোৱে কেনে আৰ্থিক সংকটৰ সন্মুখীন হৈছে তালৈ ভ্ৰূক্ষেপ নকৰে। আৰ্থিক দায়িত্ববোধ তেওঁলোকৰ মাজত শূন্য। প্ৰমাণবোৰে আঙুলিয়াই দিয়ে যে সমাজৰ আগত নিজৰ এক কৃত্ৰিম আভিজাত্য প্ৰদৰ্শন কৰিবলৈ গৈ তেওঁলোকে নিজৰ পৰিয়ালক ঋণৰ বোজাত ডুবাই দিছে আৰু মানসিক অশান্তি মাতি আনিছে। তেওঁলোকে বৰ্তমানৰ সুখৰ কথাহে ভাবে। ভৱিষ্যতৰ বাবে ধন সঞ্চয় কৰা বা মিতব্যয়ী হোৱাৰ সলনি হাতলৈ অহা টকা-পইচা অবাবত খৰচ কৰি তেওঁলোকে এক ধৰণৰ মিছা আত্মসন্তুষ্টি লাভ কৰিবলৈ অহৰহ চেষ্টা কৰে। এই প্ৰৱণতাই তেওঁলোকক ঋণৰ জালত পেলাইছে। দামী বস্তুৰ প্ৰতি থকা এই দুৰ্বাৰ আকৰ্ষণে তেওঁলোকক কেতিয়াবা অপৰাধমূলক কামৰ লগতো জড়িত কৰি পেলায়, কাৰণ নিজৰ বিলাসী জীৱনৰ খৰচ উলিয়াবলৈ তেওঁলোকে যিকোনো পথ ল'বলৈ কুণ্ঠাবোধ নকৰে। বস্তুগত সুখেই তেওঁলোকৰ বাবে সৰ্বস্ব। প্ৰকৃত সুখ যে মানসিক শান্তিতহে থাকে, সেই কথাটো তেওঁলোকে বুজিবলৈ একেবাৰে অস্বীকাৰ কৰে আৰু ভৌতিক সামগ্ৰীৰ পাছত দৌৰি দৌৰি নিজৰ অমূল্য সময় নষ্ট কৰে। টকাৰ মূল্য তেওঁলোকে বুজি নাপায়। যি টকা উপাৰ্জন কৰিবলৈ মাক-দেউতাকে দিন-ৰাতি একাকাৰ কৰি পৰিশ্ৰম কৰে, সেই টকা তেওঁলোকে নিমিষতে অপব্যয় কৰে আৰু ইয়াৰ বাবে তেওঁলোকৰ মনত কোনো ধৰণৰ অনুশোচনাৰ সৃষ্টি নহয়। এই অৱস্থাই পৰিয়ালৰ সদস্যসকলৰ মাজত দূৰত্ব বঢ়াই তুলিছে। অভাৱ কি বস্তু সেয়া নুবুজাকৈয়ে ডাঙৰ হোৱা এই চামটোৱে জীৱনৰ কঠিন বাস্তৱৰ মুখামুখি হ'লে একেবাৰে ভাঙি পৰে আৰু পৰিস্থিতি চম্ভালিব নোৱাৰি বিপজ্জনক সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ মূল কাৰণ হ'ল তেওঁলোকৰ বস্তুগত মানসিকতা।

মানৱীয় সংবেদনশীলতা আৰু সহমৰ্মিতা নতুন চামৰ মাজৰ পৰা লাহে লাহে হেৰাই যাবলৈ ধৰিছে। আনৰ দুখ-কষ্ট দেখি তেওঁলোকৰ মনত কোনো ধৰণৰ আঘাত নালাগে, বৰঞ্চ আনৰ বিপদৰ সময়ত সহায় কৰাৰ সলনি সেই পৰিস্থিতিৰ দৃশ্য-শ্ৰব্য বনাই আন্তৰ্জালত প্ৰচাৰ কৰাতহে তেওঁলোকে বেছি আনন্দ পায়। এইটো এক চৰম অমানৱীয় আচৰণ। আন্তৰ্জালৰ জৰিয়তে আনক সমালোচনা কৰা আৰু কাৰোবাক মানসিকভাৱে হাৰাশাস্তি কৰাটো তেওঁলোকে আজিকালি এক ধৰণৰ খেল হিচাপে লৈছে যিয়ে বহুজনৰ জীৱনলৈ ঘোৰ অন্ধকাৰ নমাই আনিছে। তেওঁলোকৰ বন্ধুত্ববোৰো তেনেই কৃত্ৰিম হয়। প্ৰকৃত বন্ধুত্বৰ সলনি তেওঁলোকে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবেহে মানুহৰ লগত সম্পৰ্ক গঢ়ি তোলে আৰু প্ৰয়োজন শেষ হোৱাৰ লগে লগে সেই মানুহজনক চিনি নোপোৱাৰ ভাও ধৰে। সম্পৰ্কৰ গভীৰতা তেওঁলোকে বুজি নাপায়। এই অৱস্থাই তেওঁলোকক মানসিকভাৱে ইমানেই অকলশৰীয়া কৰি পেলাইছে যে হাজাৰ হাজাৰ মানুহৰ মাজত থাকিও তেওঁলোকে ভিতৰুৱাকৈ এক তীব্ৰ শূন্যতা অনুভৱ কৰে আৰু হতাশাত ভোগে। তেওঁলোকৰ মনবোৰ শিলৰ দৰে কঠিন হৈ পৰিছে। ইয়াৰ অৰ্থ হ'ল, আনৰ প্ৰতি সামান্য সন্মান বা সহানুভূতি প্ৰদৰ্শন কৰাৰ সলনি তেওঁলোকে নিজৰ সুখ আৰু লাভালাভৰ কথাহে অহৰহ চিন্তা কৰিবলৈ লৈছে, যিটো সমাজৰ বাবে ডাঙৰ বিপদ। তেওঁলোকে নিজকে পৃথিৱীৰ কেন্দ্ৰ বুলি ভাবে। নিজে বিচৰা ধৰণে কাম নহ'লে তেওঁলোকে অতিমাত্ৰা খং কৰে আৰু আনৰ ওপৰত মানসিক অত্যাচাৰ চলাবলৈ আৰম্ভ কৰে, যাৰ ফলত তেওঁলোকৰ লগত থকা মানুহবোৰো ত্ৰস্তমান হৈ থাকিবলগীয়া হয়। এই আচৰণ এক প্ৰকাৰৰ মানসিক ব্যাধি। পৰিয়াল বা সমাজৰ প্ৰতি তেওঁলোকৰ কোনো আন্তৰিক টান নথকাৰ বাবে তেওঁলোকে সহজে আনৰ ক্ষতি কৰিব পাৰে আৰু ইয়াৰ বাবে তেওঁলোকৰ মনত অকণো অপৰাধবোধৰ সৃষ্টি নহয়। তেওঁলোকৰ এই যান্ত্ৰিক আচৰণে সমাজৰ মূল ভেটিটোকেই দুৰ্বল কৰি পেলাইছে। মানুহ হিচাপে মানুহৰ প্ৰতি থাকিবলগীয়া দায়বদ্ধতাখিনি তেওঁলোকে সম্পূৰ্ণৰূপে পাহৰি পেলাইছে আৰু যন্ত্ৰৰ দৰে নিৰ্দেশনাত চলিবলৈ আৰম্ভ কৰিছে। এই বিষয়টো গভীৰ চিন্তাৰ কাৰণ হৈ পৰিছে।

শিক্ষা গ্ৰহণৰ ক্ষেত্ৰতো নৱপ্ৰজন্মৰ চিন্তাধাৰাত এক বৃহৎ পৰিৱৰ্তন পৰিলক্ষিত হৈছে। প্ৰকৃত জ্ঞান অৰ্জন কৰাৰ পৰিৱৰ্তে তেওঁলোকে পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ আৰু প্ৰমাণপত্ৰ গোটাবলৈহে অধ্যয়ন কৰে, যাৰ বাবে তেওঁলোকৰ মৌলিক জ্ঞান একেবাৰেই সীমিত হৈ ৰৈ যায়। কিতাপ পঢ়াৰ অভ্যাস সম্পূৰ্ণৰূপে নাইকিয়া হৈছে। গভীৰভাৱে চিন্তা কৰা আৰু বিষয়বস্তু এটা ফঁহিয়াই বুজিবলৈ চেষ্টা কৰাৰ পৰিৱৰ্তে তেওঁলোকে আন্তৰ্জালৰ পৰা পোনে পোনে উত্তৰ নকল কৰাতহে বেছি গুৰুত্ব প্ৰদান কৰে। এই প্ৰৱণতাই বৌদ্ধিক বিকাশ স্তব্ধ কৰিছে। মন কৰিবলগীয়া যে ছাত্ৰ-ছাত্ৰীসকলে আজিকালি শ্ৰেণীকোঠাত শিক্ষকৰ কথা মনোযোগ দি নুশুনে আৰু আন্তৰ্জালত উপলব্ধ থকা সৰু সৰু দৃশ্য-শ্ৰব্যবোৰ চায়েই সকলো শিকি পেলোৱাৰ এক অমূলক ধাৰণা মনত পুহি ৰাখে। তেওঁলোকৰ মনোযোগ ধৰি ৰখাৰ ক্ষমতা কমি গৈছে। দীঘলীয়া সময় ধৰি এটা বিষয়ত মনোনিৱেশ কৰিবলৈ তেওঁলোকে অপাৰগতা প্ৰকাশ কৰে আৰু অতি সোনকালেই আমনি পোৱা বুলি অভিযোগ কৰি পঢ়া-শুনা আধাতে সামৰে। পৰিশ্ৰম অবিহনে ফলাফল পোৱাৰ আশা কৰে। ইয়াৰ ফলত তেওঁলোকে প্ৰতিযোগিতামূলক পৃথিৱীখনত টিকি থাকিবলৈ সংগ্ৰাম কৰিবলগীয়া হয় আৰু যেতিয়া ব্যৰ্থতা আহে তেতিয়া তেওঁলোকে শিক্ষা ব্যৱস্থাটোক দোষাৰোপ কৰি নিজৰ দায়বদ্ধতা অস্বীকাৰ কৰে। নিজৰ দুৰ্বলতা ঢাকিবলৈ তেওঁলোকে আনক জগৰীয়া কৰে। বৌদ্ধিকভাৱে দুৰ্বল এই চামটোৱে সমস্যা সমাধানৰ দক্ষতা আয়ত্ত কৰিব নোৱাৰে, যাৰ ফলত ভৱিষ্যতৰ কৰ্মজীৱনতো তেওঁলোকে পদে পদে বাধাৰ সন্মুখীন হয় আৰু সহজেই হাৰ মানে। তেওঁলোকৰ এই আচৰণ প্ৰত্যাহ্বানৰ পৰা পলায়ন কৰাৰ নামান্তৰ। জ্ঞানক শক্তিলৈ ৰূপান্তৰ কৰাৰ সলনি তেওঁলোকে শিক্ষাক টকা ঘটাৰ এক আহিলা বুলিহে গণ্য কৰে, যিটোৱে সমাজত দক্ষ মানৱ সম্পদৰ এক গভীৰ নাটনিৰ সৃষ্টি কৰিছে। শিক্ষাৰ প্ৰকৃত উদ্দেশ্য তেওঁলোকে পাহৰি গৈছে। এই নেতিবাচক মানসিকতাই তেওঁলোকক কেতিয়াও এজন সম্পূৰ্ণ মানুহ হিচাপে গঢ়ি উঠাত সহায় নকৰে, বৰঞ্চ তেওঁলোকক এক যান্ত্ৰিক ব্যৱস্থাৰ অংশ কৰিহে ৰাখিব। প্ৰকৃত শিক্ষাৰ অভাৱত তেওঁলোকৰ নৈতিক মূল্যবোধবোৰ দ্ৰুতগতিত অৱক্ষয় ঘটিবলৈ ধৰিছে আৰু সমাজৰ গঠনমূলক কামত অংশগ্ৰহণ কৰাৰ স্পৃহা তেওঁলোকৰ মাজত একেবাৰে নাইকিয়া হৈ পৰিছে। এনে চিন্তাধাৰা অতিশয় ভয়াৱহ।

বাস্তৱৰ কঠোৰতাৰ পৰা পলায়ন কৰিবলৈ নতুন চামৰ বহুতেই নিচাযুক্ত দ্ৰব্যৰ আশ্ৰয় ল'বলৈ আৰম্ভ কৰিছে। নিজৰ মানসিক চাপ আৰু হতাশা দূৰ কৰাৰ এক সহজ উপায় হিচাপে তেওঁলোকে এই ধ্বংসাত্মক পথ বাছি লৈছে, যিটোৱে তেওঁলোকৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্য একেবাৰে বৰবাদ কৰি পেলাইছে। এই অৱস্থাই পৰিয়ালবোৰলৈ অন্ধকাৰ নমাই আনিছে। সমস্যাৰ সন্মুখীন হৈ তাৰ সমাধান বিচাৰিবলৈ সাহস গোটোৱাৰ পৰিৱৰ্তে তেওঁলোকে ৰাগিয়াল বস্তুৰ নিচাত ডুব গৈ পৃথিৱীৰ সকলো চিন্তাৰ পৰা মুক্ত হোৱাৰ মিছা অভিনয় কৰে। পলায়নবাদ তেওঁলোকৰ মূল অস্ত্ৰ হৈ পৰিছে। শাৰীৰিক পৰিশ্ৰম বা খেল-ধেমালিৰ প্ৰতি তেওঁলোকৰ কোনো আগ্ৰহ নাই, যাৰ ফলত সৰু বয়সতে তেওঁলোকে বিভিন্ন বেমাৰৰ বলি হৈছে আৰু কৰ্মক্ষমতা হেৰুৱাই পেলাইছে। স্বাস্থ্যৰ প্ৰতি তেওঁলোকৰ চৰম অৱহেলা দেখা যায়। প্ৰমাণবোৰে আঙুলিয়াই দিয়ে যে যি সময়ত এজন যুৱকে সমাজৰ উন্নতিৰ বাবে কাম কৰিব লাগিছিল, সেই সময়ত তেওঁ নিজৰ জীৱনটোকেই অন্ধকাৰৰ মাজলৈ ঠেলি দিছে আৰু সমাজৰ বোজা হৈ পৰিছে। এইটো এক তীব্ৰ নিৰাশজনক পৰিস্থিতি। তেওঁলোকৰ এই আচৰণে সমাজৰ অন্যান্য লোকসকলকো প্ৰভাৱিত কৰিছে আৰু লাহে লাহে সমগ্ৰ সমাজ ব্যৱস্থাটোতেই এক স্থৱিৰতা আনি দিছে, যিটো আঁতৰ কৰিবলৈ বহু সময়ৰ প্ৰয়োজন হ'ব। তেওঁলোকৰ বিষাক্ত চিন্তাধাৰাই সমাজখনক খুলি খুলি খাইছে। এই সকলোবোৰ দিশ বিশ্লেষণ কৰিলে দেখা যায় যে নৱপ্ৰজন্মৰ মনোজগতত সোমাই পৰা এই নেতিবাচক ধাৰণাবোৰে তেওঁলোকক গভীৰভাৱে বিপথগামী কৰিছে আৰু জীৱনৰ প্ৰকৃত উদ্দেশ্যৰ পৰা বহুদূৰলৈ আঁতৰাই লৈ গৈছে। বৰ্তমানৰ এই পৰিস্থিতি সলনি হোৱাটো অতিশয় জৰুৰী। তেওঁলোকে নিজৰ ভুলবোৰ উপলব্ধি কৰি বাস্তৱৰ পৃথিৱীখনলৈ ঘূৰি নহালৈকে সমাজৰ ভৱিষ্যৎ সুৰক্ষিত নহয় আৰু এই পৰিৱৰ্তন কঠোৰ অনুশাসন আৰু আত্ম-বিশ্লেষণৰ জৰিয়তেহে সম্ভৱপৰ হৈ উঠিব পাৰে। ইয়াৰ বিকল্প একোৱেই হ'ব নোৱাৰে। এই সত্যটো সকলোৱে মানি ল'বই লাগিব।

নিজৰ ভাষা আৰু সংস্কৃতিৰ প্ৰতি নৱপ্ৰজন্মৰ মনত তীব্ৰ অনীহা দেখা গৈছে। তেওঁলোকে নিজৰ মাতৃভাষাত কথা ক'বলৈ লাজ পায় আৰু বাহিৰা সংস্কৃতিক অন্ধভাৱে অনুকৰণ কৰি নিজকে আধুনিক বুলি প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰে, যিটো প্ৰকৃততে তেওঁলোকৰ পৰিচয়ৰ সংকটহে। এইটো এক গভীৰ হীনমন্যতাৰ লক্ষণ। নিজৰ শিপাডালৰ পৰা আঁতৰি গৈ তেওঁলোকে যি এক কৃত্ৰিম আৱৰণ পিন্ধি লৈছে, সেয়া কেতিয়াও স্থায়ী হ'ব নোৱাৰে আৰু এদিন এই আৱৰণ ফালি আচল সত্যটো ওলাই পৰিবই। নিজৰ সংস্কৃতিক অৱজ্ঞা কৰাটো তেওঁলোকৰ স্বভাৱ। ইয়াৰ অৰ্থ হ'ল, তেওঁলোকে নিজৰ সমাজখনৰ লগত একাত্মবোধ অনুভৱ নকৰে আৰু সেইবাবেই সমাজৰ কোনো সমস্যাই তেওঁলোকৰ মনত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব নোৱাৰে। তেওঁলোক সম্পূৰ্ণৰূপে স্বাৰ্থকেন্দ্ৰিক হৈ পৰিছে। নিজৰ গাঁও বা চহৰখনৰ উন্নয়নৰ কথা ভবাৰ সলনি তেওঁলোকে বাহিৰৰ জকমকীয়া পৃথিৱীখনৰ সপোন দেখে আৰু তাতেই নিজৰ ভৱিষ্যৎ বিচাৰি হাবাথুৰি খায়। তেওঁলোকৰ এই দৌৰৰ কোনো শেষ নাই। এই ধৰণৰ চিন্তাধাৰাই সমাজৰ থলুৱা ভেটিটো দুৰ্বল কৰিছে আৰু ভৱিষ্যতে সমাজখনে নিজৰ অস্তিত্ব ৰক্ষা কৰাৰ ক্ষেত্ৰতো এক ডাঙৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া পৰিস্থিতিৰ সৃষ্টি কৰিছে। পৰম্পৰাগত জ্ঞান আৰু শিক্ষাক তেওঁলোকে মূল্যহীন বুলি ভাবে। এনে নেতিবাচক মনোভাৱৰ বাবেই সমাজৰ প্ৰবীণ আৰু নবীন প্ৰজন্মৰ মাজত এক বুজিব নোৱাৰা ব্যৱধানৰ সৃষ্টি হৈছে, যিটো সমাজৰ সামগ্ৰিক বিকাশৰ বাবে এক বিৰাট অন্তৰায় হৈ পৰিছে। এই ব্যৱধান ক্ৰমান্বয়ে বৃদ্ধি পাই গৈ আছে। প্ৰকৃত আধুনিকতা যে বাহ্যিক আৱৰণত নাথাকে, বৰঞ্চ চিন্তা আৰু চেতনাতহে থাকে, সেই কথাটো এই প্ৰজন্মই যিমান সোনকালে বুজি পাব সিমানেই সমাজৰ বাবে মংগলজনক হ'ব। তেওঁলোকৰ চিন্তাধাৰাৰ সংস্কাৰ হোৱাটো অতিশয় প্ৰয়োজনীয়। এই সকলোবোৰ সমস্যাৰ শিপাডাল বিচাৰি গ'লে দেখা যায় যে তেওঁলোকৰ মনোজগতত সোমাই পৰা এই বিষাক্ত চিন্তাধাৰাবোৰেই তেওঁলোকৰ পতনৰ প্ৰধান কাৰণ আৰু ইয়াক নিৰ্মূল কৰিবলৈ সকলোৱে অনতিপলমে প্ৰচেষ্টা হাতত ল'ব লাগিব। ■

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

# গুৱাহাটীৰ কৃত্ৰিম বান সমস্যা

মন্ত্ৰীজনে নিশ্চয় জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষা নিশ্চিত কৰিবলৈ গুৱাহাটী পৌৰ নিগম আৰু নগৰ উন্নয়ন বিভাগলৈ শীঘ্ৰে এক বিশেষ টাস্ক ফৰ্চ গঠন কৰি সমস্যাসমূহ স্থায়ী সমাধান কৰিব বুলি আশা থাকিল। প্ৰতি বছৰে নিৰ্বাচন আহিলে গুৱাহাটীৰ কৃত্ৰিম বান সমস্যাৰ সমাধান কৰিম বুলি সাৰুৱা ভাষণ ৰাখে ৰাজনৈতিক নেতাসকলে হিতাধিকাৰীসকলক আঁচনিৰ টোপ দিয়াৰ নিচিনাকৈ আৰু কিমান বছৰলৈ জলবন্দী কৰি ৰাখিব গুৱাহাটীবাসীক? এজাক বৰষুণতে গোটেই মহানগৰী জলমগ্ন হোৱাৰ ক্ষেত্ৰত পৌৰ নিগমৰ ঠিকাদাৰ সন্থাই গুৱাহাটীবাসীক দোষ জাপি দি- 'বৰষুণ দিলে দ, অঞ্চলত পানী জমা নহ'বলৈ যাদু কৰিব লাগিব বুলি টুলুঙা মন্তব্য কিয় দিয়ে? পৌৰ নিগমৰ ঠিকাদাৰ সন্থাই দাবী কৰে যে অহৰহ নলা নিষ্কাশন কাম কৰি আছে। বিষয়টো সঁচাই হাস্যকৰ মই এই বিষয়ত স্পষ্টভাৱে ক'ব পাৰো যে নলা নিষ্কাশনৰ বাবে, কাৰ্যবাহী অভিযন্তাক হোৱাটছএপত মেছেছ দি, আবেদন কৰাৰ পিছত দুজনমান কৰ্মী আহে, যদিও অনিচ্ছাভাৱে কোদালখন ধৰি ইফাল-সিফাল কৰি থাকে, জাবৰ-জোঁথৰ দ'ম কৰি থয় বহুদিন ধৰি, কেতিয়াবা জাবৰ-জোঁথৰৰ দ'ম হৈ বন গজে পথতে এয়ে নমুনা।' 'পৌৰ নিগম অথবা গড়কাপ্তানি বিভাগৰ অভিযন্তাসকল প্ৰায়েই গুৱাহাটীৰ বাসিন্দাৰ নহয়, কৰ্ম সূত্ৰেহে আহি কাৰ্যনিৰ্বাহ কৰি আছে। এই ক্ষেত্ৰত আজিৰ পৰা প্ৰায় ৩০/৪০ বছৰ আগৰ গুৱাহাটীৰ ছবিখন আৰু পানী ওলাই যোৱা নলা-উপনৈসমূহৰ গতি পথৰ বিষয়ত সম্যক জ্ঞান নাই বিষয়া/অভিযন্তাসকলৰ সেয়েহে বানপানীৰ সমস্যাৰ স্থায়ী সমাধান কৰিব পৰা নাই। প্ৰতিখন ঠাইৰ/অঞ্চলৰ স্থায়ী বাসিন্দাৰ লগত আলোচনা কৰি পূৰ্বে পানী ওলাই যোৱা পথসমূহ নলা বাহিনী নৈৰ সংযোগ স্থল ক'ত বন্ধ হৈ আছে এই বিষয়ে আলোচনা কৰি পৰিকল্পনা কৰিলেহে সফল হ'ব পৰা যাব। বিশেষকৈ গুৱাহাটীৰ বান সমস্যা সমাধানৰ বাবে এটা টাস্ক ফৰ্চ গঠন কৰি অৱসৰ প্ৰাপ্ত অভিযন্তা (যাৰ গুৱাহাটীখনৰ স্থায়ী বাসিন্দাৰ আছিল আৰু পূৰ্বৰ গুৱাহাটীখনৰ ছবিখন চিনাকি আছিল) তেনেকুৱা বিষয়াক নিযুক্তি দি সম্পূৰ্ণ আধুনিক যন্ত্ৰপাতি প্ৰয়োগ কৰি নলা-নৰ্দমাসমূহ গভীৰকৈ খান্দি প্ৰণালীবদ্ধভাৱে পানী ওলাই যোৱাৰ ব্যৱস্থা কৰিব লাগিব।

**বিশেষকৈ উল্লেখিত বিষয়সমূহ গুৰুত্ব সহকাৰে লোৱা উচিত —** (ক) মহানগৰীৰ নৈ, নলা-নৰ্দমাত জাবৰ পেলোৱা সম্পূৰ্ণৰূপে বন্ধ কৰা, দ ঠাই জলাহ আদিৰ লগতে বাহিনী লৈ সমূহৰ মাটি বেদখলমুক্ত কৰি নৈসমূহ বহল আৰু দ কৰি খনন কৰা। পাহাৰৰ নামনিলৈ অহা পথ, নলাৰ দাঁতিত গছপুলি ৰোপণ কৰি মাটি পানী ধৰি ৰাখিব পৰা ব্যৱস্থা কৰা। মহানগৰীৰ প্ৰতিঘৰ মানুহৰ বৰষুণৰ পানী ধৰি ৰাখিব পৰা ব্যৱস্থা কৰাৰ লগতে পানীখিনি পৰিকল্পনা কৰি কুঁৱাত কাষেৰে সোমাই যাব পৰাৰ ব্যৱস্থা আদিৰ বাবে নিৰ্দেশনা দিয়া আদি কাৰ্যই কিছু সকাহ দিব বুলি ক'ব পৰা যায়। (খ) অক্টোবৰ মাহৰ পৰাই নলা-নৰ্দমা খনন কাৰ্য আৰম্ভ কৰি বাৰিষা হোৱাৰ আগে আগে সম্পূৰ্ণ কৰাৰ ব্যৱস্থা। ছুপাৰ ছাকাৰ মেচিংসমূহৰ দ্বাৰাই দুই-তিনিমাহে নলাসমূহ চাফা কৰা ব্যৱস্থা। বশিষ্ঠ চাৰিআলিৰ পৰা ৰাষ্ট্ৰীয় পথৰ দুয়োকাষে গভীৰ নলা খান্দি বৰাগাঁও ফালেদি দীপৰ বিললৈ বোৱাই নিয়াৰ ব্যৱস্থা। (গ) সৰুচলা-বৰচলা বিলৰ পানী বহন ক্ষমতা নহোৱা হৈছে, খনন কৰাৰ ব্যৱস্থা কৰাৰ লগতে এই বিল দুখনৰ পানীসমূহ টকোবাৰী চাইকেল ফেক্টৰী হৈ, বৰ্যাপাৰা ষ্টেডিয়ামৰ কাষেৰে বৈ যোৱা ভৰলু নৈখন ISBTৰ কাষেৰে বৈ গৈ গড়চুক হৈ দীপৰ বিললৈ বৈ গৈছে যদিও দীপৰ পৰা পানীসমূহ খানামুখৰ দলঙৰ তলেৰে বৈ গৈ ব্ৰহ্মপুত্ৰত পৰিছিল, বৰ্তমান ডাঙৰ ডাঙৰ অট্টালিকাৰ নিৰ্মাণ কৰাৰ ফলত নিৰ্মাণৰ সময়ত মাটি পোতোতে নৈখনৰ বহন ক্ষমতা কমিছে। (ঘ) গুৱাহাটীৰ মাজমজিয়াৰে বৈ যোৱা ভৰলু নৈখনৰ মোহনা অঞ্চলখিনি ভৰলুমুখ, সোণাৰাম স্কুলৰ পিছফাল ওখ হৈ আছে, শীঘ্ৰে ভৰলু নৈখন খনন কৰি ব্ৰহ্মপুত্ৰ মাজঅংশলৈ বোৱাই নিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। (ঙ) এজাক বৰষুণতে যোৰাবাট অঞ্চলটো ডুব যায়। ৰাজনীতিৰ বোকা ছটিওৱা আৰম্ভ হয়। USTMৰ পানীয়ে বুৰাই পেলোৱা বুলি। কিন্তু ৰাষ্ট্ৰীয় পথ ৪ লেনযুক্ত কৰাৰ সময়ত পথ নিৰ্মাণৰ পূৰ্বে যোৰাবাটত পানী হোৱা নাছিল। ৰাষ্ট্ৰীয় পথ নিৰ্মাণকাৰী সন্থাৰ অভিযন্তাসকলে যোৰাবাট থানাৰ পৰা নলাটো গভীৰভাৱে বনাই সোণাপুৰৰ ফাললৈ নলাটোৰ পানী বোৱাই নি, কিছু দূৰত ৰাস্তাটোৰ সোঁফালে কালভাৰ্ট দি পাহাৰৰ মাজেৰে নামনিলৈ বোৱাই নিবলৈ চেষ্টা কৰিব পাৰিলেহেঁতেন, তেতিয়া যোৰাবাটৰ বান সমস্যাটো নহ'লহেঁতেন! (চ) ৰুক্মিনী গাঁৱৰ পানী পূৰ্বে প্ৰায় ৫ বছৰ আগলৈ এনেকুৱা প্ৰবল ৰূপ লোৱা নাছিল। ছুপাৰ মাৰ্কেটৰ ফ্লাইঅ'ভাৰ নিৰ্মাণৰ সময়ত শ্বুইচ গে'টৰ কালী মন্দিৰৰ সন্মুখেৰে পানী গৈ বাহিনী নৈত পৰা অংশ বন্ধ হোৱাৰ বাবেহে কৃত্ৰিম বানপানীৰ সমস্যাই গা কৰি উঠিছে। যোৱা বছৰৰ পৰা বিকল্প পথেৰে পানী ওলাই যাব পৰাকৈ ৰাৱলেছৰ পৰা লাষ্টগে'টৰ ৰাজধানী স্বাস্থ্য কেন্দ্ৰৰ নলাৰ কাম কৰি আছে, যদিও লেহেমীয়া গতিতহে চলি আছে। ৰুক্মিণী গাঁৱৰ বান সমস্যাৰ সমাধানৰ দীৰ্ঘম্যাদী পৰিকল্পনা কৰিবলৈ হ'লে ৰুক্মিণী গাঁৱৰ 'টংলা সত্ৰ'ৰ পৰা ৰিলায়েন্স ট্ৰেণ্ডছ (পিপকো) লৈ বাহিনী নৈটো বেদখলমুক্ত কৰি দুয়োফালে প্ৰায় ১০ ফুটকৈ বহল কৰি ওখকৈ গাৰ্ড ৱাল দিলে পানী সুচাৰুৰূপে ওলাই যোৱাত সুবিধা হ'ব।

থূলমূলকৈ ক'বলৈ হ'লে বিষয়া-কৰ্মচাৰীৰ সদ্ ইচ্ছাৰে সততাৰে কৃত্ৰিম বান সমস্যা নিৰ্মূলৰ হকে কাম কৰিলে বান সমস্যা সমাধান নিশ্চয় হ'ব। যিহেতু লাচিতে ৰাতিটোৰ ভিতৰতে গড় নিৰ্মাণ কৰি শত্ৰুপক্ষক পৰাস্ত কৰিছিল।

*দূৰভাষ ঃ ৯৪০১৫৪৪৪৭৩*

# জনগোষ্ঠীয় ভাষাত প্ৰকাশিত হ'ব জিকিৰ-

লোৱা হৈছিল অসমীয়া জিকিৰ আৰু জাৰী। জিকিৰ আদি গীতি-ৰচনাবোৰ তিনি-চাৰিশ বছৰ ধৰি অসমীয়া গাঁৱলীয়া মুছলমানৰ মুখে মুখে পৰম্পৰাগতভাৱে চলি আহিছে। ৰাজনৈতিক আৰু সামাজিক নানা উত্থান-পতন, দুৰ্যোগ-দুৰ্দশাৰ মাজেদি পাৰ হৈ অহা সত্বেও গাঁৱৰ নিৰক্ষৰ আৰু আধ্যাত্মিক ভাৱসম্পন্ন মুছলমানসকলে এই ৰচনাবোৰকে ধৰ্মৰ বাণী বুলি মানি লৈ সেইবোৰক তত্ত্বকথাৰ সন্মান দি কণ্ঠস্থ কৰি ৰাখিছে। কিন্তু এই গীতি-ৰচনাবোৰ লিখিতভাৱে সংৰক্ষণ কৰাৰ প্ৰথা নথকাৰ কাৰণে, বহুত গীত কালক্ৰমত লোপ পালে, কিছুমানৰ বিকৃতি ঘটিল আৰু কিছুমানে অন্যান্য গীত-মাতৰ লগত সান-মিহলি হৈ নিজস্বতা হেৰুৱালে। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই জিকিৰ আৰু জাৰীৰ সংৰক্ষণৰ বাবে লোৱা প্ৰদক্ষেপ বৌদ্ধিক মহলত উচ্চ প্ৰসংশিত হৈছে। এই দায়িত্ব আবিলেকক অৰ্পণ কৰা বাবে আবিলেকৰ নৱ নিযুক্ত সঞ্চালক ড° যোগেশ কাকতিয়ে অসমৰ মুখ্যমন্ত্ৰী আৰু আবিলেকৰ পৰিচালনা পৰিষদৰ সভাপতি তথা অসমৰ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুক ধন্যবাদ জ্ঞাপন কৰে আৰু অনুবাদ প্ৰকল্পটোৰ কাম অতি শীঘ্ৰেই সমাপন কৰা হ'ব বুলি মতপোষণ কৰে। অসমৰ ছয় জনগোষ্ঠীৰ প্ৰায় একুৰি সমল ব্যক্তিয়ে অংশগ্ৰহণ কৰে বিগত পাঁচদিনীয়া এই কৰ্মশালাত। বড়ো জনগোষ্ঠীৰ হৈ ৰশ্মি চৌধুৰী, ৰবীন্দ্ৰ নাৰ্জাৰী, বিজিত গৌড়া ৰামচিয়াৰী, মিচিং জনগোষ্ঠীৰ হৈ ব্ৰজেন কুলি আৰু প্ৰবীণ কুমাৰ মিলি, কাৰ্বি জনগোষ্ঠীৰ হৈ হাংমিজী হাঞ্চে আৰু খগেন ইংতি, ৰাভা জনগোষ্ঠীৰ হৈ ড° ৰূপক কুমাৰ ৰাভা আৰু দন্দেচিং ৰাভা, দেউৰী জনগোষ্ঠীৰ হৈ ড° যড়ানগ দেউৰী, লীলাকান্ত দেউৰী, ফ্লুৰিনা দেউৰী, তিৱা জনগোষ্ঠীৰ হৈ ড° বিদ্যুৎ বিকাশ সেনাপতি, ড° প্ৰাণজিৎ দেউৰী, লালচিং মাদাৰ আৰু আৰবী বিভাগৰ প্ৰতিনিধি হিচাপে ড° মকিবুল ইছলাম, ড° মক্তাডজ ভূএগ্ৰা, ড° জয়নাল আবদিন আৰু মফিদুল ইছলামে এই কৰ্মশালাত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। এই পাঁচদিনীয়া অনুষ্ঠানটোত বিশেষ উপদেষ্টা হিচাপে অংশগ্ৰহণ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক তথা যশস্বী কবি ড° কামালুদ্দিন আহমেদ, অধ্যাপিকা ড° বিভা ভৰালী আৰু আৰবী বিভাগৰ অধ্যাপক ড° আবু বক্কৰ চিদ্দিকি। আবিলেকৰ সঞ্চালক হিচাপে ড° যোগেশ কাকতি আৰু কৰ্মশালা খনিৰ সমন্বয়ক হিচাপে আবিলেকৰ সহযোগী অধ্যাপক ড° ভাস্কৰজ্যোতি শৰ্মাই সমগ্ৰ কৰ্মশালাখন সূচাৰুৰূপে পৰিচালনা কৰে। ইয়াত সম্পূৰ্ণ সহযোগিতা আগবঢ়াই আবিলেকৰ সহযোগী অধ্যাপক ড° কৰুণাকান্ত কাকতি, গ্ৰন্থাগাৰিক ড° ৰিদীপজ্যোতি কলিতা আৰু কাৰিকৰী সহায়িকা পূৰ্ণিমা বৰবৰুৱা গোস্বামী প্ৰমুখ্যে আবিলেকৰ কৰ্মচাৰীবৃন্দই।

# কেজুৱেল বনকৰ্মীৰ সমস্যা সমাধানৰ আশ্বাস

লাভৰ পৰা বঞ্চিত বন বিভাগৰ কেজুৱেল বন শ্ৰমিকৰ এটা সঁজাতী দলে বনমন্ত্ৰী জয়ন্তমল্ল বৰুৱাক দিছপুৰত থকা চৰকাৰী বাসভৱনত কৰা সাক্ষাৎ কালত সঁজাতী দলটোৱে তেওঁলোকৰ সমস্যা সমাধান কৰাৰ বাবে প্ৰদান কৰা স্মাৰকপত্ৰ গ্ৰহণ কৰি এই আশ্বাস প্ৰদান কৰে মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই। মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই সঁজাতী দলটোক কয় যে মই বিভাগত নতুনকৈ আহিছো। মই বিভাগলৈ অহাৰ কিছুদিন পাছতেই আপোনালোকৰ সমস্যা সন্দৰ্ভত অৱগত হৈছো। মোক আপোনালোকে অলপ সময় দিয়ক আৰু তাৰ পাছত নিৰ্ধাৰিত হাৰত দৰমহা লাভ কৰাকে ধৰি বাকী সমস্যাকেইটা সমাধান কৰিম। ইফালে সৌহাৰ্দ্যপূৰ্ণ পৰিৱেশত কৰা সাক্ষাৎকালত সঁজাতী দলটোৱে মন্ত্ৰীগৰাকীক ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱাৰ লগতে গছপুলি ৰোপণ, বন্য জীৱ-জন্তুৰ সুৰক্ষাকে ধৰি বন বিভাগৰ প্ৰাউণ্ডত চলি থকা সমস্যা সন্দৰ্ভত বাৰ্তালাপ কৰে। সঁজাতী দলটোত জ্যোতিষ দলৈ, প্ৰমোদ ৰংপি, শোভামণি দাস, মণিকা দাস, ছাহজাহান আলী, মিনহাজউদ্দিন আহমেদ, উদয় ৰাভা, মণ্টু দাসকে ধৰি প্ৰায় ১৫ জন বঞ্চিত কেজুৱেল বন শ্ৰমিক উপস্থিত আছিল। উল্লেখ্য যে মন্ত্ৰীগৰাকীক প্ৰদান কৰা স্মাৰকপত্ৰত সঁজাতী দলটোৱে বিভাগৰ অধীনত বিভিন্ন শাখাত বেতনবঞ্চিত কৰ্মৰত বন শ্ৰমিকসকলে এটি স্থায়ী চাকৰি পোৱাৰ আশাত বিনাবেতনে তথা অতি নিম্ন পাৰিশ্ৰমিকৰ বিনিময়ত বন বিভাগ তথা অসম চৰকাৰৰ সেৱা আগবঢ়াই আহিছে। তদুপৰি মন্ত্ৰীগৰাকীক প্ৰধান মুখ্য বন সংৰক্ষক মহোদয়ৰ নিৰ্দেশ মৰ্মে ড° সত্যেন্দ্ৰনাথ সিঙৰ নেতৃত্বত এখন উচ্চস্তৰীয় কমিটী গঠন কৰি অসমৰ বিভিন্ন বন সংমণ্ডল প্ৰাধিকাৰীসকলৰ পৰা শ্ৰমিকসকলৰ তালিকা বিচাৰে। এই তালিকাখন এই তালিকাখন যোৱা ২০২৫ৰ ছেপ্টেম্বৰত প্ৰধান মুখ্য বন সংৰক্ষক কাৰ্যালয়ৰ পৰা বন বিভাগৰ বিশেষ মুখ্য সচিবলৈ প্ৰেৰণ কৰা হয়। সেই তালিকাত বন বিভাগৰ কিছু বিষয়াৰ হেমাহিৰ বাবে কিছুসংখ্যক কেজুৱেল বন শ্ৰমিকৰ নাম ভেৰিফিকেচনৰ পৰা বাদ পৰি গৈছিল। আমি বাদ পৰি যোৱা নামকেইটা অন্তৰ্ভুক্তি কৰাৰ বাবেও দাবী জনাইছো। সম্প্ৰতি তালিকাখন বিত্ত বিভাগত পৰি থকাত বেতনবঞ্চিত শ্ৰমিকসকল পুনৰ হতাশ হৈ পৰিছে।

# অসমৰ ২১ শতাংশ কৃষিভূমিহে

কৃষি বিভাগৰ উদ্যোগত অনুষ্ঠিত ৰাজ্যিক পৰ্যায়ৰ কৰ্মশালাত অংশগ্ৰহণ কৰি কৃষিমন্ত্ৰী পীযুষ হাজৰীকাই এই কথা সদৰি কৰে। ৰাজ্যৰ কৃষিখণ্ডক অধিক লাভজনক আৰু বাণিজ্যিকভাৱে শক্তিশালী কৰাৰ বাবে বহুমুখী পদক্ষেপ গ্ৰহণৰ কথাও তেওঁ উল্লেখ কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ২৫০ গৰাকী প্ৰগতিশীল কৃষকে অংশগ্ৰহণ কৰা কৰ্মশালাত কৃষকসকলক সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰত এখন কৃষিভিত্তিক অৰ্থনীতিৰ দেশ আৰু দেশৰ অৰ্থনৈতিক বিকাশৰ বাবে কৃষিখণ্ডৰ উন্নয়ন অত্যন্ত গুৰুত্বপূৰ্ণ। আমাৰ দেশত প্ৰায় ১৫০ কোটি মানুহে খাদ্য গ্ৰহণ কৰে। সেয়ে কৃষিজাত সামগ্ৰীৰ বাবে আমাৰ দেশতেই এক বিশাল বজাৰ আছে। এই সুযোগ আমি গ্ৰহণ কৰিব লাগিব আৰু এইক্ষেত্ৰত আত্মনিৰ্ভৰ হ'ব লাগিব বুলি তেওঁ প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে উচ্চ মূল্যৰ, কম সময়ত উৎপাদন কৰিব পৰা আৰু কম ভূমিত অধিক উৎপাদন সম্ভৱ হোৱা শস্যৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰাৰ আহ্বান জনায়। ধান খেতি অব্যাহত ৰখাৰ লগতে একেখন ভূমিত বছৰত দুটা বা তিনিটা শস্য উৎপাদনৰ দিশত কৃষকসকলক আগবাঢ়ি যাবলৈ আহ্বান জনাই তেওঁ কয় যে কৃষিৰ লাভ বৃদ্ধিৰ বাবে বহুমুখীকৰণ অতি প্ৰয়োজনীয়। কৃষি বিভাগৰ পৰৱৰ্তী পাঁচ বছৰৰ বাবে এক সুসংহত ৰোডমেপ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত প্ৰগতিশীল কৃষকসকলৰ মতামতক গুৰুত্ব দিয়া হ'ব বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ প্ৰগতিশীল কৃষকসকলৰ সৈতে প্ৰতি তিনিমাহৰ মূৰে মূৰে মত-বিনিময় কৰা হ'ব। কৃষকৰ অভিজ্ঞতা আৰু পৰামৰ্শৰ ভিত্তিত কৃষি বিভাগৰ ভৱিষ্যৎ কাৰ্যপন্থা অধিক ফলপ্ৰসু কৰি তোলাৰ লক্ষ্য লোৱা হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে অসমক এখন হৰ্টিকালচাৰ হাব হিচাপে গঢ়ি তোলাৰ দিশত চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে। ৰবি শস্যৰ লগতে ফলমূল, লিচু আৰু অন্যান্য উদ্যান শস্যৰ উৎপাদন বৃদ্ধিৰ ওপৰত গুৰুত্ব দিয়া হৈছে। আন্তঃৰাষ্ট্ৰীয় বজাৰত লিচুৰ যথেষ্ট চাহিদা আছে বুলি উল্লেখ কৰি ৰাজ্যত লিচুৰ উৎপাদন বৃদ্ধিৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ কৰে। মাখনা খেতিকো অসমত মিছন মোডত আগবঢ়াই নিয়াৰ কথা ঘোষণা কৰি মন্ত্ৰীগৰাকীয়ে কয় যে বিহাৰত মাখনা খেতি ব্যাপকভাৱে হয় যদিও অসমতো ইয়াৰ যথেষ্ট সম্ভাৱনা আছে। একে ভূমিত মীনপালনৰ পৰা যদি প্ৰতি বিঘাত প্ৰায় ১ লাখ টকা আয় কৰিব পৰা যায়, তেন্তে মাখনা খেতিৰ জৰিয়তে অতিৰিক্তভাৱে প্ৰায় ৪০-৫০ হাজাৰ টকা উপাৰ্জনৰ সম্ভাৱনা আছে। অহা ফেব্ৰুৱাৰীৰ পৰা কৃষকসকলক মাখনাৰ বীজ প্ৰদানৰ ব্যৱস্থা কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কৃষি আৰু জলসিঞ্চন খণ্ডক বিশেষ গুৰুত্ব প্ৰদান কৰিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্য চৰকাৰে কৃষি আৰু জলসিঞ্চন খণ্ডৰ বাবে বহিঃসহায়প্ৰাপ্ত প্ৰকল্পৰ অধীনত ক্ৰমে প্ৰায় ৫,০০০ কোটি আৰু ৬,০০০ কোটি টকাৰ প্ৰস্তাৱ আগবঢ়াইছে। ৰাজ্যৰ জলসিঞ্চন ব্যৱস্থাৰ উন্নয়নৰ ওপৰতো মন্ত্ৰীগৰাকীয়ে বিশেষ গুৰুত্ব আৰোপ কৰে। বৰ্তমান অসমৰ মুঠ কৃষিভূমিৰ প্ৰায় ২১ শতাংশহে জলসিঞ্চনৰ আওতাত আছে বুলি উল্লেখ কৰি অহা পাঁচ বছৰত বিভিন্ন প্ৰকল্পৰ জৰিয়তে জলসিঞ্চনৰ পৰিসৰ অতিৰিক্তভাৱে ২০ শতাংশ বৃদ্ধি কৰাৰ লক্ষ্যৰ কথা তেওঁ প্ৰকাশ কৰে। কৰ্মশালাখনত বিভিন্ন প্ৰান্তৰ পৰা অহা ২১ গৰাকী কৃষকে কৃষিখণ্ডৰ উন্নয়ন, তেওঁলোকৰ অভিজ্ঞতা, সমস্যা আৰু ভৱিষ্যৎ পৰিকল্পনা সন্দৰ্ভত নিজৰ পৰামৰ্শ আৰু মতামত আগবঢ়ায়।

গুৱাহাটীত ছত্তীশগড়ৰ ৰাজ্যপাল ৰমেন ডেকাক সম্বৰ্ধনা ৰঙিয়াৰ অনুষ্ঠানৰ

# ‘ধনৰ লেনদেন নকৰাকৈও সমাজসেৱা কৰিব পাৰি’




**অসম ভূমি সেৱা, ৰঙিয়া ঃ** ছত্তীশগড়ৰ ৰাজ্যপাল ৰমেন ডেকাক যোৱা ২১ আগষ্টত ৰঙিয়াৰ বহুকেইটা দল-সংগঠনে ৰাজহুৱা সম্বৰ্ধনা জনায়। কামৰূপ জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক জয়ন্তজিৎ কলিতাই আঁতধৰা বিশেষ সম্বৰ্ধনা সভাখন গুৱাহাটীৰ ছাত্ৰীবাৰীস্থিত ডেকাৰ বাসভৱনত অনুষ্ঠিত হয়। শংকৰদেৱ সংঘৰ পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকা, ৰঙিয়া বিধানসভা সমষ্টি বিধায়ক ভবেশ কলিতা, ৰঙিয়া ৰাইজমেল কৃষক ছহিদ স্মৃতিৰক্ষা সমিতি উপ-সভাপতি মহেশ চন্দ্ৰ কাকতি, সম্পাদক পবিন কলিতা, ৰঙিয়া আলোচনী সভাৰ উপদেষ্টা পবিত্ৰ কুমাৰ কলিতা, সম্পাদক ভুৱনেশ্বৰ লহকৰ, ৰঙিয়া নগৰ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি বংশীধৰ কলিতা, সম্পাদক কনক কলিতা, কলিতা জনগোষ্ঠী সন্মিলন, ৰঙিয়া জিলাৰ সভাপতি বীণা কলিতা মহন্ত, সম্পাদক পৰেশ কলিতা, অসম গণ পৰিষদ, ৰঙিয়া সমষ্টি সমিতিৰ কোষাধ্যক্ষ ঘনশ্যাম কাকতি, কামৰূপ জিলা লেখিকা সমাজৰ সভানেত্ৰী সবিতা বৰ্মন মজুমদাৰ, সহকাৰ ভাৰতীৰ ৰাষ্ট্ৰীয় উপাধ্যক্ষ প্ৰশান্ত কুমাৰ বুজৰবৰুৱা, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা তৰুণ সিংহ লহকৰ, ৰঙিয়া জিলা অৱসৰপ্ৰাপ্ত ৰাজ্যিক চৰকাৰী বিদ্যালয়সমূহৰ শিক্ষক-কৰ্মচাৰী সন্থাৰ সভাপতি মুনীন্দ্ৰ মালাকৰ, ৰঙিয়া টাউন ক্লাবৰ সভাপতি ড° সঞ্জয় তালুকদাৰ, অৱসৰপ্ৰাপ্ত শিক্ষক খগেন্দ্ৰ নাথ শৰ্মা, বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক তথা তামুলপুৰ জিলাৰ প্ৰভাৰী সুৰভি লহকৰ, লোককৃষ্টি কলাকেন্দ্ৰ, ৰঙিয়াৰ কাৰ্যকৰী সভাপতি জয়ন্তজিৎ কলিতা, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা সুমন্ত কাকতি, শংকৰদেৱ শিশু নিকেতন পৰিচালনা সমিতিৰ সম্পাদক দীনবন্ধু কলিতা, অসম সাহিত্য সভাৰ কামৰূপ জিলাৰ নৱ মনোনীত প্ৰতিনিধি তথা বিশিষ্ট সাহিত্য সংগঠক হেমন্ত কলিতা (হেমেন), জিতেন শৰ্মা, নিপাংক কাকতি প্ৰমুখ্যে বহুকেইটা সংগঠন আৰু ব্যক্তিয়ে ৰাজ্যপালগৰাকীক সম্বৰ্ধনা জ্ঞাপন কৰে। সম্বৰ্ধনা গ্ৰহণ কৰি ৰাজ্যপালগৰাকীয়ে সকলোকে আন্তৰিক ধন্যবাদ জনাই কয় যে ধনৰ লেনদেন নকৰাকৈও সমাজসেৱা কৰিব পাৰি। সৰু সৰু কামৰ জৰিয়তেও মানুহে দেশমাতৃৰ সেৱাত বিশেষ ভূমিকা পালন কৰিব পাৰে। পৃথিৱীত এনে বহুতো কাম আছে, যি কাম কৰিবলৈ টকাৰ প্ৰয়োজন নহয়, মাত্ৰ প্ৰয়োজন এটা ভাল চিন্তাৰ, ভাল কৰ্মৰ। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত অধ্যাপক পবিন কলিতা, জ্যেষ্ঠ সমাজ সচেতক প্ৰশান্ত কুমাৰ বুজৰবৰুৱা, বয়োজ্যেষ্ঠ অধিবক্তা তৰুণ সিংহ লহকৰেও নিজৰ বক্তব্য ৰাখে। জ্যেষ্ঠ নাগৰিক মহেশ কাকতিয়ে সভাসদলৈ শলাগৰ শৰাই আগবঢ়ায়। অৱসৰপ্ৰাপ্ত শিক্ষক মুনীন্দ্ৰ মালাকৰে পৰিবেশন কৰা গুৰুজনাৰ ঘোষা এফাকিৰে অনুষ্ঠানৰ সামৰণি মৰা হয়।

পৰেশ বৈশ্য ফাউণ্ডেচন

## বান বিভীষিকা বিষয়ক চিত্ৰাংকণ প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

**গুৱাহাটী ঃ** পৰেশ বৈশ্য ফাউণ্ডেচনে আয়োজন কৰা বান বিভীষিকা বিষয়ক অসমভিত্তিক ডাকযোগে চিত্ৰাংকণ প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হৈছে। সেই অনুসৰি প্ৰথম স্থান কস্তুৰী প্ৰিয়ম ওজা (দক্ষিণহাটী, বৰপেটা), দ্বিতীয় স্থান ৰোদাশী ওজা (গান্ধীনগৰ, বৰপেটা), তৃতীয় স্থান দেৱাংশ নাথ (শ্ৰীমন্ত শংকৰ একাডেমী স্কুল, দিছপুৰ, গুৱাহাটী), চতুৰ্থ স্থান গীতুমণি ডেকা (নীলাচল জাতীয় বিদ্যালয়, কামাখ্যাগে'ট, গুৱাহাটী) আৰু পঞ্চম স্থান ৰঞ্জন ভৰালী (নীলাচল জাতীয় বিদ্যালয়, কামাখ্যাগে'ট, গুৱাহাটী)। বঁটাৰ বাবে নিৰ্বাচিতসকলক অহা ১৫ ছেপ্টেম্বৰত বিয়লি ৩ বজাত গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিতব্য পৰেশ বৈশ্য ফাউণ্ডেচনৰ ‘শিক্ষা-সাংবাদিকতাৰ দিন'ত প্ৰদান কৰা হ'ব বুলি ন্যাসৰ পৰিচালন ন্যাসৰক্ষী পৰেশ বৈশ্যই জনাইছে। বঁটাৰ বাবে নিৰ্বাচিতসকলক সেইদিনা নিৰ্ধাৰিত সময়ত অনুষ্ঠানত উপস্থিত থাকি বঁটা গ্ৰহণ কৰিবলৈ জনোৱা হৈছে।

## ধৰ্মপুৰ জ্ঞানদায়িনী সমাজ, গুৱাহাটীৰ প্ৰতিষ্ঠা দিৱস পালন



**গুৱাহাটী ঃ** ধৰ্মপুৰ জ্ঞানদায়িনী সমাজ, গুৱাহাটীৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস যোৱা দেওবাৰে দিনজোৰা কাৰ্যসূচীৰে গুৱাহাটীৰ বি বৰুৱা মহাবিদ্যালয়ত পালন কৰা হয়। পুৱা ১১ বজাত বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা প্ৰতিষ্ঠা দিৱসৰ সাধাৰণ সভাত সভাপতিত্ব কৰে সমাজৰ সভাপতি ড° অৱনী কুমাৰ ভাগৱতীয়ে। সভাৰ আৰম্ভণিতে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ধীৰেন চৌধুৰীয়ে। ইয়াৰ পিছতে তীৰ্থনাথ শৰ্মাৰ সম্পাদনাত প্ৰকাশিত ধৰ্মপুৰ জ্ঞানদায়িনী সমাজৰ, গুৱাহাটীৰ বাৰ্ষিক মুখপত্ৰ ‘বুঢ়াদিয়া'ৰ দ্বিতীয় সংখ্যাটো উন্মোচন কৰে ড° অৱনী কুমাৰ ভাগৱতী আৰু অতিথিবৃন্দই। সভাই আগত দিনত সাহপুৰ, গামাৰিমুৰী, নদলা, বৰবৰা আদি গাঁৱৰ দুখীয়া পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীক সহায় কৰা, গাঁৱৰ পৰিৱেশ সুস্থ ৰখাৰ বাবে সজাগতা সভা অনুষ্ঠিত কৰা, গছৰ পুলি ৰোপণ কৰা, পৰিৱেশ ৰক্ষাৰ কাম কৰা, বিপদগ্ৰস্ত লোকক সহায় কৰা আদি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত কাৰ্যকৰী সভাপতি প্ৰফুল্ল বৰ্মন, উপদেষ্টা নৃপেন ভাগৱতী, উমাচৰণ শৰ্মা, ড° অখিল গোস্বামী, কোষাধ্যক্ষ ভাস্কৰ বৰা, যুটীয়া সম্পাদক কৈলাস বৰ্মন (জোন), ঘনশ্যাম তালুকদাৰ (জিতু), দীপক কুমাৰ শৰ্মা, ৰাজেন বৈশ্য, দিম্পীকা চৌধুৰী আদিয়ে শুভেচ্ছামূলক ভাষণ প্ৰদান কৰে। সভাত কৈলাস বৰ্মনে যুগুত কৰি উলিওৱা সমাজৰ সংবিধানৰ খচৰাখন পাঠ কৰা হয়। আলোচনাৰ অন্তত খচৰাখন গ্ৰহণ কৰা হয়। সভাত সভাৰ শেষত আগত দুটা বছৰৰ বাবে ড° অৱনী কুমাৰ ভাগৱতীক সভাপতি, ধীৰেন চৌধুৰীক সাধাৰণ সম্পাদক হিচাপে লৈ পূৰ্বৰ বিষয়ববীয়াসকলক লৈ নতুনকৈ এখন সমিতি এখন গঠন কৰা হয়। সভাৰ মাজতে শিল্পী পেম্পনাৰ উমেশ দত্ত আৰু সদানন্দ বৰ্মনে দুটি গীত পৰিৱেশন কৰে।

## বাইহাটা চাৰিআলিত মৃণালিনী দেৱীক ‘শ্ৰেষ্ঠ মাতৃ’ বঁটা প্ৰদান




**অসম ভূমি সেৱা, বাইহাটা চাৰিআলি ঃ** বাইহাটা চাৰিআলি বি এড মহাবিদ্যালয় আৰু এইমছ নিৰ্মাণ সহায়ক কমিটীৰ যৌথ উদ্যোগত যোৱা ২২ আগষ্টত মুখ্য মন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাৰ মাতৃ তথা অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি মৃণালিনী দেৱীক ‘শ্ৰেষ্ঠ মাতৃ’ বঁটা কৰা হয়। এই উপলক্ষে বাইহাটা চাৰিআলি বি এড মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত এক বিশেষ অনুষ্ঠানত তেওঁক এই সন্মান প্ৰদান কৰা হয়। বিশিষ্ট সমাজকৰ্মী মদন চন্দ্ৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত তথা উক্ত বি এড মহাবিদ্যালৰ অধ্যক্ষ ড° আব্দুল ছামাদে আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানত বঁটা গ্ৰহণ কৰি মৃণালিনী দেৱীয়ে ভাষণ প্ৰসংগত কয় যে মই সকলোৰে মা হৈছো। মই নিজে জন্ম দিয়া সন্তানকো পাহৰি পেলাইছো। ৰাইজক গতাইছো। যিসকলে মোক ‘মা’ বুলি মাতে সেইসকলক বুকুৰ মাজত সাবটি লৈছো। মই সমস্ত পৃথিবীৰ মা হৈ থাকিব বিচাৰো। আনহাতে, অনুষ্ঠানত পশুপালন, পশু চিকিৎসা আৰু মীনপালন বিভাগৰ মন্ত্ৰী নীলিমা দেৱীয়ে নিজৰ ভাষণ প্ৰসংগত কয় ভগৱানসদৃশ এটা শব্দ ‘মা’। এই মা শব্দই অন্তৰ চুই যায়। মা হ'বলৈ যিমান কঠিন তাতোকৈ আদৰ্শ মাতৃ হ'বলৈ বহু কঠিন। আদৰ্শ মাতৃ হ'বলৈ বহু ত্যাগ স্বীকাৰ কৰিবলৈ লাগে। কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই ভাষণ প্ৰদান এই অনুষ্ঠানত বিশিষ্ট সমাজসেৱিকা উৰ্বশী চৌধুৰী, লেখিকা ৰুণুপৰ্ণা ভট্টাচাৰ্য আদিকে ধৰি বৃহত্তৰ অঞ্চলটোৰ ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

Printed by Prafulla Gogoi, Seven Stars Publications Pvt. Ltd. and published by Raghabendra Narayan Dutta Baruah , Seven Stars Publications Pvt. Ltd. on behalf of Raghabendra Narayan Dutta Baruah and printed at Seven Stars Publications Pvt. Ltd. at A.T. Road, Adabari, Near Bus Stand (Out Gate) Guwahati-781014 and published at 6, College Hostel Road, Panbazar, Guwahati-781001. Tel: 0361-2674555, E-mail: sspplghy@gmail.com

Editor: Raghabendra Narayan Dutta Baruah